● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি কৰিব নোৱাৰে বুলি আনে কোৱা কামটো কৰি পেলোৱাৰ দৰে মজা আৰু নাই।

ৰল্টাৰ বাগেহট
*ব্ৰিটিছ লেখক-সাংবাদিক*



www.dainikagradoot.in

৭ ভাৰতত মানৱাধিকাৰ উলংঘনৰ ঘটনা বৃদ্ধি পাইছে
১৫ মুম্বাইৰ প্ৰত্যাৱৰ্তনৰ আশা বুমৰাহৰ
৪ হিন্দী হিন্দু হিন্দুস্তান ঃ ভাষা, পোছাক, খাদ্য, বচন সকলোতে ফতোৱা

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৮৪তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৯ চ'ত ১৪২৮ ভাস্কৰাব্দ ১৩ এপ্ৰিল ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Wednesday 13 April 2022 মূল্য ঃ ৯.০০ টকা

■ ডিব্ৰুগড়ত সামৰণি পৰিল দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় জলপথ সন্মিলন
■ ব্ৰহ্মপুত্ৰৰ জলপথৰ সৰ্বোচ্চ ব্যৱহাৰৰ উদ্দেশ্যে ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ

## ব্ৰহ্মপুত্ৰইদি মালবাহী জাহাজ প্ৰেৰণ কৰিবলৈ আগ্ৰহী ভূটান-বাংলাদেশ



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১২ এপ্ৰিল ঃ** 'ব্ৰহ্মপুত্ৰৰ জলভাগক পৰিবহণৰ ক্ষেত্ৰত সৰ্বাধিক ব্যৱহাৰেৰে অসমৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ স'তে শক্তিশালী ব্যৱসায়িক সম্পৰ্ক গঢ়ি তোলাত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।' আজি ইয়াৰ চৌকিডিঙি খেলপথাৰত দুদিনীয়াকৈ আয়োজিত আন্তঃৰাষ্ট্ৰীয় জলপথ সন্মিলন, ২০২২ত ভাষণ দি এইদৰে কয় কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। কে'বাখনো দেশৰ বিভাগীয় মন্ত্ৰী, ভাৰত চৰকাৰৰ *১০ পৃষ্ঠাত চাওক*



*হেঁপাহৰ বিহুটি আহিল, কপৌ খোপাত গুজি চেনাইলৈ অপেক্ষা নাচনীৰ।*

এএমচি হাস্পতালত চিকিৎসাধীন হৈ আছে একাধিক স্থানৰ ৩৫জন

## ১৩লৈ বৃদ্ধি বিষাক্ত কাঠফুলা ভক্ষণ কৰি মৃত লোকৰ সংখ্যা

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১২ এপ্ৰিল ঃ** বিষাক্ত কাঠফুলাই প্ৰাণ কাঢ়ি নিলে শিশু, মহিলাসহ ১৩জনকৈ লোকৰ। ৰঙালী বিহুৰ প্ৰাক্‌ক্ষণত বিষাক্ত কাঠফুলা ভক্ষণ কৰি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাতে পৃথক স্থানৰ ১৩জনকৈ লোকৰ মৃত্যুৰ ঘটনাই সকলোৰে চকু কপালত তুলিছে। কালি সোণাৰিৰ লালতিপথাৰৰ চাৰিজনকৈ লোকৰ মৃত্যু হৈছিল। এই ঘটনাৰ পাছত আজি পুনৰ নজন লোকৰ মৃত্যু হয়। অসম চিকিৎসা *১০ পৃষ্ঠাত চাওক*

বহু গুৰুত্বপূৰ্ণ তথ্য 'হেক' কৰাৰ শংকা

## দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডত বৃহৎ চাইবাৰ আক্ৰমণ

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১২ এপ্ৰিল ঃ** সম্প্ৰতি দেশৰ বিভিন্ন প্ৰতিষ্ঠান-ৰাজনৈতিক ব্যক্তি চাইবাৰ আক্ৰমণৰ বলি হৈছে। দেশৰ একাধিক উদ্যোগত হেকাৰে তথ্য খেলিমেলি কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ সময়তে এইবাৰ *১০ পৃষ্ঠাত চাওক*

■ দুবছৰৰ বিৰতিত বিহু উদ্‌যাপনৰ বাবে সাজু অসম ■ ৰমকে জমকে কাইলৈৰ পৰা ৰঙালী বিহু সন্মিলন ■ মূল্যবৃদ্ধিৰ মাধমাৰ পৰিছে বিহু উদ্‌যাপনতো ■ সকাহ হ'লেও যথেষ্ট নহয়

# সাহায্যৰ লগতে দান-বৰঙণিও সংগ্ৰহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** ক'ভিড মহামাৰীৰ বাবে দুবছৰৰ বিৰতিত ৰাজ্যবাসীয়ে স্বাস্থ্য সংক্ৰান্তীয় সকলো নিষেধাজ্ঞাৰ পৰা মুক্ত হৈ ৰঙালী বিহু উদ্‌যাপনৰ বাবে সাজু হৈছে। বৃহস্পতিবাৰে গৰু বিহু। ইতিমধ্যে ৰাজ্যৰ বিহুতলীসমূহ ৰাজহুৱা বিহু উদ্‌যাপনৰ বাবে সাজু হৈ উঠিছে। গৰু বিহুৰ দিনাৰ পৰাই বিভিন্ন বিহুতলীত বিহুৰ কাৰ্যসূচী আৰম্ভ হ'ব।



অৱশ্যে পহিলা ব'হাগৰ পৰা প্ৰায় সকলো বিহুতলী ঢোলৰ গুমগুমনি, পেঁপাৰ টিহিটি মাত আৰু জাউৰিয়ে জাউৰিয়ে বিহুগীতৰ সুৰত ৰজনজনাই উঠিব। ক'ভিডসৃষ্ট পৰিৱেশে সাধাৰণ সকলো লোকক আৰ্থিক প্ৰতিকূলতাত ভোগাইছে। এনে ক্ষেত্ৰত এইবাৰ জাতীয় উৎসৱটি চান্দাৰ হেঁচা নিদিয়াকৈ উদ্‌যাপনৰ প্ৰচেষ্টাও চলিছিল; কিন্তু বাস্তৱত তাৰ সম্পূৰ্ণ *১০ পৃষ্ঠাত চাওক*






*গুৱাহাটীত বিক্ৰীৰ বাবে চোৰাংকৈ অনা পাঁচোটাকৈ চিম্পাঞ্জী জব্দ কৰিলে আৰক্ষীয়ে, বোকাজানত মঙলবাৰে।*

বিশ্বনাথত ৬০ কেজি নকল সোণ জব্দ


## নাও-যীশুৰ নকল সোণৰ মূৰ্তি সৰবৰাহ কৰা এজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১২ এপ্ৰিল ঃ** ৰাজ্যত অব্যাহত আছে বিভিন্ন চোৰাং সৰবৰাহ। সমান্তৰালকৈ চলি আছে নকল সোণৰ ব্যৱসায়। বিশ্বনাথ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই প্ৰায় ৬০ কেজি নকল সোণ জব্দ কৰে। লগতে সৰবৰাহকাৰী *১০ পৃষ্ঠাত চাওক*

**মাহে ৰমজান**

ইফটাৰ
আজি আবেলি ঃ ৫.৪৬ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.৪২ বজা
* *গুৱাহাটীৰ সময়*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২২° |
| ডিব্ৰুগড় | ২৯° | ২০° |
| দিল্লী | ৪০° | ২৬° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩৩° | ২২° |
| শ্বিলং | ২৩° | ১৪° |

*১২ এপ্ৰিল , ২০২২*

মেট্ৰ' ৰেলৰ যাত্ৰী তেজেৰে ৰাঙলী ঃ তীব্ৰ আতংকময় পৰিস্থিতি

## নিউয়ৰ্কত দুৰ্বৃত্তৰ নিৰ্বিচাৰ গুলিচালনা



■ **নিউজ ব্যুৰ'**
**নিউয়ৰ্ক, ১২ এপ্ৰিল ঃ** নিউয়ৰ্কৰ ব্ৰুকলীনৰ এটা ছাবৱে ষ্টেছনত দুৰ্বৃত্তৰ নিৰ্বিচাৰ গুলিচালনাত কমেও ১৬জন লোক আহত হয়। ইয়াৰ ফলত মেট্ৰ' ৰেলৰ যাত্ৰীসকলৰ মাজত মুহূৰ্তৰ ভিতৰতে তীব্ৰ আতংকময় পৰিৱেশৰ সৃষ্টি হয়। ৰক্তাক্ত পৰিস্থিতিত আতংকিত যাত্ৰীয়ে যেনিয়ে-তেনিয়ে দৌৰিবলৈ ধৰে। অস্ত্ৰধাৰী এতিয়াও অঞ্চলটোত সক্ৰিয় হৈ আছে বুলি অনুমান কৰা হৈছে। স্থানীয় একাংশ সংবাদ মাধ্যমৰ মতে আক্ৰমণস্থলীত যথেষ্ট পৰিমাণৰ বিস্ফোৰকো উদ্ধাৰ হৈছে। আমেৰিকাৰ স্থানীয় *১০ পৃষ্ঠাত চাওক*

নগাঁৱত সংখ্যালঘু ছাত্ৰ বৃত্তিৰ কেলেংকাৰিৰ তদন্তত চিআইডি

## বেংকৰ নজন চিএছপিক জালিয়াতিৰ অভিযোগত গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰূপহীহাট/জুৰীয়া, ১২ এপ্ৰিল ঃ** সংখ্যালঘু ছাত্ৰ বৃত্তিৰ নামত বছৰ বছৰ ধৰি ব্যাপক কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত ৰাজ্য চৰকাৰে ইয়াৰ তদন্ত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখা (চিআইডি)ৰ হাতত অৰ্পণ কৰিছে। ইতিমধ্যে ৰাজ্যৰ চৰ উন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা প'ষ্ট মেট্ৰিক আৰু অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ দ্বাৰা ৰূপায়ণ কৰা প্ৰি-মেট্ৰিক সংখ্যালঘু ছাত্ৰ বৃত্তিৰ তালিকাত *১০ পৃষ্ঠাত চাওক*

ডিমাপুৰৰ পৰা গোপনে সৰবৰাহ কৰিছিল
■ মণিপুৰৰ দুই চোৰাং সৰবৰাহকাৰী ধৃত

## গুৱাহাটীত চোৰাংকৈ বিক্ৰীৰ বাবে অনা পাঁচটা চিম্পাঞ্জী জব্দ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**
**বোকাজান, ১২ এপ্ৰিল ঃ** অন্যান্য বন্যপ্ৰাণীৰ লগতে এইবাৰ আৰম্ভ হৈছে চিম্পাঞ্জীৰো চোৰাং সৰবৰাহ। আজি কাৰ্বি আংলঙৰ বোকাজানত আৰক্ষীয়ে পাঁচটা চিম্পাঞ্জী জব্দ কৰাৰ পাছতে এই সৰবৰাহৰ তথ্য পোহৰলৈ আহে। উল্লেখ্য যে ৰাজ্যত প্ৰথমবাৰলৈ চিম্পাঞ্জী সৰবৰাহৰ ঘটনা পোহৰলৈ আহিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, আজি বোকাজান মহকুমাৰ ডিলাই আৰক্ষীয়ে এখন মাৰুতি ইক' ভানত *১০ পৃষ্ঠাত চাওক*

তিনিদিন উকলিল মহানগৰীৰ হত্যাকাণ্ডৰ

## এমট্ৰনৰ কৰ্মচাৰীৰ হত্যাকাৰী নাই শুংসূত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** মহানগৰীত শেহতীয়াকৈ ধাৰাবাহিকভাৱে সংঘটিত হৈছে কে'বাটাও হত্যাকাণ্ড। এইবোৰৰ ভিতৰত যোৱা ন এপ্ৰিলৰ নিশা জালুকবাৰী *১০ পৃষ্ঠাত চাওক*

■ ৰঙালী বিহু উপলক্ষত সাংবাদিকৰে অগপ নেতৃত্বৰ মত বিনিময়

## হিন্দী বাধ্যতামূলক কৰাৰ সম্পৰ্কত ক'লে, অসমীয়া ভাষাৰে আপোচ নহয়



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** 'আজিৰ দিনটো অত্যন্ত প্ৰতিযোগিতামূলক। অসমীয়া ল'ৰাই জাৰ্মান, ৰাছিয়ান, ফৰাচী, ইংৰাজী সকলো ভাষা শিকিব লাগে আৰু ক'ব পৰাও হ'ব লাগে; কিন্তু তাৰ অৰ্থ এইটো নহয় যে মাতৃভাষাক এলাগী কৰা হ'ব। অসমীয়া ভাষাটোৰ লগত কেতিয়াও আপোচ কৰা নহ'ব।' এই মন্তব্য কৃষি, পশুপালন আদি বিভাগৰ মন্ত্ৰী তথা অসম গণ পৰিষদৰ সভাপতি *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*সৰ্বাধিক ভোটত জিকিম বুলি ভাবিছিলো, এতিয়া দেখোন এজনো ভোটাৰেই নাই!*

এশদিনৰ ভিতৰত পদূলিয়ে পদূলিয়ে সুলভ মূল্যৰ পানী যোগানৰ প্ৰতিশ্ৰুতি মহানগৰবাসীক

## গুৱাহাটীক বানমুক্ত-মহমুক্ত কৰাৰ প্ৰতিশ্ৰুতি

■ উপাসনাস্থলীৰ বিদ্যুৎ মাচুল ৰেহাইৰ আশ্বাস ■ সেউজ মহানগৰ গঢ়াত অগ্ৰাধিকাৰ দি পৌৰ নিগমৰ নিৰ্বাচনৰ ইস্তাহাৰ কংগ্ৰেছৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** এখন সেউজ, স্বচ্ছ আৰু নাগৰিকক অপৰ্যাপ্ত সুলভ পানী যোগান ধৰিব পৰা প্ৰশাসন উপহাৰ দিয়াৰ প্ৰতিশ্ৰুতিৰে আজি কংগ্ৰেছে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ ইস্তাহাৰ প্ৰকাশ কৰে। 'আমাৰ প্ৰতিশ্ৰুতি' নামেৰে প্ৰকাশ কৰা ইস্তাহাৰ ইয়াৰ ৰাজীৱ ভৱনত উন্মোচন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই *১০ পৃষ্ঠাত চাওক*

■ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলৰ উৰণৰ আকাংক্ষা পূৰণ কৰিব ঃ ড° শৰ্মা

## লীলাবাৰী বিমানকোঠত 'ফ্লাইট ট্ৰেইনিং একাডেমী' উদ্বোধন মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**লখিমপুৰ, ১২ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসামৰিক বিমান পৰিবহন মন্ত্ৰী জ্যোতিৰাদিত্য ছিন্ধিয়াৰ স'তে আজি লখিমপুৰৰ লীলাবাৰী বিমানকোঠত উত্তৰ-পূবত পোনপ্ৰথমবাৰৰ বাবে স্থাপিত 'ৰেডবাৰ্ড ফ্লাইট ট্ৰেইনিং একাডেমী' নামৰ নতুন উৰণ প্ৰশিক্ষণ সংস্থা উদ্বোধন কৰে। উল্লেখ্য যে এই প্ৰশিক্ষণ একাডেমী 'আত্মনিৰ্ভৰ ভাৰত'ৰ অধীনত প্ৰথম পৰ্যায়ত আৰম্ভ হোৱা নটা বিমান প্ৰশিক্ষণ সংস্থাৰ অন্যতম। *১০ পৃষ্ঠাত চাওক*






দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ এপ্ৰিল, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## নগাঁৱৰ এডিপি কলেজৰ অধ্যক্ষলৈ কাৰণ দৰ্শোৱাৰ জাননী উচ্চ শিক্ষা সঞ্চালকৰ


### ২৪ ঘণ্টাৰ ভিতৰত কাৰণ দৰ্শোৱাৰ নিৰ্দেশ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ এপ্ৰিল ঃ** নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ কুমাৰ ভাগৱতীৰ বিৰুদ্ধে মহাবিদ্যালয়খনৰে দুগৰাকী অধ্যাপিকাই যৌন নিৰ্যাতন আৰু মানসিক নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকে *ছয় পৃষ্ঠাত চাওক*

## ■ গ্ৰাহকৰ মূৰত ৰামটাঙোন লাহৰীঘাটৰ গেছ এজেন্সীৰ

# ১০২০ টকাৰ চিলিণ্ডাৰত ওলাল ২৫ লিটাৰ পানী



**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১২ এপ্ৰিল ঃ** বিভিন্ন ব্যৱসায়ীয়ে সাধাৰণ গ্ৰাহকক ৰামটাঙোন শোধাই অহাৰ সময়তে আজি মৰিগাঁও জিলাৰ লাহৰীঘাটত সংঘটিত হ'ল আজৱ ঘটনা। এটা গেছ এজেন্সীৰ পৰা গ্ৰাহকে ক্ৰয় কৰা এটা গেছ চিলিণ্ডাৰৰ পৰা ওলাল ২৫ লিটাৰকৈ পানী। চিলিণ্ডাৰত গেছৰ পৰিৱৰ্তে পানী ওলোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। লাহৰীঘাট বজাৰ স্থিত শান্তি ইণ্ডেন ছাৰ্ভিচ নামৰ গেছ এজেন্সীত সংঘটিত হ'ল এই আজৱ কাণ্ড। এই ঘটনাটো আজি পোহৰলৈ অহা মাত্ৰকে লাহৰীঘাটত বজাৰস্থিত শান্তি ইণ্ডেন গেছ এজেন্সীটোৰ গ্ৰাহকসকলৰ মাজত হুৱা-দুৱা লাগে। উল্লেখ্য যে লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰবৰি গাঁৱৰ ইক্ৰামুল ইছলাম নামৰ এজন ব্যক্তিয়ে ছয় এপ্ৰিলত এটা চিলিণ্ডাৰ ক্ৰয় কৰি ঘৰলৈ নিছিল। কিন্তু ঘৰত গেছ শেষ হোৱাত আজি গেছটো ব্যৱহাৰ কৰিবলৈ লওতে জুই নজ্বলাত গ্ৰাহকজনে ধৰা পেলাই ঘটনাটো। গ্ৰাহকজনে ১০২০ টকাৰে ক্ৰয় কৰিছিল চিলিণ্ডাৰটো। তেওঁ পৰীক্ষা কৰাত চিলিণ্ডাৰটোৰ পৰা ধাৰাসাৰে পানী ওলাব ধৰাত আঁচৰিত হয়। চিলিণ্ডাৰটোৰ পৰা প্ৰায় ২৫ লিটাৰ পানী বাহিৰ হয়। শান্তি ইণ্ডেন ছাৰ্ভিচ নামৰ গেছ এজেন্সীৰ পৰা গেছ চিলিণ্ডাৰটো ক্ৰয় কৰি এনে পৰিস্থিতিৰ সৃষ্টি হোৱাত আন গ্ৰাহকো সন্দিহান হৈ গেছ ক্ৰয় নকৰাকৈ উভতি যায়। পূৰ্বেও এনে বহুতো দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ আছে লাহৰীঘাটৰ শান্তি গেছ এজেন্সীৰ বিৰুদ্ধে। গেছ এজেন্সীটোত আজি এনে ঘটনা সংঘটিত হোৱাৰ পাছত বিভাগীয় কৰ্তৃপক্ষই গেছ এজেন্সীটোৰ বিৰুদ্ধে কি ব্যৱস্থা লয় সেয়া লক্ষ্যণীয় হ'ব।

## উপযুক্ত চিকিৎসাৰ অভাৱত চাংমাজি আশ্ৰয় শিবিৰৰ এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১২ এপ্ৰিল ঃ** হোজাইৰ ডবকাৰ চাংমাজিত জিলা প্ৰশাসনে লামডিঙৰ উচ্ছেদিত বেদখলকাৰীৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰত আন এজন লোকে আজি উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু হয়। মৃত লোকজনৰ নাম আবুল কাছিম। কাছিম চাংমাজি আশ্ৰয় শিবিৰত দীৰ্ঘদিনৰ পৰা অসুস্থ হৈ আছিল যদিও উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু হয়। যোৱা শনিবাৰে লোকজনক হোজাইৰ হাম *ছয় পৃষ্ঠাত চাওক*

## ডিব্ৰুগড়-পাচিঘাটৰ মাজত আৰম্ভ হ'ল বিমান সেৱা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১২ এপ্ৰিল ঃ** অতি শীঘ্ৰেই অৰুণাচল প্ৰদেশৰ প্ৰকৃতিৰ ভূস্বৰ্গ মেচুকা, টুটিং, জিৰো, তেজুলৈ ও আৰম্ভ হ'ব ডিব্ৰুগড়ৰ পৰা এলায়েন্স এয়াৰৰ বিমান সেৱা। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ডিব্ৰুগড়ৰ মোহনবাৰী বিমানকোঠৰ পৰা পাচিঘাট হৈ লীলাবাৰী, গুৱাহাটীলৈ আজি প্ৰথম বাণিজ্যিক বিমান সেৱা মুকলি কৰে। ইয়াৰ লগে লগে আজিৰে পৰা ডিব্ৰুগড়-পাচিঘাট আকাশী পথত এলায়েন্স এয়াৰৰ ভাৰতত নিৰ্মিত ডৰ্ণিয়াৰ ২২৮ বিমানৰ প্ৰথম বাণিজ্যিক উৰণ আৰম্ভ হ'ল। ১৮ এপ্ৰিলৰ পৰা ডিব্ৰুগড়-পাচিঘাট-লীলাবাৰীৰ মাজত নিয়মীয়াকৈ বিমানখন চলাচল কৰিব। ১৭খন আসনযুক্ত দুখন ডৰ্ণিয়াৰ ২২৮ বিমান লীজত দিবলৈ এলায়েন্স এয়াৰ আৰু হিন্দুস্তান এৰ'নটিকছ লিমিটেডৰ মাজত ফেব্ৰুৱাৰীত এখন চুক্তি সম্পাদিত হৈছিল। অসামৰিক কামত ব্যৱহাৰ কৰিবলগীয়া ভাৰতত নিৰ্মিত বিমান চলোৱা এলায়েন্স এয়াৰেই হ'ব ভাৰতৰ প্ৰথম বাণিজ্যিক এয়াৰলাইন। উল্লেখ্য যে এতিয়ালৈকে এনে বিমান কেৱল সশস্ত্ৰ বাহিনীসমূহে ব্যৱহাৰ কৰি আছিল।

## লখিমী খাৰঘৰীয়া যোৰহাট পৌৰসভাৰ পৌৰপতি নিৰ্বাচিত

### ■ একেৰাহে দ্বিতীয়বাৰৰ বাবে বিজেপিৰ দখলত যোৰহাট পৌৰসভা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ এপ্ৰিল ঃ** বহু জল্পনা-কল্পনাৰ অন্ত পেলাই আজি ১৬ নম্বৰ ৱাৰ্ডৰ বিজেপিৰ জ্যেষ্ঠ ৱাৰ্ড কমিছনাৰ লখিমী খাৰঘৰীয়াক পৌৰপতিৰূপে লৈ বিজেপিয়ে গঠন কৰে শতবৰ্ষ গৰকা যোৰহাট পৌৰসভা। একেৰাহে দ্বিতীয়বাৰৰ বাবে পৌৰসভাখন নিজৰ দখলত ৰাখিবলৈ সক্ষম হোৱা বিজেপি আৰু মিত্ৰ দল অগপই ১৯ খন আসনৰ ১১ খন দখল কৰিবলৈ সক্ষম হৈছিল। একক সংখ্যাগৰিষ্ঠ দলৰূপে মিত্ৰজোঁটৰ পৌৰসভা গঠন উপলক্ষে আজি পৌৰসভাৰ প্ৰেক্ষাগৃহত দলৰ জ্যেষ্ঠ সদস্য ৱাৰ্ড সদস্য মিহিৰ সাহাৰ সভাপতিত্বত শপতগ্ৰহণ বৈঠক অনুষ্ঠিত হয়। স্থানীয় বিধায়ক হিতেন গোস্বামী, জিলাৰ উপায়ুক্ত *ছয় পৃষ্ঠাত চাওক*

## জোৰকৈ হিন্দী শিক্ষা বাধ্যতামূলক কৰাৰ বাবে লখিমপুৰত এছইউচিআইৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১২ এপ্ৰিল ঃ** অসমত বিদ্যালয়সমূহত দশম শ্ৰেণীলৈকে হিন্দী শিক্ষা বাধ্যতামূলক কৰাৰ চক্ৰান্ত বন্ধ কৰাৰ দাবীত আজি লখিমপুৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত এছইউচিআই (কমিউনিষ্ট) দলে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ 'ভাষাৰ নামত মানুহক বিভক্ত কৰাৰ ষড়যন্ত্ৰ নচলিব। হিন্দী ভাষা জোৰকৈ জাপি দি বিভাজনৰ ৰাজনীতি বন্ধ কৰক' আদি শ্লʼগানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী সভাত দলৰ লখিমপুৰ জিলা সমিতিৰ সম্পাদক অনুপম চুতীয়াই কয় যে শিক্ষাৰ ক্ষেত্ৰত আধুনিক উন্নত জ্ঞান চৰ্চাৰ বাবে মাতৃভাষাৰ লগতে ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে আৰু দেশৰ ভাষাবিদ, শিক্ষাবিদ, বুদ্ধিজীৱী সকলোৰে ওচৰত বিজ্ঞানসন্মত দ্বিভাষা নীতি গ্ৰহণযোগ্য। তাক অগ্ৰাহ্য কৰি হিন্দু-হিন্দী-হিন্দুস্তানৰ এজেণ্ডা চৰিতাৰ্থ কৰিবলৈ গৈ হিন্দী ভাষা বলপূৰ্বক জাপি দিলে বিপৰীত প্ৰতিক্ৰিয়া হ'ব। তদুপৰি ইংৰাজী শিক্ষাৰ পৰা বঞ্চিত হৈ দুখীয়া ছাত্ৰ-ছাত্ৰীসকল বিত্তৱান ঘৰৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত পিছ পৰি ৰ'ব। এই বিভাজনকামী শিক্ষাবিৰোধী নীতিৰ বিৰুদ্ধে সকলো অংশৰ ৰাইজক ঐক্যবদ্ধ হৈ তীব্ৰ গণ আন্দোলন গঢ়ি তুলি চৰকাৰক এই নীতি প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰাব লাগিব বুলি অভিমত ব্যক্ত কৰে।

## আজি মৰিয়নি পৌৰসভাৰ নৱনিৰ্বাচিত সদস্যৰ শপতগ্ৰহণ

### ■ নিৰ্দলীয়ই গঠন কৰিব পৌৰসভা

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১২ এপ্ৰিল ঃ** বহু জল্পনা-কল্পনাৰ অন্তত কাইলৈ মৰিয়নি পৌৰসভাৰ নৱনিৰ্বাচিত ৱাৰ্ড সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। মৰিয়নিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত দিনৰ দুই বজাৰ পৰা এই অনুষ্ঠান অনুষ্ঠিত হ'ব। তিতাবৰ মহকুমাৰ মহকুমাধিপতি গায়ত্ৰী দেৱীদাস হ্যাংগলেই এই সম্পৰ্কীয় নিৰ্দেশ জাৰি কৰিছে। ইতিমধ্যে তিতাবৰ মহকুমা প্ৰশাসনে ইয়াৰ যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই অনুষ্ঠানতে মৰিয়নি পৌৰসভাৰ আগন্তুক কাৰ্যকালৰ বাবে পৌৰপতি আৰু উপ-পৌৰপতিও নিৰ্বাচন কৰা হ'ব। লক্ষ্যণীয় যে বিজেপিৰ দপদপনিৰ মাজতো মৰিয়নি পৌৰসভা দখল কৰিছিল আঠগৰাকীকৈ নিৰ্দলীয় প্ৰাৰ্থীয়ে। সকলো জল্পনা-কল্পনা আঁতৰাই নিৰ্দলীয় সদস্যই মৰিয়নি পৌৰসভা গঠন কৰাটো নিশ্চিত হৈছে। সেই অনুসৰি এক নম্বৰ ৱাৰ্ডৰ প্ৰদীপ দাস (নিৰ্দলীয়), দুই নম্বৰ ৱাৰ্ডৰ শংকৰ চক্ৰৱৰ্তী (নিৰ্দলীয়), তিনি নম্বৰ ৱাৰ্ডৰ কাজল ভট্টাচাৰ্য (নিৰ্দলীয়), চাৰি নম্বৰ ৱাৰ্ডৰ পিকলু ৰয় (নিৰ্দলীয়), পাঁচ নম্বৰ ৱাৰ্ডৰ ৰঞ্জুশ্ৰী দাস (নিৰ্দলীয়), ন নম্বৰ ৱাৰ্ডৰ বিশ্বপ্ৰভা শইকীয়া (নিৰ্দলীয়) আৰু ১০ নম্বৰ ৱাৰ্ডৰ বিজন মজুমদাৰ (নিৰ্দলীয়)-এ মৰিয়নি পৌৰসভা গঠন কৰিব। আনহাতে, ছয় নম্বৰ ৱাৰ্ড আৰু সাত নম্বৰ ৱাৰ্ডত *ছয় পৃষ্ঠাত চাওক*

## সোণকোষ নদীৰ পাৰত ১৫ কোটি টকাৰ গাঞ্জা-বিদেশী চিগাৰেট দাহ



**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ/গোসাইগাঁও, ১২ এপ্ৰিল ঃ** অসম দুৱাৰমুখ স্বৰূপ গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰত বিগত সময়ছোৱাত শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই প্ৰায় ১৫ কোটি টকাৰ গাঞ্জা আৰু বিদেশী চিগাৰেট জব্দ কৰিবলৈ সক্ষম হৈছিল। আৰক্ষীয়ে ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় পথৰ শ্ৰীৰামপুৰত সময়ে সময়ে অভিযান চলাই জব্দ কৰা নিষিদ্ধ ঘোষিত এই গাঞ্জা আৰু চিগাৰেটসমূহ আজি অসম-বংগ সীমান্তৱৰ্তী সোণকোষ নদীৰ পাৰত জ্বলাই দিয়ে। পৰিৱেশ নষ্ট নোহোৱাকৈ কটকটীয়া নিৰাপত্তাৰ মাজত এই সামগ্ৰীসমূহ জ্বলাই দিয়া হয়। আদালতৰ নিৰ্দেশ অনুসৰি এই সামগ্ৰীসমূহ জ্বলাই দিয়া সময়ত আৰক্ষীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ১৪৬ পেকেট গাঞ্জা আৰু ৬৩ পেকেট বিদেশী চিগাৰেট আজি দাহ কৰা হয়। কাৰ্যসূচীত বিটিআৰৰ আইজিপিএল আৰ বিষ্ণয়, কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক, উপ-আৰক্ষী *ছয় পৃষ্ঠাত চাওক*

## ডিগবৈত সামৰণি পৰিল ১০ দিনীয়া বিহু নাচৰ কৰ্মশালা



**ডিগবৈ, ১২ এপ্ৰিল ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ডিগবৈ আঞ্চলিক সমিতিৰ উদ্যোগত আৰু সমূহ ডিগবৈবাসী ৰাইজৰ সহযোগত ডিগবৈ পৰাগধৰ প্ৰেক্ষাগৃহত যোৱা দুইৰ পৰা ১১ এপ্ৰিললৈ অনুষ্ঠিত হয় বিহু নাচ কৰ্মশালাৰ। সামৰণি দিনা পৰাগধৰ চলিহা প্ৰেক্ষাগৃহত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা এক বৰ্ণিল কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। বিহু নাচ কৰ্মশালাত ডিগবৈ চহৰকে আদি কৰি উপকণ্ঠ অঞ্চলৰ প্ৰায় দুই শতাধিক কিশোৰী আৰু যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক আব্দুল ৰাজাই আঁত ধৰা সামৰণি অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নিখিল কোচ, তাই আহোম যুৱ পৰিষদ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দুৰ্গা কোঁৱৰসহ ডিগবৈ জাতীয় জনগোষ্ঠীৰ দল-সংগঠনৰ প্ৰতিনিধি বৰ্গৰ লগতে ডিগবৈ চহৰৰ বহুসংখ্যক ব্যক্তি উপস্থিত থাকে। ১০ দিনীয়াকৈ প্ৰদান কৰা বিহু নাচ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰে ২০১৬ৰ লতাশিল বিহু কুঁৱৰী, ২০১৭ৰ লতাশিল বিহুৰাণী, ২০১৯ চান্দমাৰি অসম বিহুৱতীৰ খিতাপ দখল কৰিবলৈ সক্ষম হোৱা শিৱসাগৰৰ ৰাজশ্ৰী নাথে। সদৌ অসম ছাত্ৰ সন্থাৰ ডিগবৈ আঞ্চলিক সমিতিৰ তৰফৰ পৰা জাতীয় কৃষ্টি আৰু সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত লোৱা পদক্ষেপক ডিগবৈবাসী ৰাইজে শলাগিছে।

## জুৰীয়াৰ তিনিটাকৈ নামঘৰত চোৰে চলালে লুটপাট

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ১২ এপ্ৰিল ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত চামধৰাত তিনিটাকৈ নামঘৰত যোৱা নিশা চোৰে লুটপাট চলাই গুৰু আসন লণ্ড-ভণ্ড কৰাৰ লগতে লুটি লৈ গ'ল নগদ ধনৰ লগতে কে'বাযোৰো বৰতাল, শৰাই, ঘটি আৰু মণিকূটৰ সোণ ৰূপৰ আ-অলংকাৰ। জুৰীয়াৰ চামধৰা গাঁৱৰ বৰ নামঘৰ, মাজু নামঘৰ আৰু সাতঘৰীয়া নামঘৰৰ দুৱাৰৰ তলা ভাঙি চোৰে চুৰি ঘটনা সংঘটিত কৰে। উল্লেখ্য যে জুৰীয়া আৰক্ষী থানাৰ পৰা মাত্ৰ এক কিলোমিটাৰ নিলগত সংঘটিত হৈছে এই ঘটনা। সম্প্ৰতি ঘটনা সন্দৰ্ভত জুৰীয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ৰাইজে।

## বঙাইগাঁও পৌৰসভাৰ শপত গ্ৰহণ সম্পন্ন

### বিজেপিৰ সুবোধ চন্দ্ৰ দাসক পৌৰপতি, অগপৰ শৈলেন্দ্ৰ সৰকাৰ উপ-পৌৰপতি হিচাপে মনোনীত



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১২ এপ্ৰিল ঃ** বঙাইগাঁও পৌৰসভাৰ নৱনিৰ্বাচিত ৱাৰ্ড কমিছনাৰসকলে আজি শপত গ্ৰহণ কৰে। বঙাইগাঁও পৌৰসভাৰ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠানত শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বঙাইগাঁও পৌৰসভাৰ ১৩ নম্বৰ ৱাৰ্ডৰ কমিছনাৰ জয়শ্ৰী বৰদলৈক সভা পৰিচালনা কৰাৰ বাবে প্ৰস্তাৱ কৰা হয়। বঙাইগাঁও জিলাৰ উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই সভাৰ *ছয় পৃষ্ঠাত চাওক*

## দোতমাত ভোটাৰ্ছ পাৰ্টি ইন্টাৰনেছনেলৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১২ এপ্ৰিল ঃ** দোতমাত আজি ভোটাৰ্ছ পাৰ্টি ইন্টাৰনেছনেলে এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত আগন্তুক ২১, ২২ আৰু ২৩ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ভোটাৰ্ছ পাৰ্টি ইন্টাৰনেছনেলৰ বিশ্ব পৰিৱৰ্তন মিছন অনুষ্ঠানৰ লগতে প্ৰশিক্ষণক লৈ সংবাদমেলযোগে সকলোকে অৱগত কৰে আৰু সকলো ৰাইজক উক্ত প্ৰশিক্ষণত উপস্থিত থাকিবলৈ আহ্বান জনায় সংগঠনটোৰ কোকৰাঝাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক নৱ কুমাৰ ব্ৰহ্মাই। সাধাৰণ সম্পাদকজনে লগতে কয় যে ভোটাৰ্ছসকলক চৰকাৰে ভোটাৰশ্বিপ প্ৰদান কৰিব লাগে। আনহাতে, বিজেপিয়ে পৰিৱৰ্তনৰ কথা কৈ শাসনত আহিছিল যদিও আজিলৈকে একো পৰিৱৰ্তন কৰিব পৰা নাই বুলি তেওঁ কয়। বিজেপিৰ শাসনত দেশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক অৱস্থা বেয়ালৈহে গৈছে বুলি অভিযোগ উত্থাপন কৰে ভিপিআইৰ সাধাৰণ সম্পাদক ব্ৰহ্মাই। সংবাদমেলত উপস্থিত থাকে ভোটাৰ্ছ পাৰ্টি ইন্টাৰনেছনেলৰ কোকৰাঝাৰ জিলাৰ সভাপতি উমেশ ব্ৰহ্মাৰ লগতে অইন কৰ্মকৰ্তাসকল।

## জিৰা-তৰেংথপবাসী ৰাইজৰ বিপদ সংকুল যাতায়াত



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১২ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী জিৰা-তৰেংথপবাসী ৰাইজে যাতায়াতৰ ক্ষেত্ৰত ভুগি আহিছে যমৰ যন্ত্ৰণা। বিশেষকৈ দুয়োটা অঞ্চলৰ মাজেৰে বৈ যোৱা কৃষ্ণাই নৈ পাৰ হোৱাৰ বাবে আজিও নহ'ল সুচল ব্যৱস্থা। যাৰ ফলত ৰাইজে কৃষ্ণাই নৈৰ ওপৰত সাজি লোৱা বাঁহৰ সাঁকোৰে বিপদসংকুলভাৱে যাতায়াত অব্যাহত ৰাখিবলৈ বাধ্য হৈ পৰিছে। জীৱনটো হাতৰ মুঠিত লৈ প্ৰতিদিনে কৃষ্ণাই নৈ ইপাৰ-সিপাৰ হৈছে বৃহত্তৰ অঞ্চলটোৰ ২০খনতকৈ অধিক গাঁৱৰ ৰাইজ। দুধনৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত জিৰা, তৰেংথপত গাৰ নোম শিয়ৰি উঠা এনে দৃশ্য আজিও তেনেই সুলভ হৈ পৰিছে। কোন পথচাৰী কোন মুহূৰ্তত সাঁকোৰ পৰা সৰি সৰি যাব তাৰো যেন কোনো নিশ্চয়তা নাই। কাৰণ ইতিমধ্যে কৃষ্ণাই নৈৰ বুকুত থকা দীৰ্ঘতম এই বাঁহৰ সাঁকোৰ পৰা পৰি আঘাতপ্ৰাপ্ত হৈছে বহু লোক। ইফালে, বাঁহৰ সাঁকোখনত নিৰ্বাচনী ইচ্ছু হিচাপে ব্যৱহাৰ কৰি অহা স্থানীয় দুধনৈ সমষ্টিৰ জনপ্ৰতিনিধিসকলে আজিলৈ এখন স্থায়ী পকী দলঙৰ ব্যৱস্থা নকৰিলে উক্ত অঞ্চলত। এতিয়া ৰাইজৰ শেষ ভৰসা দুধনৈ সমষ্টিৰ বৰ্তমানৰ বিধায়ক যাদৱ স্বৰ্গীয়ৰী। বিধায়ক স্বৰ্গীয়াৰীক এই ক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

## ১২৮০ নম্বৰ নাইটৰ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণক লৈ উত্তপ্ত পৰিস্থিতি

### বিদ্যালয়তে প্ৰধান শিক্ষকক ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ



**আলোপতি, ১২ এপ্ৰিল ঃ** বকো সমষ্টিৰ ছমৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ১২৮০ নম্বৰ নাইটৰ প্ৰাথমিক বিদ্যালয়খন ১৯৪৮ তে স্থাপিত। অতি দুৰ্গম অঞ্চলটোত শিক্ষাৰ পোহৰ বিলাবলৈ ৰাইজে স্থাপন কৰা ৭৪ বছৰীয়া পুৰণি বিদ্যালয়খন নতুন শিক্ষা-নীতিৰ অধীনত আন এখন বিদ্যালয়ৰ লগত একত্ৰীকৰণক লৈ বিদ্যালয়খনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নতুন শিক্ষা নীতি-নিয়মানুসৰি এক কিলোমিটাৰ দূৰত্বৰ বিদ্যালয়সমূহ একত্ৰীকৰণ কৰা হ'ব যদিও ১২৮০ নম্বৰ নাইটৰ প্ৰাথমিক বিদ্যালয়খন সংলগ্ন কৰা ফখৰুদ্দিন আলী আহমেদ হাইস্কুলখনৰ দূৰত্ব প্ৰায় আঢ়ৈ কিলোমিটাৰ। কিন্তু বিদ্যালয়খনৰ প্ৰধান শিক্ষক শৈলেন ঠাকুৰীয়া আৰু মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কে অতি গোপনে *ছয় পৃষ্ঠাত চাওক*

## সুস্থ সমাজ এখন গঢ়াৰ অন্তৰালত শিক্ষকৰ অৱদান অপৰিসীম ঃ প্ৰমোদ বড়ো

### ১৮১ গৰাকী ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ মেধা বৃত্তি প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১২ এপ্ৰিল ঃ** 'মানৱ সম্পদ থাকিলেহে এখন দেশত ভাল শাসন ব্যৱস্থা গঢ় লৈ উঠে। সুস্থ সমাজ এখন গঢ়াৰ অন্তৰালত শিক্ষকৰ অৱদান অপৰিসীম।' এই মন্তব্য বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ। আজি চান্দামাৰীস্থিত আই টি পাৰ্কত আয়োজিত উচ্চ শিক্ষাৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰীসকলক বিটিআৰ পৰিষদৰ পৰা দি অহা মেধা বৃত্তিৰ চেক প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি বড়োই মেধা বৃত্তিৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি কয় যে তেওঁলোকেই দেশৰ একো একোজন মানৱ সম্পদ। একোজন মানৱ সম্পদ গঢ়াৰ অন্তৰালত শিক্ষক এজনৰ ভূমিকা অন্যতম। সেয়ে প্ৰাথমিক পৰ্যায়ৰ পৰাই শিক্ষকসকলে যথেষ্ট কষ্ট কৰিলেহে একোজন মানৱ সম্পদ গঢ়িব পাৰে। চলিত বৰ্ষৰ পৰা আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কিছু পৰিৱৰ্তন কৰা হ'ব। আৰ্থিক অনুদান দিয়াৰ পৰিৱৰ্তে ছুপাৰ ইঞ্জিনীয়াৰৰ বাবে ৫০ জন, ছুপাৰ চিকিৎসকৰ বাবে ৫০ আৰু সৰ্বভাৰতীয় পৰ্যায়ৰ বাবে ছুপাৰ ৫০ জনক নিৰ্বাচিত কৰি ১১ মাহ আৰু এক বছৰৰ কাৰণে পৰিষদৰ পৰা বিনামূলীয়াকৈ কোচিং দিয়াৰ ব্যৱস্থা কৰা বুলি জানিবলৈ দিয়ে। এই কোচিং কোকৰাঝাৰ তথা গুৱাহাটীত থাকি দিয়াৰ কথা উল্লেখ কৰে। আজি সৰ্বমুঠ ১৮১ জন ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰা হয়। ইয়াৰে এম বি বি এছত ৫৭ জন, আই আই টিত ১৮ জন, *ছয় পৃষ্ঠাত চাওক*

## 'কনকলতা হস্ততাঁত বয়ন শিল্প' কঢ়িয়াইছে আশাৰ বতৰা

## এদল শিপিনীয়ে তাঁতশালত সপোন ৰচিছে জীয়াই থকাৰ



**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১২ এপ্ৰিল ঃ** সমাগত অসমীয়াৰ বাপোতি সাহোন ৰঙালী বিহু। ৰাজ্যজুৰি ৰঙালী বিহুক আদৰাৰৰ ব্যাপক প্ৰস্তুতি চলিছে। প্ৰান্তে প্ৰান্তে বিহুৰ আখৰা, বিহু নাচ, ঢোলবাদন কৰ্মশালা অনুষ্ঠিত হৈছে। আনহাতে, গাঁৱৰ শিপিনী সকলো ন ন অসমীয়া সাজপাৰ প্ৰস্তুত কৰাৰ বাবে তাঁতশালত ব্যস্ততাৰ অন্ত নাই। সেয়েহে এতিয়া তাঁতশালৰ খিটখিটনি আৰু মাকোৰ শব্দৰে ৰজনজনাইছে চৌপাশ। ৰঙালী বিহু বুলিয়েই নহয় বছৰৰ ১২ মাহেই এখন গাঁৱত এদল মহিলাই তাঁতশালত ব্যস্ত হৈ থাকে অসমীয়া সাজপাৰ প্ৰস্তুত কৰাত গাঁওখনত বছৰৰ প্ৰতিটো দিনেই তাঁতশালৰ খিটখিটনি আৰু মাকোৰ শব্দৰে ৰজনজনাই থাকে। হয়, য'ত এদল মহিলাই তাঁতশালত ৰচে জীয়াই থকাৰ সপোন। য'ত গাঁৱৰ শিপিনীৰ ব্যস্ততা। ঢেকিয়াজুলিৰ চিৰাজুলিৰ নিকটৱৰ্তী চিকাৰীবস্তি গাঁৱত গঢ়ি উঠা 'কনকলতা হস্ততাঁত বয়নশিল্প নামৰ এটি সম্ভাৱনাপূৰ্ণ থলুৱা ক্ষুদ্ৰ উদ্যোগত শিপিনীৰ হাতৰ পৰশত তৈয়াৰ হোৱা ৰং-বিৰঙৰ অসমীয়া সাজপাৰ ৰাজ্যৰ লগতে বহিঃৰাজ্যৰ মুম্বাই, চেন্নাইতো লাভ কৰিছে বিশেষ সমাদৰ। থলুৱা ক্ষুদ্ৰ উদ্যোগে মহিলা *ছয় পৃষ্ঠাত চাওক*

## চাপৰত ১১টা চোৰাং গৰু জব্দ ঃ দুজনক আটক



**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১২ এপ্ৰিল ঃ** কালিৰে পৰা আজি দুপৰীয়ালৈকে চাপৰ আৰক্ষীয়ে চাপৰৰ বহলপুৰ-নাথপাৰা আৰু জালিকুৰাকে ধৰি বিভিন্ন স্থানত অভিযান চলাই ১১টাকৈ চোৰাং গো-ধন জব্দ কৰাৰ লগতে গৰুৰ চোৰাং সৰবৰাহৰ স'তে জড়িত দুজনক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বিশেষ সূত্ৰৰ পম খেদি খবৰ লাভ কৰি চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিৰ নেতৃত্বৰ আৰক্ষীৰ দলে দুদিন ধৰি অভিযান চলাই উক্ত স্থানসমূহৰ পৰা গো-ধনসমূহ জব্দ কৰে। আৰক্ষীৰ দলে কালি বিয়লি উক্ত গৰুৰ সৰবৰাহত জড়িত দুজন শ্ৰমিক ক্ৰমে চাপৰৰ ৰৌমাৰীৰ ৰফিকুল ইছলাম (২৮) আৰু আনোৱাৰ হুছেইন (২৮)কো লগতে আটক কৰে। পাছত চাপৰ আৰক্ষীয়ে এই সন্দৰ্ভত গোচৰ ৰুজু কৰি তদন্ত *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২৯ চ'ত ১৪২৮ভাস্কৰাব্দ ১৩ এপ্ৰিল ২০২২

# পৌৰ নিগমৰ নিৰ্বাচন

গুৱাহাটী পৌৰ নিগমৰ আগন্তুক নিৰ্বাচনক লৈ মহানগৰীত প্ৰচাৰ অভিযান তুংগত উঠিছে। অহা ২২ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনত বিভিন্ন ৰাজনৈতিক দলে অংশগ্ৰহণ কৰি গুৱাহাটী মহানগৰীৰ সমস্যাবোৰ দাঙি ধৰিছে।

শাসক দল বিজেপি তথা ইয়াৰ মিত্ৰ দল অগপই প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিয়ে মুঠ ৫৩ খন আসনত প্ৰাৰ্থী থিয় কৰাই প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে। অগপই মাত্ৰ সাতখন আসনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হ'বলৈ বিচাৰিছে। একালৰ শাসক দল অগপই বিজেপিৰ আশীৰ্বাদতহে নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হৈছে বুলি ইতিমধ্যে দলৰ মজিয়াতে চৰ্চিত হৈছে। সি যি কি নহওক, এইবাৰ পৌৰ নিগমৰ নিৰ্বাচনত আম আদমী পাৰ্টিৰ কে'বাগৰাকীও প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো উল্লেখনীয়। একেদৰেই অজাপৰ পৰা আৰম্ভ কৰি অন্যান্য দলসমূহেও নিৰ্বাচনত অংশগ্ৰহণ কৰিছে। সুদীৰ্ঘ কালৰ বিৰতিৰ পাছত অনুষ্ঠিত হোৱা গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত সকলো ৰাজনৈতিক দলে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। তদুপৰি যথেষ্ট সংখ্যক নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে।

উল্লেখ্য যে বিজেপিয়ে অসমৰ প্ৰায় সকলোবোৰ পৌৰসভাৰ নিৰ্বাচনত বিপুলভাৱে জয়ী হোৱাৰ পাছত গুৱাহাটীতো তাৰ পুনৰাবৃত্তি হ'ব বুলি দলীয় নেতৃত্বই দাবী কৰিছে। পিছে বিৰোধীসকলৰ মতে গুৱাহাটী মহানগৰীৰ ভোটদাতাসকল ধুবুৰী, গোৱালপাৰা, হাউলী, গৌৰীপুৰ আদিৰ দৰে নহয়। গুৱাহাটী মহানগৰী সচেতন নাগৰিকৰ বসতিস্থান। গতিকে বিজেপিয়ে মহানগৰীত অন্যান্য পৌৰসভাৰ দৰে সাফল্য অৰ্জন কৰাৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব বুলি একাংশ লোকে মত প্ৰকাশ কৰিছে।

অৱশ্যে ধৰ্মীয় সংখ্যালঘু প্ৰধান চহৰবোৰৰ পৌৰসভাত বিজেপিৰ বিপুল সাফল্যই বিৰোধীসকলৰ অংকৰ হিচাপত আউল লগাইছে। ধৰ্মীয় সংখ্যালঘুসকলক বিজেপিয়ে আকৰ্ষণ কৰিবলৈ সক্ষম কেনেদৰে হৈছে সেয়া চৰ্চাৰ বিষয় হৈ পৰিছে। সি যি কি নহওক, গুৱাহাটী মহানগৰীৰ সংখ্যালঘু প্ৰধান ১১টা ৱাৰ্ড দখলৰ বাবে বিজেপিয়ে এতিয়া উঠি-পৰি লাগিছে। বিজেপি আৰু অগপই প্ৰতিদ্বন্দ্বিতা কৰা বাকীবোৰ ৱাৰ্ডত মিত্ৰজোঁটৰ জয় সহজে হ'ব বুলি আশা কৰিছে; কিন্তু মহানগৰীৰ নাগৰিকৰ মন পোৱা টান।

গুৱাহাটী মহানগৰীৰ প্ৰধান সমস্যাসমূহৰ ভিতৰত আছে খোৱা পানীৰ সমস্যা। গুৱাহাটী মহানগৰীত কে'বাটাও পানী যোগান প্ৰকল্পৰ কাম আন্তৰ্জাতিক বিত্তীয় সংস্থাৰ সহযোগত পূৰ্বৰ চৰকাৰৰ দিনৰ পৰাই চলি আহিছে। পৰিতাপৰ বিষয় যে এই প্ৰকল্পবোৰৰ এটাও আজিলৈকে সম্পূৰ্ণ হোৱা নাই। তদুপৰি এই প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত কেতবোৰ কেলেংকাৰিৰ কথাও উন্মোচিত হৈছিল। খোৱা পানীৰ পাছতেই আছে গুৱাহাটীত হোৱা কৃত্ৰিম বানপানীৰ সমস্যা। এই সমস্যাটো তাৎক্ষণিকভাৱে সমাধানৰ বাবে ৰাজ্যৰ প্ৰতিখন চৰকাৰেই আশ্বাস দি আহিছে যদিও সি আজিলৈকে পূৰণ হোৱা নাই। বৰ্তমান বিজেপিৰ পৌৰ নিগমৰ নিৰ্বাচনী ইস্তাহাৰত পুনৰ এই সমস্যাটো সমাধানৰ প্ৰতিশ্ৰুতি দিয়া হৈছে।

মহানগৰীৰ ঠায়ে ঠায়ে জল জীৱন যোজনাৰ অধীনত ‘ঘৰ ঘৰ মে নল ঘৰ ঘৰ মে জল’ ধ্বনিসহ ফলক আঁৰা হৈছে; কিন্তু তাৰ সমান্তৰালভাৱে পানী যোগান আঁচনিৰ পানী পাবলৈ জনসাধাৰণে হাতত বাল্টি লৈ শাৰী পাতি থিয় হোৱা দৃশ্য অতি সুলভ। এনেবোৰ সমস্যাত জৰ্জৰিত মহানগৰীৰ ভোটাদাতাসকলে আগন্তুক নিৰ্বাচনত এই ক্ষেত্ৰত কেনে ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**কমল পাটোৱাৰী** *লেখক*

**আমি** যদি কেইটামনা দশক আগৰ আমাৰ দেশ বা ৰাজ্যৰ ৰাজনৈতিক নেতা-কৰ্মীসকলৰ সামগ্ৰিক জীৱনত দৃষ্টিপাত কৰো, দেখা পাওঁ যে তেওঁলোকৰ সামগ্ৰিক জীৱনত আজিৰ দৰে ভ্ৰষ্টাচাৰে ঠাই পোৱা নাছিল। ভ্ৰষ্টাচাৰী নেতা-পালিনেতা সেই সময়ত আছিল এপাচি শাকত এটা জালুকৰ দৰে।

আমি পূৰ্বৰ নেতা-কৰ্মীক ঘূৰাই পাবলৈ আমাৰ নাগৰিকসকলৰ কিম্বা ভোটাৰ ৰাইজৰ এক বিশেষ দায়িত্ব আহি পৰিছে। আমি আমাৰ চিন্তা-চৰ্চাত পৰিৱৰ্তন আনিব লাগিব। সাম্প্ৰতিক সময়ৰ এই ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতা-কৰ্মীসকলক চিনাক্ত কৰি তেওঁলোকক সম্পূৰ্ণৰূপে বৰ্জন কৰাই শ্ৰেয়। আমাক এতিয়া প্ৰয়োজন মূল্যবোধৰ ৰাজনীতিক সন্মান জনাব পৰা ৰাজনৈতিক নেতা আৰু নাগৰিক। বিকল্পৰ নামত বিকল্পৰ সন্ধান কৰাৰ দিন আজি নাই। থুলমূলভাৱে সকলো ৰাজনৈতিক দল আৰু নেতা-পালিনেতাৰ সামগ্ৰিক চৰিত্ৰ আৰু জ্ঞান একেই। ইয়াৰ লগত এটা কথা উনুকিয়াব লাগিব যে আমাৰ যেনে ৰজা তেনে প্ৰজা। আমি এনে এখন ৰাজ্যৰ নাগৰিক যে ভোটাৰসকলে নিৰ্বাচিত কৰি পঠায় ভ্ৰষ্টাচাৰৰ নায়কসকলকহে। গতিকে সাধাৰণ ভোটাৰসকলে আমি আমাৰ কৰ্মফল অনুসৰিহে ফলভোগ কৰি আছো। আমাৰ ৰাজনৈতিক দলসমূহৰ নেতা-কৰ্মীসকলৰ মতি-গতি যিহেতু প্ৰায় সকলোৰে একে, অলপ ব্যতিক্ৰম থকা লোকক চিনাক্ত কৰি তেওঁলোকক আমাৰ শাসনভাৰ এবাৰ দি চাব পাৰি। এই ক্ষেত্ৰত মুক্ত বুদ্ধিৰ চিন্তাশীল লোকসকল সজাগ হৈ এক ইতিবাচক পদক্ষেপ ল'বই লাগিব। আমি অতীতৰ ভুলৰ পৰা শিক্ষা ল'বই লাগিব।

ভ্ৰষ্টাচাৰী নেতাসকলৰ ছলাহী কথাত পতিয়ন নগৈ আমি আমাৰ ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি ইতিবাচক চিন্তাত আত্মনিয়োগ কৰা জৰুৰী। তেতিয়াহে আমি আমাৰ ভৱিষ্যতৰ ভেটি সুদৃঢ় কৰিব পাৰিম। আমি বুজি পোৱা হৈছো আমাক নেতৃত্ব দিয়াসকলৰ দক্ষতা, দেশপ্ৰেম আৰু বক্তৃতাৰ গভীৰতা কিমান।

আমাৰ এতিয়া জৰুৰীভাৱে প্ৰয়োজন এক অপৰাজেয় আদৰ্শৰ বল আৰু সৰ্বসাধাৰণৰ মুক্তিৰ সপোন। এই আদৰ্শৰ বল আৰু ভ্ৰষ্টাচাৰীসকলৰ পৰা মুক্ত হোৱাৰ সপোন দেখুৱাব পৰা কিছু সঁচা অৰ্থৰ নেতা আমাক লাগে। তেওঁলোকক আমিয়ে বিচাৰি উলিয়াব লাগিব; বিচাৰিব জানিব লাগিব। মুঠ কথা, ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতা-কৰ্মীক বৰ্জনৰ বাবে এটা জাগৰণ লাগে।

আজি বেছিভাগ ৰাজনৈতিক নেতা-কৰ্মীৰ চকুৰ আগত জীৱনৰ কোনো মহৎ আদৰ্শ নাই। বেছিভাগৰে কথা আৰু কামত নৈতিক স্বাস্থ্যহীনতাৰ লক্ষণ দেখা পাওঁ। তেওঁলোকৰ আছে মাত্ৰ লোভ, কেৱল লোভ আৰু প্ৰতিহিংসা।

এনে চৰিত্ৰৰ নেতাই যিমান দিনলৈ আমাক শাসন কৰিব, সিমান দিনলৈ আমাৰ মাজত সন্ত্ৰাস, হিংসা, উগ্ৰপন্থা, দুৰ্নীতি আদিও থাকিব। আমি সাধাৰণ ৰাইজে বিচাৰো কেৱল শান্তি আৰু সামগ্ৰিক উন্নতি। লগতে জীৱন আমাৰ নাগৰিকসকলৰ ডাঙৰ ট্ৰেজেডী এইটোৱেই যে গণতান্ত্ৰিক দেশৰ নাগৰিক হৈও আমি আজি শোষিত অৱহেলিত। এই সকলোবোৰৰ পৰা মুক্তি পাবলৈ আমাক জাগৰণ এটি লাগিবই।


*ফোন : ৮১৩৪০-৩৫৪৪৬*

## হিন্দী হিন্দু হিন্দুস্তান

# ভাষা, পোছাক, খাদ্য, বচন সকলোতে ফতোৱা



**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

যোৱা দেওবাৰে ৰাম নৱমী উৎসৱ উপলক্ষে দেশৰ কে'বাখনো ৰাজ্যত উলিওৱা সমদলৰ সময়ত সংঘৰ্ষৰ সৃষ্টি হোৱা ঘটনাই আমাৰ দেশত দেখা দিয়া সাম্প্ৰদায়িক বিভাজন প্ৰকট কৰি তুলিছে। গুজৰাটত কমেও এগৰাকী লোক নিহত আৰু কে'বাগৰাকী আহত হৈছে। মধ্যপ্ৰদেশৰ খাৰগোনে চহৰত ৰাম নৱমী উপলক্ষে উলিওৱা শোভাযাত্ৰাৰ সময়ত দুই দল লোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। ইয়াতো কে'বাগৰাকী লোক আহত হয়। ঝাড়খণ্ডৰ লোহাৰডাগা জিলাত, পশ্চিমবংগৰ বাঁকুৰা, হাওৰাৰ শিৱপুৰতো একেই ধৰণৰ সংঘৰ্ষৰ সৃষ্টি হৈছে। গোৱাতো ভাস্কো চহৰত এনে শোভাযাত্ৰাৰ সময়ত সংঘৰ্ষৰ সৃষ্টি হৈছে।

এই আটাইবোৰ ৰাজ্যতেই সংঘৰ্ষৰ ধৰণ তথা পদ্ধতি একেই ধৰণৰ। শোভাযাত্ৰাৰ সময়ত ঘৃণা উদ্ৰেককাৰী সাম্প্ৰদায়িক বক্তৃতা দিয়া হৈছে, শোভাযাত্ৰাৰ ওপৰত শিলগুটি দলিওৱা হৈছে ইত্যাদি। ৰাজস্থানত যোৱা আঠ এপ্ৰিলত নৱ চামবৎসৰ উপলক্ষে লাউড স্পীকাৰেৰে ভক্তিমূলক বুলি দাবী কৰা গান এটা বজোৱাৰ পাছত অঞ্চলটোত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। তথাকথিত ভক্তিমূলক গীতটো এনে ধৰণৰ :

‘জিছ দিন জাগ উঠা হিন্দুত তো ইয়ে অঞ্জাম বোলেগা

কি টোপিৱালা চৰ ঝুকাকে জয় শ্ৰীৰাম বোলেগা

জিছ দিন খোলা খুন মেৰা দিখা দেংগে

আউকাৎ তেৰি

ফিৰ তো হাম নেকি বোলেংগে বচ বোলেগি

তলৱাৰ মেৰি’

এনে ধৰণৰ হিংসা উদ্ৰেককাৰী তথাকথিত ভক্তিসংগীতে দেশখনৰ হিন্দু-মুছলমানৰ মাজত সৃষ্টি কৰিবলৈ লৈছে বৈৰিতাৰ।

প্ৰতিদিনে আমি যেতিয়া দেশখনৰ বাতৰি লওঁ সংবাদ মাধ্যমৰ জৰিয়তে ১০টা বাতৰিৰ কমেও চাৰি-পাঁচটা বাতৰি সাম্প্ৰদায়িক দ্বন্দ্ব তথা সংঘৰ্ষৰ। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় বা জে এন ইউৰ দৰে বিখ্যাত শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰত ৰাম নৱমীৰ দিনটোত হোটেলত নৱৰাত্ৰিৰ সময়ছোৱাত আমিষ আহাৰ পৰিৱেশন কৰাৰ বিৰুদ্ধে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্যসকলে উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰে। ফলত কমেও ছগৰাকী ছাত্ৰ আহত হয়। কৰ্ণাটকত ধাৰৱাড়ৰ হনুমান মন্দিৰৰ সন্মুখত ফলমূল বিক্ৰী কৰা মুছলমান সম্প্ৰদায়ৰ দোকানীসকলৰ ঠেলাগাড়ী, দোকান আদি ভাগি চূৰমাৰ কৰে। পুলিচৰ উপস্থিতিতেই এই ঘটনা সংঘটিত হয়। শ্ৰীৰাম সেনাৰ অনুগামীসকলে এনেদৰে মুছলমান ব্যৱসায়ীসকলৰ দোকান ভাঙি দি কয় যে মন্দিৰৰ সন্মুখত মুছলমানে দোকান দিব নোৱাৰিব। এয়াও যোৱা দেওবাৰৰ ঘটনা। ৰাজস্থানৰ কাৰাউলিত যোৱা দুই এপ্ৰিলৰ নৱৰাত্ৰিৰ আৰম্ভণিৰ পৰাই দুই সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ হোৱাৰ পাছত সান্ধ্য আইন দিয়া হৈছিল। এই সংঘৰ্ষৰ বাতৰি সংগ্ৰহ কৰিবলৈ আনকি সাংবাদিককো পুলিচে যাবলৈ দিয়া নাই ঘটনাস্থলীলৈ।

উত্তৰ প্ৰদেশৰ চিতাপুৰ জিলাৰ বড়ি সংগত আশ্ৰমৰ পুৰোহিত মহন্ত বজৰংমণি উদাসীনে তেওঁৰ ৰাজহুৱা ভাষণত কয় যে নৱৰাত্ৰি উৎসৱ উপলক্ষে পুলিচৰ উপস্থিতিত মুছলমান মহিলাসকলক ৰাজহুৱাভাৱে গণ ধৰ্ষণ কৰিব লাগে। চিতাপুৰ পুলিচে এই মহন্তগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা বুলি কৈছে। ৰাষ্ট্ৰীয় মহিলা আয়োগেও এনে ভাষণত উদ্বেগ প্ৰকাশ কৰিছে; কিন্তু মহন্তগৰাকীয়ে এতিয়াও মুক্তভাৱে বিচৰণ কৰি আছে। হৰিদ্বাৰৰ ধৰ্ম সংসদত বিজেপি নেতাৰ উপস্থিতিতেই দেশখনৰ মুছলমানসকলক গণহত্যা কৰাৰ বাবে মুকলি আহ্বান জনোৱা হৈছিল। এই সংসদত মহাত্মা গান্ধীৰ হত্যাকাৰী নাথুৰাম গড়্চেক পূজা কৰাৰ বাবেও আহ্বান জনোৱা হৈছিল। পাছলৈ পুলিচে এওঁলোকৰ বিৰুদ্ধে গোচৰ তৰিলেও সকলো চলিছে লেহেম গতিত। যোৱা কেইবছৰমানৰ অভিজ্ঞতাৰ পৰা আমি দেখিছো দেশখনৰ বিভিন্ন প্ৰান্তত কেনেদৰে মুক্তভাৱে সংখ্যালঘু আৰু আনকি দলিতসকলৰ ওপৰত আক্ৰমণ চলিছে আৰু প্ৰশাসন তথা পুলিচ এই ক্ষেত্ৰত প্ৰায় নিষ্ক্ৰিয় হৈ আছে।

আমাৰ দেশত এতিয়া যেন আন আৰু কোনো ডাঙৰ সমস্যা নাই, কোনো বিষয় নাই, যাৰ ওপৰত প্ৰশাসন, চৰকাৰ তথা ৰাইজে চৰ্চা কৰিব লাগে— সমস্যা কেৱল এটাই— মুছলমান, খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী লোকসকল। এনে ধৰণৰ সামাজিক তথা ৰাজনৈতিক পৰিৱেশৰ ফলত এচাম ৰাজনীতিক কেন্দ্ৰ বা ৰাজ্যৰ ক্ষমতালৈ সহজে আহিবলৈ সক্ষম হৈছে সঁচা; কিন্তু দেশখনৰ অৰ্থনীতিত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিছে। বায়োটেক প্ৰযুক্তিৰ অন্যতম প্ৰতিষ্ঠান বায়োকনৰ কাৰ্যকৰী অধ্যক্ষা কিৰণ মজুমদাৰ শ্বই কৰ্ণাটকত বৰ্তমান চলা সাম্প্ৰদায়িক উত্তেজনাৰ পৰিপ্ৰেক্ষিতত কৈছে যে যদিহে তথ্য প্ৰযুক্তি তথা বায়োটেক প্ৰযুক্তিৰ ক্ষেত্ৰখন সাম্প্ৰদায়িক হৈ পৰে তেনেহ'লে এই দুই খণ্ডত থকা আমাৰ গোলকীয় উন্নত স্থিতি আমি হেৰুৱাই পেলাম। কৰ্ণাটকত বৰ্তমান চলি থকা সাম্প্ৰদায়িক পৰিৱেশে ৰাজ্যখনৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলোৱাটো খাটাং বুলি উদ্যোগৰ স'তে জড়িত পৰ্যবেক্ষকসকলে কৈছে। অকল কৰ্ণাটকতেই নহয়, উত্তৰ প্ৰদেশকে ধৰি বিজেপি শাসিত যিবোৰ ৰাজ্যত সাম্প্ৰদায়িক অশান্তি ধাৰাবাহিকভাৱে চলি আহিছে সেইবোৰ ৰাজ্যৰ অৰ্থনীতি এক গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব।

২০১৪ত ইউ পি এ চৰকাৰক ওফৰাই কেন্দ্ৰৰ শাসনলৈ অহা বিজেপিৰ নেতা তথা প্ৰধানমন্ত্ৰী ‘বিকাশ-সবকে সাথ’ ধ্বনি দিছিল; কিন্তু কেন্দ্ৰত বিজেপিৰ যোৱা সাত বছৰীয়া শাসন কালত সকলোকে লৈ বিকাশৰ ৰাজনীতিৰ পৰা বিজেপি দল আঁতৰি আহিছে। মুছলমানসকলক সকলো অপায়-অমংগলৰ কাৰণ হিচাপে চিহ্নিত কৰাৰ যি ক্ৰমবৰ্ধমান প্ৰৱণতা চলিবলৈ ধৰিছে তালৈ চাই ক'ব পাৰি যে এসময়ত জাৰ্মানীত ইহুদীসকলৰ বিৰুদ্ধে যি হিংসাত্মক প্ৰচাৰ অভিযান চলিছিল, তেনে এক অভিযান আমাৰ ইয়াতো কিজানি আৰম্ভ হ'বলৈ ধৰিছে। আমাৰ দেশৰ ধৰ্মনিৰপেক্ষতাৰ সাংবিধানিক কবচটো কেতিয়াবাই ভাগি পেলোৱা হৈছে। এতিয়া সংবিধান প্ৰদত্ত ব্যক্তিৰ মৌলিক অধিকাৰ, বাক স্বাধীনতা, জীয়াই থকাৰ অধিকাৰ, গোপনীয়তাৰ অধিকাৰ ইত্যাদি গণতান্ত্ৰিক অৱয়বটোকো লাহে লাহে অথচ পৰিকল্পিতভাৱে খহাই অনা হ'ব ধৰিছে।

হিন্দু, হিন্দী, হিন্দুস্তানৰ যি নীতি ইমানদিনে আমাৰ হিন্দুত্ববাদী নেতাসকলে অনুসৰণ কৰি আহিছে, তাৰেই শেহতীয়া অনুৰণন আমাৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ হিন্দী বাধ্যতামূলক কৰা বক্তব্যত ধৰা পৰিছে। হিন্দী আৰোপ কৰাকে লৈ অতীতত বিশেষকৈ দাক্ষিণাত্যত হোৱা প্ৰতিক্ৰিয়াক আওকাণ কৰি গৃহমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ দৰে ৰাজ্যত প্ৰথম শ্ৰেণীৰে পৰা ৰাষ্ট্ৰীয় ভাষা হিচাপে হিন্দী বাধ্যতামূলক কৰিবলৈ বিচাৰিছে। হিন্দী চৰকাৰী ভাষা হ'ব পাৰে, ৰাষ্ট্ৰীয় ভাষা এতিয়াও নহয়। হিন্দী ভাষাক ভাৰতৰ ঐক্যৰ প্ৰতীক কৰিব বিচাৰিছে গৃহমন্ত্ৰীগৰাকীয়ে;

**আমাৰ দেশত এতিয়া যেন আন আৰু কোনো ডাঙৰ সমস্যা নাই, কোনো বিষয় নাই, যাৰ ওপৰত প্ৰশাসন, চৰকাৰ তথা ৰাইজে চৰ্চা কৰিব লাগে— সমস্যা কেৱল এটাই— মুছলমান, খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী লোকসকল**

কিন্তু ইতিমধ্যে তেওঁৰ এই হিন্দী আৰোপৰ বিৰুদ্ধে উত্তৰ-পূবৰ পৰা দাক্ষিণাত্যলৈ প্ৰতিবাদ হৈছে। হিন্দী আৰোপে দেশৰ ঐক্য শক্তিশালী কৰাৰ সলনি দুৰ্বলহে কৰি তুলিব। উত্তৰ-পূবৰ আঠখন ৰাজ্যত হিন্দী বাধ্যতামূলক কৰি হিন্দী বলয়ৰ পৰা ২২ হেজাৰ শিক্ষক আমদানি কৰি থলুৱা নিবনুৱাৰ ভাত মৰাৰ ব্যৱস্থাও কৰা হৈছে। হিন্দী বাধ্যতামূলক কৰিলে উত্তৰ-পূবৰ ল'ৰা-ছোৱালীয়ে সৰুৰে পৰা নিজৰ মাতৃভাষা ইংৰাজী আৰু হিন্দীকে ধৰি তিনিটাকৈ ভাষা অধ্যয়ন কৰিব লাগিব। হিন্দী বলয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কেৱল হিন্দী আৰু ইংৰাজী দুটা ভাষা অধ্যয়ন কৰিলেই হ'ব। ফলত আমাৰ ল'ৰা-ছোৱালীৰ শৈক্ষিক কেৰিয়াৰত যথেষ্ট চাপ পৰিব। যাৰ হিন্দী ভাষা শিকাৰ প্ৰয়োজন সিয়ে হিন্দী ভাষা নিজাববীয়াকৈ শিকি ল'ব। বৰ্তমান বলিউড আৰু ৰাষ্ট্ৰীয় টিভি চেনেলবোৰৰ কৃপাত সকলোৰে কম-বেছি পৰিমাণে হিন্দী জানে। হিন্দীত কথা-বতৰা কোৱাৰ বাবে স্কুলীয়া পাঠ্যক্ৰমৰ জৰিয়তে ভাষাটো শিকাৰ প্ৰয়োজন নাই। সি যি কি নহওক, হিন্দী ভাষা আৰোপৰ মানসিকতা হিন্দুত্ববাদৰেই ইপিঠি-সিপিঠি।

উত্তৰ-পূৰ্বাঞ্চলৰ মানুহে নিৰামিষ আহাৰ নাখায় বুলিয়েই ক'ব পাৰি। এই অঞ্চলৰ মানুহে সকলো ধৰণৰ মাংস খায়। উত্তৰ-পূবৰ খাদ্য সংস্কৃতি সুকীয়া, আমাৰ ভাষাও সুকীয়া, এতিয়া আমি কি খাব লাগিব, কি নাখাব লাগিব, তাৰ ওপৰতো চলিছে ফতোৱা। কি ভাষা শিকিব লাগিব বাধ্যতামূলকভাৱে তাৰ ওপৰতো ফতোৱা। লাহে লাহে আমি কি ক'ব লাগিব, নালাগিব, কি লিখিব লাগিব, নালাগিব আৰু কাৰ জয়গান গাব লাগিব, কাক তিৰস্কাৰ কৰিব লাগিব— তাকো যেন নিৰ্ধাৰিত কৰি দিব। যদি সেয়ে হয়, তেনেহ'লে আমাৰ গণতন্ত্ৰৰ কি বিলৈ হ'ব, সেয়া ভাবি চাবৰ সময় হৈছে যেন লাগে।

*ফোন : ৯৪৩৫০৪৮৪৮৪*

# সংকটাপন্ন ভৱিষ্যত, চৰকাৰ আৰু আমি

## মানুহৰ কৰ্মদক্ষতা বৃদ্ধি হ'লেহে দেশৰ আৰু নিজৰ অস্তিত্ব সংৰক্ষণ হ'ব

**ড° আৰ কে বেজবৰুৱা**

**আজিৰ** পৰা প্ৰায় ৩৬ বছৰ আগতে অসমৰ বহুতো ল'ৰা-ছোৱালীয়ে টকাৰ অভাৱত কলেজত নামভৰ্তি কৰিব পৰা নাছিল। তাৰো আগত এম. ভি. বা হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজত ফীজ দি পঢ়িব লাগিছিল। সেই দিন আৰু নাই। ১৯৮৩-৮৪ মানত চকুৰ চানি পৰা অপাৰেচন কৰাটো সাধাৰণ মানুহৰ সাধ্যৰ বাহিৰত। ১৯৮৮ত স্কুলৰ শিক্ষক এজনে অৱসৰৰ পিছত গ্ৰেচুইটি, পেঞ্চন আদি পাবলৈ লাগিছিল ১৮-৩৬ মাহ। পিয়নৰ পৰা কেৰাণী, বিষয়ালৈকে টকা নিদিলে পেন্সন অফিচত ফাইলটো লৰ-চৰ নহয়। আজিকালি পেঞ্চন, গ্ৰেচুইটি পাওঁতে কিমান দিন লাগে নাজানো।

এসময়ত চৰকাৰে স্কুলীয়া ছাত্ৰীক চাইকেল দান কৰিছিল। ভাল কথা। চাইকেল এখন কিনা সকলোৰে বাবে সম্ভৱ নহয়। দূৰৰ পৰা আহিবলৈ ছাত্ৰীসকলে সুবিধা পালে। তদুপৰি, বাছৰ ভাড়াৰ টকাকেইটা বাচিল। পিছলৈ, মেট্ৰিকত প্ৰথম বিভাগ পোৱা সকলক লেপটপ দিলে। সেয়া কিমান উপাদেয় হ'ল তাতো সন্দেহৰ অৱকাশ থাকে। কাৰণ সেই সময়ত বহুতৰ ঘৰতে কাৰেণ্ট নাছিল। হায়াৰ ছেকেণ্ডাৰী পঢ়া ল'ৰা-ছোৱালীৰ বাবে কম্পিউটাৰ এটা কিমান জৰুৰী সেয়াও চিন্তাৰ বিষয়। তথাপি ইলেক্ট্ৰনিক মাধ্যমৰ লগত পৰিচিত হোৱাটো ভাল কথা। আমি কলেজত পঢ়া দিনত ‘মেৰিট স্কলাৰশ্বিপ’ বুলি চৰকাৰী স্কলাৰশ্বিপৰ ব্যৱস্থা আছিল, কিন্তু কিমানে পাইছিল জনা নাছিলো।

পৰৱৰ্তী সময়ত চৰকাৰে বিধবা আৰু বৃদ্ধৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰিলে। আবিয়ৈ ছোৱালীৰ বাবেও অলপ সহায়ৰ ব্যৱস্থা কৰা খুবেই ভাল কথা। তিনিটকীয়া চাউল, দহটকীয়া চাউল আহিল, খাদ্য সুৰক্ষা আইন আহিল। এইবোৰ ভাল কাম। পৰৱৰ্তী কালত দেশৰ পৰা অন্ধতা নিৰ্মূলৰ আঁচনি লোৱা হ'ল। অপাৰেচন স্মাইল, হৃদৰোগৰ চিকিৎসা, কেন্সাৰৰ চিকিৎসা আদি সকলো স্তৰৰ মানুহৰ বাবে আশাৰ কিৰণ।

সময় আগবাঢ়িল। নিবনুৱাৰ পৰিমাণ বৃদ্ধি হ'ল। ভেন্সাৰ স্কুলৰ সংখ্যা বৃদ্ধি হ'ল। ভেন্সাৰ স্কুল শিক্ষকে সন্থা খুলিলে। নিবনুৱা সকলেও সন্থা খুলি নিবনুৱা ভাট্টা দাবী কৰিলে। মুঠ কথা কৰ্মসংস্থান নোহোৱাৰ লগে লগে দৰমহা পোৱা চাকৰিয়ালৰ কৰ্ম সংস্কৃতিও হ্ৰাস পাবলৈ ধৰিলে। শাসনত যিয়েই নাথাকক, সকলো বিবেচনা কৰি চৰকাৰেও শব্দ এটাৰ সৃষ্টি কৰিলে— ‘হিতাধিকাৰী’। হিতৰ অধিকাৰী। সকলো সুখী হ'ল। মানুহে এশদিনৰ নিশ্চিত কামৰ সুবিধা লাভ কৰিলে। এচামে কাম কৰি খাবলৈ পালে। কাম কি কৰিলে, ক'ৰ টকা ক'ত সোমাল তাৰ খবৰ বাতৰি কাকত, টিভিত সকলোৰে পালে। তাৰ মাজতে কোনোবাই জনালে— যিহেতু ৰাইজে ভোট দিয়ে— তেওঁ চৰকাৰৰ পৰা ভোট দিয়াৰ বিনিময়ত মাহে তিনি-চাৰি হেজাৰ টকা পাব লাগে। ৰাইজ তেওঁৰ লগ লাগিল।

সময় দ্ৰুতগতিত আগবাঢ়িল। ৰাইজে চৰকাৰী ঘৰ পালে, পাইখানা পালে, গেছ পালে, শস্যৰ বীজ পালে, কৃষিৰ বাবে টকা পালে। কলেজৰ ফিজ ৰেহাই দিয়া হ'ল। ফ্ৰী কিতাপৰ বিপৰীতে ল'ৰা-ছোৱালীয়ে টকা পালে। কথা আছিল বিনামূলীয়া কিতাপ; কিন্তু দোকানীৰ আন্দোলনৰ বাবে টকা ছাত্ৰ-ছাত্ৰীৰ হাতলৈ গ'ল। সেই টকাৰে কিতাপ কিনিলে নে অন্য কিবা কিনিলে তাৰ খবৰ কোনেও নল'লে। ছোৱালীয়ে স্কুটি পালে। কোনোবাই কৈ দিলে— ল'ৰাবোৰৰ প্ৰতি চৰকাৰৰ মৰম নাই নেকি?

বৰ্তমান দুখীয়া মানুহে চাউল, দাইল, বুট পায়েই থাকে। তাৰ লগতে পায় প্ৰতি মাহে অৰুণোদয় আচনিৰ টকা। এজন মানুহৰ নামত দুটাকৈ চৰকাৰী ঘৰ, তিনিটাকৈ পাইখানাও আবন্টন হয়। ক'ৰ পৰা কেনেকৈ হয় নাজানো। একেগৰাকী মানুহেই অৰুণোদয় আঁচনিৰ ধনো পায়, বিধবা পেন্সনো পায়। চৰকাৰে আজি জনসাধাৰণৰ দুখ, অভাৱ আদি বুজি পাইছে আৰু তাক দূৰীকৰণৰো চেষ্টা কৰিছে। বৰ্তমানৰ চৰকাৰ এখন জনমুখী চৰকাৰ; কিন্তু পেট্ৰ'ল-ডিজেল বা ৰন্ধন গেছৰ দাম বৃদ্ধি হ'লেই এই ভাল কামবোৰৰ কথা তল পৰি যায়। পাকঘৰত জুই লাগিছে বুলি টেলিভিছনৰ পৰ্দাত তাল-ফাল লাগে। কথাবোৰ মিছা নহয়। বজাৰৰ ওপৰত কাৰো নিয়ন্ত্ৰণ নাই। আলু-পিঁয়াজৰ দামেৰে মূল্য বৃদ্ধিৰ মান নিৰ্ধাৰণ কৰা হয়। গুটখা, চিগাৰেট, সুৰা, প্ৰসাধন সামগ্ৰী বা কাপোৰ-কানিৰ মূল্যৰ স'তে মূল্যবৃদ্ধিৰ সম্পৰ্ক নাথাকে। ম'বাইল ফোন, বাইক আৰু গাড়ীৰ দাম যিমানেই বেছি হয়, তাতেই মানুহৰ সুখ। এইবোৰে আভিজাত্য বৃদ্ধি কৰে। গতিকে মূল্য মানৰ কথা তাত কোনোৱে নাভাবে। নাম থকা হোটেলত গৈ এসাঁজ ভাতত বহু টকা ভৰিলেও তৃপ্তিৰ প্ৰশ্নটো জড়িত হৈ থাকে। ফেচবুকৰ জৰিয়তে বন্ধু-বান্ধৱক জনোৱাটোত এটা নিজস্ব সুখ পোৱা যায়।

তাৰ মাজতো দুই-এটা কথাই আমাৰ দৰে মানুহক চিন্তাত নেপেলোৱা নহয়। চিন্তনীয় কথা কেইটা হৈছে—

ছোৱালীয়ে স্কুটী পাইছে; কিন্তু তেল ভৰাবলৈ টকা ক'ত পাব? শেষত তেলৰ টকা কেইটা চৰকাৰেই দিব নেকি? নিদিলে আৰু এটা আন্দোলন হ'ব নেকি? ইতিমধ্যে চুইচাইড কৰিবলৈয়ো ওলোৱা ঘটনা ঘটিছিল। ল'ৰাকো মটৰ চাইকেল হয়তো চৰকাৰে দিব। দিয়া উচিত নে অনুচিত সেয়া কোনোৱেই নকয়। ভাগিনক মামাই গিফ্ট দিয়া কথা, কোনে বেয়া বুলি কয়?

চৰকাৰে কৰা বহুত ভাল কামৰ সমালোচনা বহুতেই কৰি আহিছে। চৰকাৰে কৰা বহুতো ভাল কামকো কোনোবাই চৰকাৰৰ ৰাজনৈতিক অভিসন্ধি বুলি কয়। কোনোবাই নিৰ্বাচনত জিকাৰ টোপ বুলি কয়; কিন্তু যিবোৰ আঁচনিত দূৰ দূৰলৈকে আত্মনিৰ্ভৰতাৰ কোনো প্ৰতিশ্ৰুতি নাই তাৰ সমালোচনা কোনোবাই কৰিছে নে? চৰকাৰে সৃষ্টি কৰা হিতাধিকাৰীৰ প্ৰভাৱ কিন্তু সমাজৰ সকলো স্তৰতে দৃষ্টিগোচৰ হৈছে।

বৰ্তমান চাহ উদ্যোগলৈ সংকট নামি আহিছে। শ্ৰমিকৰ অভাৱে বাগিচাবোৰলৈ ডাঙৰ প্ৰত্যাহ্বান মাতি আনিছে। পাত চিঙা, নলা খন্দাকে ধৰি সকলো কামৰ বাবে বস্তি অঞ্চলৰ পৰা বাগিচা কৰ্তৃপক্ষই গাড়ী ভাৰা কৰি অস্থায়ী শ্ৰমিক নিয়োগ কৰিব লগীয়া হৈছে। সেয়াও পৰ্যাপ্ত পৰিমাণৰ নহয়। নিৰ্মাণৰ কামৰ বাবেও মানুহ বিচাৰি নোপোৱা অৱস্থা। মানুহৰ ঘৰত কাম কৰিবলৈ, খেতিপথাৰত কাম কৰিবলৈ মানুহ নোপোৱা হৈছে। পথাৰবোৰ আজি-কালি উকা হৈ থাকে। ঘৰত কৰা উদ্যান শস্যৰ বাবে হাজিৰা দিলেও মানুহ পাবলৈ নাই।

চৰকাৰে নিৰ্ধাৰণ কৰা আঁচনিবোৰে সামগ্ৰিকভাৱে অসমৰ সমৃদ্ধিত কিমান ধনাত্মক প্ৰভাৱ পেলাব সেইবোৰৰো পৰ্যালোচনা হোৱা উচিত। বাইক-স্কুটীয়ে ছাত্ৰ ছাত্ৰীৰ উপকাৰ কৰিব নে ক্ষতি কৰিব সেয়াও অভিভাৱক আৰু চৰকাৰে ভাবি চাব লাগিব।



চৰকাৰে ক্ৰমশঃ জাতিটোক অকৰ্মণ্য হোৱাত সহযোগ আগবঢ়াইছে নেকি,— সেই বিষয়ে আমি কিন্তু এতিয়াই ভাবিব লাগে।

চৰকাৰে দিয়া বিনামূলীয়া চাউল-দাইল, টকা, ঘৰ, পাইখানা, পঢ়াৰ খৰচ, কিতাপৰ খৰচ সকলো পোৱাৰ পিছত কাম কৰাৰ দৰকাৰ নাইকিয়া হৈছে। যদি মানুহৰ খোৱা-লোৱাৰ চিন্তা নাথাকে, মানুহে কি কৰিব? হয় চৰকাৰৰ গুণগান কৰিব, নহয় চৰকাৰৰ সমালোচনা কৰিব।

বজাৰত শাক পাচলিৰ দাম বৃদ্ধি পাইছে। কিয়? কোনোবাই আজি-কালি বাৰীত কিবা এটা লগায় নে? পুৰুষজন যাব পুৱা ওলাই ল'ৰা-ছোৱালীক স্কুলত থবলৈ। মহিলা গৰাকী এদিন যাব ৰেংকলৈ- অৰুণোদয় আঁচনিৰ টকা উলিয়াবলৈ। এদিন যাব ব্লকলৈ ভি. ও. গোটৰ চেক আনিবলৈ। সেইখন জমা কৰা, বেংকৰ পৰা টকা উলিওৱা, ভাগ কৰাৰ কাম থাকেই। বন্ধন বেংকৰ মিটিং সপ্তাহত এদিন। গতিকে ঘৰৰ মহিলাগৰাকীৰো সময় নাথাকে কিবা এটা কৰিবলৈ।

এইবোৰ আঁচনিৰে চৰকাৰে দেশৰ অৰ্থ ব্যৱস্থাৰ কি উন্নতি সাধন কৰিছে বুজি পোৱা কঠিন। সদায়ে এনেকৈ গৈ থাকিব নে? যদি কৃষিভূমি বন্ধ হৈ ৰৈ যায়, যদি কোনো মানুহেই কাম কৰিব নালাগে তেন্তে দেশৰ অৰ্থনীতি টনকিয়াল হ'ব কেনেকৈ?

প্ৰাকৃতিক সৌন্দৰ্য আৰু বৈচিত্ৰ্যৰে সমৃদ্ধ দক্ষিণ আমেৰিকাৰ উপকূলীয় ৰাষ্ট্ৰ ভেনিজুৱেলা এসময়ত এখন অনুন্নত দেশ আছিল। ক'কা, কফি আৰু বৃহৎ তৈল ভাণ্ডাৰ ৰপ্তানিৰে এসময়ত উন্নত দেশ হিচাপে পৰিগণিত হৈছিল। চৰকাৰৰ ভুল আঁচনি, উৎপাদন মুদ্ৰা নীতিৰ অভাৱ, অদৰকাৰী চৰকাৰী খৰচ, অবাধ ৰাজনৈতিক শোষণ, আদিৰ প্ৰভাৱত ২০১৬ৰ পৰা ভেনিজুৱেলাত মূল্যবৃদ্ধি আৰম্ভ হয়। বৰ্তমান ভেনিজুৱেলাৰ মূল্যবৃদ্ধি ৮০ৰ দশকত হোৱা আৰ্জেণ্টিনা, ব্ৰাজিল, পেৰু, বলিভিয়া, নিকাৰাগুৱা আদি দেশৰ মূল্যবৃদ্ধিতকৈয়ো অধিক। কিছুমানৰ মতে, ১৯২৯ৰ মহা-মন্দাৱস্থা বা ২০০৮ৰ জিম্বাৱৰেৰ আৰ্থিক দুৰৱস্থাতকৈয়ো ভেনিজুৱেলাত মূল্যবৃদ্ধিৰ ছবি ভয়ানক। ভেনিজুৱেলাত নিবনুৱা সমস্যাই সংঘৰ্ষ আৰু ধ্বংসৰ ৰূপ ধাৰণ কৰিছে। টকাৰ মূল্য অত্যধিক হ্ৰাস পোৱাৰ লগে লগে অত্যাৱশ্যকীয় বস্তু, ঔষধ, চিকিৎসা সেৱা জনসাধাৰণৰ হাতেৰে ঢুকি নোপোৱা হৈছে। সমস্যাটোৰ মূল কাৰণ, চৰকাৰৰ ভুল নীতি আৰু পৰিচালনাৰ অ-দক্ষতা বুলি কোৱা হৈছে। ৰাষ্ট্ৰ প্ৰধানৰ প্ৰভাৱ বৃদ্ধিৰ বাবে কম দামত তৈলজাত সামগ্ৰী কম মূল্যত বিক্ৰী কৰাৰ ফলত দেশখনত বিদেশী মুদ্ৰাৰ ঘাটি আৰম্ভ হৈছিল। পৰ্যায়ক্ৰমে কৰ্মচাৰীক দিয়া দৰমহা বৃদ্ধিয়ে ৰাজভঁৰাল উদং হোৱাত সহায় কৰে। তদুপৰি দেশৰ ৰাজহ সংগ্ৰহো ঠিক মতে হোৱা নাছিল।

অৱশ্যে এই কথাও সত্য যে ৰাষ্ট্ৰখনৰ আভ্যন্তৰীণ নীতিত আমেৰিকাই হকে-বিহকে দখল দি দেশৰ বাবে ক্ষতিকাৰক প্ৰভাৱত অনুঘটকৰ কাম কৰি আহিছে। দুজন ৰাষ্ট্ৰপতিৰ টনা-আঁজোৰাও আন এক গুৰুত্বপূৰ্ণ কাৰক।

বাক্য এষাৰ সকলোৰে কয়— ‘লংকালৈ যিয়ে যায় সিয়ে ৰাৱণ।’ আমি ৰাৱণ নহ'লেও লংকাখন ইয়ালৈ আনিবলৈ গৈ আছোঁ নেকি? আজি শ্ৰীলংকাৰ পৰিস্থিতি কোনেও নজনা নহয়।

ভাৰতৰ আন আন প্ৰদেশৰ কথা ক'বলৈ যোৱাৰ আগতে অসমৰ কথা ক'ব লাগিব। আমাৰ দেশৰ অৰ্থনীতিৰ সুৰক্ষাৰ বাবে আমাৰ পথ কি আছে? খাৰুৱা তেল, কয়লা আৰু চাহ? চাহৰ পৰা কিমান আয় হয়, সেয়া চাহ উদ্যোগৰ বৰ্তমান অৱস্থাৰ ছবিখনৰ পৰা জানিব পাৰি। কয়লা খনিৰ কথাও সকলোৰে জানে। বাকী থাকিল খাৰুৱা তেল। পেট্ৰ'ল জাত সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি প্ৰদেশ এখনৰ ৰাজভঁৰাল কিমান দিনলৈ চলিব, সেয়া চিন্তাৰ বিষয়।

ৰাজনৈতিক নেতাৰ মুখত বিনামূলীয়া তালিকা এখন ওলমিয়ে থাকে। প্ৰতিজন নেতাই নাগৰিকক বস্তুবোৰ এনেকৈ দিয়ে যেন তেওঁৰ ভঁৰালৰ পৰা উলিয়াই দিয়া ধান-চাউল। কিন্তু যেনেকৈ নকমে নেতাৰ ভাষণ, তেনেকৈ নকমে হিতাধিকাৰীৰ সংখ্যা। দেশৰ জনতাৰ হিত সাধনৰ সমান্তৰালভাৱে পৃথিৱীৰ অন্যান্য দেশৰ অৰ্থনীতিৰ দিশটোও পৰ্যালোচনা কৰাৰ সময় আহিছে।

এসময়ত ব্ৰাজিলে বিশ্বকাপ চলাইছিল। ধনী দেশ। কিন্তু বৰ্তমান ব্ৰাজিলৰ চাও পাওলো চহৰত প্ৰায় ১১ শতাংশ লোক দৰিদ্ৰতা সীমাৰ তলত। বাস কৰে শ্লাম এৰিয়া। তাত বৰ্তমান Skilled human resources- নিপুণ মানৱ সম্পদৰ ওপৰত গুৰুত্ব দিছে। পৰৱৰ্তী প্ৰজন্মক অকৰ্মণ্য হোৱাৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে নতুন আচনি গ্ৰহণ কৰিবই লাগিব, সকলোৱে উপায় উদ্ভাৱন কৰিব লাগিব। ইতিমধ্যে বহু পলম হৈছে। মানুহৰ কৰ্মদক্ষতা বৃদ্ধি হ'লেহে দেশৰ আৰু নিজৰ অস্তিত্ব সংৰক্ষণ হ'ব।

উচ্চ শিক্ষাৰে শিক্ষিত হৈ থাকিলেও চাকৰি পোৱাৰ নিশ্চিতিও থাকিব লাগিব। সেই চাকৰিৰ দৰমহা দিবলৈ ৰাজভঁৰালত টকা থাকিব নালাগিব জানো? এই কথা চিন্তা কৰিবলৈ কোনো অৰ্থনীতিবিদ নাইবা সমাজ বিজ্ঞানী হোৱাৰ প্ৰয়োজন নহয়।

কেৱল আমি চৰকাৰে দিবলৈ অপেক্ষা কৰি থাকিলে নহ'ব। দিবই লাগিব বুলি দাবী কৰিলেও নহ'ব। আমাৰ দেশৰ অৱস্থা যাতে ভেনিজুৱেলা আৰু শ্ৰীলংকাৰ দৰে নহয় তাৰ বাবে ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰ, উভয়েই চিন্তা কৰা উচিত। জনসাধাৰণেও চিন্তা কৰিব লাগিব আজি চৰকাৰৰ পৰা ফ্ৰী বস্তু গ্ৰহণ কৰি সুখত থাকিব নে অদূৰ ভৱিষ্যতে অনাহাৰে থকাৰ পৰিকল্পনা কৰিব? চিন্তা সকলোৰে।

*ফোন : ৭০০২৮৪৪৪০৮*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ এপ্ৰিল বুধবাৰ, ২০২২ পৃষ্ঠা ৫



# ৰঙালী বিহুটি গৌৰৱৰ চানেকি হৈয়ে ৰওক

**বিহু সৰ্বত্ৰ হৈ পৰা কাৰ্য— ৰাজনৈতিক নিৰ্বাচনীৰ মনোনয়ন দাখিলৰ সময়ত কোনো নেতাক লৈ বিহুৰে শোভাযাত্ৰা বা নিৰ্বাচনত জিকিলে অত্যধিক বিহু নাচ-গান। মাঘৰ বিহুত ভেলাঘৰত ৰঙালী বিহুৰ নাম-নাচৰ পয়োভৰ, কোনো কোনো ঠাইত ভোগালী ফেষ্টিভেল আদি নব্য অনুষ্ঠানত বিহুনামৰ প্ৰয়োগেৰে বিহুৰ ৰীতি ভংগ। তাতোকৈ ডাঙৰ কথাটো হ'ল কোনো কোম্পানীৰ বিহু ব্যতিৰেক উৎসৱত নাচ-নামেৰে বিজ্ঞাপন দি নিজে পণ্য দ্ৰব্যত পৰিণত হৈ বিহুৰ প্ৰকৃত মৰ্যাদা ম্লান কৰা কাৰ্য**

পদ্মকান্ত বৰা

**ৰঙালী** বিহুৱে অসমীয়া লোক-সংস্কৃতিৰ সিংহভাগ অধিগ্ৰহণ কৰি জাতীয় জীৱনৰ গৌৰৱ প্ৰকাশ কৰি আহিছে প্ৰাক্ ঐতিহাসিক যুগৰে পৰা। ইতিহাসবিদসকলে ইয়াৰ বয়স পাঁচ হেজাৰৰো অধিক কাল বা বাণ ৰজাৰ দিনৰ বিভিন্ন ভাস্কৰ্যত বা শিলত খোদিত বিহুনাচৰ সমাৰ্থক চিত্ৰ তথা গৰুচৰ অঞ্চলৰ বিহু আদিত ভেজা দি ক'ব পাৰি যে ই কোনো এক সুনিৰ্দিষ্ট ভূখণ্ডত সৃষ্ট বুলি প্ৰমাণিত নহয়; ই অষ্টিক, মংগোলয়ড, আলপাইন জনগোষ্ঠীয়ে সামৰি লোৱা কোনো কোনো জনগোষ্ঠীৰ চহা লোকে ভোগৰ সামগ্ৰী, বিশেষকৈ কৃষিজাত সামগ্ৰী প্ৰাপ্তিত প্ৰকাশ কৰা আহ্লাদত দেহলৈ অহা ভংগীবোৰ নাচলৈ আৰু মুখলৈ অহা আনন্দোল্লাস কথাবোৰেই সময়ত সুৰত বান্ধ খাই সৃষ্টি হ'ল গীত বা নাম। এই নৃত্য-গীতৰ আনন্দত বেহুঁচ হৈ যোৱা বাবে এটা সময়ত চহা মানুহৰ নাচৰ ভংগীয়ে বিহুনাচ আৰু গীতবোৰে বিহুনাম পালে বুলি গৱেষকসকলে মত পোষণ কৰে। (এই ক্ষেত্ৰত অৱশ্যে সুকীয়া সুকীয়া মতবাদ আছে।) সময়ত এই নাচ-নাম আৰু অন্যান্য লোকাচাৰসমূহ সহযোগ, গ্ৰহণ, সংযোজন আৰু প্ৰচৰণৰ ফলত সংমিশ্ৰণ ঘটিছিল যদিও হাবি-জংঘল আৰু যাতায়াতৰ সুচল নথকা হেতুকে একোখন ঠাইৰ লগত আন এখন ঠাইৰ মানুহৰ যোগাযোগ সীমিত থকা হেতুকে লোকাচাৰসমূহ একে সমাহাৰলৈ অহা নাছিল; সেইদৰে বিহুত পালিত হোৱা নীতি-নিয়ম বা নাম-নাচতো কিছু পাৰ্থক্য ৰৈ গ'ল। (বৰ্তমান বিভিন্ন জনগোষ্ঠীৰ মাজত পালিত বিহুৰ সমাৰ্থক উৎসৱসমূহে ইয়াৰ প্ৰমাণ দিয়ে।)

ভিন ভিন ঠাইত পথাৰৰ মাজৰ আঁহতৰ তলত লোক-চক্ষুৰ আঁতৰত নচা নাচ আৰু গোৱা গানবোৰে সংগঠিত মুক্ত সামাজিক বা ৰাজ্যিক মৰ্যাদা লাভ কৰিলে আহোমৰ দিনতহে। দূৰে দূৰে নচা নাচ আৰু গোৱা গান বা নামবোৰে ৰংঘৰৰ বাকৰিত মৰ্যাদা পোৱাৰ পৰা বনৰীয়া স্বৰূপ এৰিলে আৰু হুঁচৰিটো একেবাৰে ঘৰচীয়া হৈ পৰিল। ৰজাঘৰে-প্ৰজাঘৰে বিহুৰ জয়জয়কাৰ অৱস্থা হ'ল। লোকসংস্কৃতিৰ বৰঘৰত বিহুৱে জয়ঢোল বজালে। চুতীয়া ৰাজ্যতো বিহু সমানে সমাদৃত আছিল। চুতীয়া ৰাণীয়ে যুঁজৰ সময়তো বিহু মাৰি সংস্কৃতিক বুকুৰ উম দিয়া বা কলীমতীয়ে বিহু নাচি খ্যাতি আৰ্জন কৰা আদি কাহিনীবোৰে প্ৰমাণ কৰে বিহুৰ প্ৰতি থকা অসমীয়াৰ প্ৰেম। এইদৰেই অসমীয়াৰ দেহত বিহুৰ তেজ সোমাই গৈছিল স্ৰোতস্বিনী হৈ। সেই নৈ কোনো দিনে নুশুকায়, নুশুকাব। কিন্তু বিৱৰ্তন, ৰূপান্তৰ আৰু পৰিৱৰ্তনৰ ধামখুমীয়াত ই চেপা নোখোৱাকৈ থকা নাই।

বিৱৰ্তন বুলি কওঁতে আমি মান আৰু ব্ৰিটিছৰ দিনত বিপৰ্যয়ৰ কথা সুঁৱৰিবলগীয়া হওঁ। মানৰ আক্ৰমণে অসমৰ ৰজাঘৰ-প্ৰজাঘৰ এনেদৰে তচনচ কৰি দিছিল যে মানুহে ধন-জন হানি বিঘিনিত জীয়াই থকাটোৱেই কঠিন আছিল, তাত আকৌ কিহৰ নাচ-গান বুলি প্ৰশ্ন কৰাৰ অৱকাশো নাছিল যিহেতু অসমীয়াৰ তেজত প্ৰবাহিত বিহুৰ তেজৰ সোঁত স্তব্ধ হোৱা নাছিল। 'হেপো পিটা বিহু'ৱেই হওক, 'জেং বিহু'ৱেই হওক বা ডেকা-গাভৰুৰ সমূহীয়া বিহুৱেই হওক— বিহুৰ বতৰত কম-বেছি পৰিমাণে পালন কৰি বিহুৰ চৰ্চা অব্যাহত ৰাখিছিল। এনে সময়তে বিহুলৈ আহিল বিপৰ্যয়। সেই কালৰ আধুনিক শিক্ষাৰে শিক্ষিত বহু সদাশয় লোকে বিহুটোক ইতৰলোকৰ কাম-কাজ বুলি নিন্দা কৰিছিল। সেই লোকসকলৰ ভিতৰত হলিৰাম ডেকাফুকন, গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য আদি সদাশয় লোকসকলে বিহুৰ বিৰোধ কৰিছিল। ১৮৯৮ত প্ৰথম ইংৰাজী-অসমীয়া অভিধান প্ৰণেতা বুদ্ধিন্দ্ৰনাথ ভট্টাচাৰ্যই ৰাষ্ট্ৰীয় পৰ্যায়ৰ 'The National Guardians' কাকতত বিহুক Notorious' আখ্যাৰে 'The Assamese Bihoo' শীৰ্ষক প্ৰবন্ধ লিখি ব্ৰিটিছ চৰকাৰক বিহুক নিষিদ্ধ কৰিবলৈ আৰ্জি দিয়াত চৰকাৰে নিষিদ্ধকৰণৰ ব্যৱস্থা কৰিছিল। এয়া আছিল বিহুৰ মহাবিপদ। এই বিপদৰ পৰা পৰিত্ৰাণৰ বাবে বহুকেইজন পুৰোধা ব্যক্তিয়ে চেষ্টা কৰিলে। জনা যায় যে নগাঁও আদালতত সাধাৰণ তৰণী কৰ্মত নিয়োজিত সংস্কৃতিবান পুৰুষ আনন্দ দাসৰ উদ্যোগত পুৰণি গুদামৰ হালোৱা গাঁৱৰ ঢোলৰ ওজা মৈমত টাটিঙা হাজৰিকা আৰু তেওঁৰ ভনীয়েক চেনীমাই গাভৰুৱে সহযোগীৰ স'তে গুৱাহাটীত গৰ্ডন চাহাবৰ আগত বিহু নাচি প্ৰদৰ্শন কৰা কাৰ্যকে ধৰি বিলাত ফেৰৎ অভিযন্তা বলীনাৰায়ণ বৰা, পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈ আদি বহুজনৰ প্ৰচেষ্টাৰ লগতে ৰত্নেশ্বৰ মহন্ত আৰু বেজবৰুৱায়ো শালীনতা ৰক্ষা কৰি বিহুটো ৰাখিবলৈ দিয়া সন্মতিলব্ধ যত্নত বিহুটো ৰ'ল, নমৰিল। অসমীয়াৰ দেহত থকা তপ্ত ৰক্তৰ প্ৰবাহে বাধাৰ আলি ছিঙিছিল।

স্বাধীনোত্তৰ কালত ৰঙালী বিহুটোৱে নপ্ৰাণ পাই উঠিল। পথাৰৰ বিহুটোক ৰাইজৰ অতি ওচৰলৈ চপাই আনিবৰ বাবে সমাজ সচেতন আৰু সাংস্কৃতিক চেতনালব্ধ লোকৰ যত্নৰ ফলশ্ৰুতিত ১৯৫২ত ৰাধাগোবিন্দ বৰুৱাই বিহুৰ নাম-নাচক আনি মঞ্চত স্থান দিলে, য'ত ডেকা-বুঢ়া, মুনিহ-তিৰোতা আদি সৰ্বস্তৰৰ লোকে একেলগে বহি বিহুৰ মাধুৰ্য উপভোগ কৰিব পৰা হ'ল। সময়ত ই প্ৰতিযোগিতালৈ ৰূপান্তৰিত হ'ল। লাহে লাহে মঞ্চ বিহুক সকলোৱে আদৰ কৰিলে আৰু ই হৈ পৰিল সমন্বয়ৰ এক গণমাধ্যম। প্ৰথমতে গুৱাহাটীৰ মঞ্চত অনুষ্ঠিত হোৱা মঞ্চ বিহুটোৱে অসমৰ প্ৰায়বোৰ চহৰত ঠাই পালে। এনে সময়তে দুটা প্ৰকাৰে অসমৰ ৰঙালী বিহুটোৰ নাম-নাচৰ ব্যৱস্থা হ'বলৈ ধৰিলে। চহৰ, গাঁও উভয়তে বিহুনাচৰ প্ৰতিযোগিতা আৰম্ভ হ'বলৈ ধৰিলে। বিহুনাচৰ প্ৰতিযোগিতাৰ বাবে নাচৰ ভংগীবোৰ একে কৰাৰ প্ৰয়াসত ৰচিত হ'ল সংবিধান বা নিয়মাৱলী। এই ক্ষেত্ৰত জয়কান্ত গান্ধীয়াৰ ভূমিকা অপৰিসীম। এয়া আছিল আন এক ৰূপান্তৰ। জ্যোতি প্ৰসাদ আগৰৱালাই 'ৰূপান্তৰেহে জগত সুন্দৰ কৰে' বুলি কোৱা বাক্যাষাৰ যেন ইয়াত প্ৰতিফলিত হ'ল।



কিন্তু সম্প্ৰতি বিহুটোৱে ৰূপান্তৰক চেৰাই পৰিৱৰ্তনৰ চক্ৰবেহুত সোমোৱাত নাম-নাচবোৰে গুৰুত্ব আৰু মৰ্যাদা হেৰুৱাব ধৰিছে। ইয়াত কেইটামান কাৰকে কাম কৰিছে। কাৰকেইটা এনে ধৰণৰ—

১। বিশ্বায়নৰ ধামখুমীয়াত পৰি 'ৰেপ-বিহুৱা', 'ৰেইন ডেন্স' আৰু বিহুক বিকৃত ৰূপত Promote কৰা কাৰ্য।

২। বিহু সৰ্বত্ৰ হৈ পৰা কাৰ্য— ৰাজনৈতিক নিৰ্বাচনীৰ মনোনয়ন দাখিলৰ সময়ত কোনো নেতাক লৈ বিহুৰে শোভাযাত্ৰা বা নিৰ্বাচনত জিকিলে অত্যধিক বিহু নাচ-গান। মাঘৰ বিহুত ভেলাঘৰত ৰঙালী বিহুৰ নাম-নাচৰ পয়োভৰ, কোনো কোনো ঠাইত ভোগালী ফেষ্টিভেল আদি নব্য অনুষ্ঠানত বিহুনামৰ প্ৰয়োগেৰে বিহুৰ ৰীতি ভংগ। তাতোকৈ ডাঙৰ কথাটো হ'ল কোনো কোম্পানীৰ বিহু ব্যতিৰেক উৎসৱত নাচ-নামেৰে বিজ্ঞাপন দি নিজে পণ্য দ্ৰব্যত পৰিণত হৈ বিহুৰ প্ৰকৃত মৰ্যাদা ম্লান কৰা কাৰ্য।

৩। চহৰীয়া অঞ্চলত অনুষ্ঠিত হোৱা আড়ম্বৰপূৰ্ণ বিহু মঞ্চৰ আৰ্হি গ্ৰহণ কৰি গাঁও অঞ্চলতো আড়ম্বৰ কৰিবলৈ গৈ সময়ত ধনৰ অভাৱত গাঁৱৰ প্ৰায়বোৰ মঞ্চ বা বিহুতলীবোৰ মৃত্যুমুখত পৰিছে।

৪। গ্লেমাৰিষ্ট আৰ্টিছৰ আগ্ৰাসনত বিহুৱা দলবোৰৰ মান্যতা হ্ৰাস; যাৰ ফলত মাননি আৰু গুৰুত্ব লাঘৱ হোৱাত দলে দলে বিশেষকৈ গ্ৰাম্য অঞ্চলৰ বিহুৱা দলবোৰে চৰ্চা এৰিছে। বহু দলৰ মৃত্যু হ'ল।

৫। বিহুগীত আৰু বিহুসুৰীয়া গীতবোৰে শালীনতাৰ সীমা চেৰাই অসমীয়া গধুৰ সংস্কৃতিৰ মৰ্যাদাত আঘাত হানিছে। লঘু আৰু শ্লীলতা-অশ্লীলতাৰ বিচাৰ নথকা পোনপটীয়া উপমা সমৃদ্ধ গীত পৰিৱেশন কৰি দৰ্শকৰ বাঃ বাঃ আদায় কৰিছে। গীতিকাৰসকলেও লঘু গীত ৰচি 'চলা গীত' হিচাপে বিবেচনা কৰি এনে গীত ৰচনাত গুৰুত্ব দিছে। পূৰ্বতে ৩০০-৩৫০টামান পৰম্পৰা গীত আছিল বুলি জনা যায়। এই গীতবোৰ চহা অসমীয়াই জীৱন-যৌৱনক লৈয়ে শালীনতাপূৰ্ণ উপমাৰে সজাইছিল। সেয়ে এই গীতবোৰৰ গুণ বখানি প্ৰফুল্ল দত্ত গোস্বামীয়ে কৈছিল, 'There is no scope for doubt that Bihu songs are some of the finest flock poety that the world Possess' (এই প্ৰসংগটোত আজিৰ গীতিকাৰসকলে মন দিয়াটো সময়ৰ আহ্বান হিচাপে বিবেচিত হৈছে)। এই হেন সাৰুৱা মন্তব্যলৈ আওকাণ কৰি আজিৰ গীতিকাৰসকলে লঘুগীত লিখি গৈছে আৰু গায়কসকলেও লাখ লাখ টকাৰ দৰ-দাম কৰি বিহুমঞ্চ অধিকাৰ কৰিছে। ফলত বিহুৰ আয়োজকসকলে ব্যৱসায়ী গোষ্ঠী, মন্ত্ৰী-বিধায়কৰ ওচৰত হাত পাতি দাতাসকলক স্বত্বাধিকাৰ সজাই নিজে বিহুটোৰ মালিকানা হেৰুৱাইছে। টকা যোগাৰ কৰিব নোৱাৰা বিহু মঞ্চবোৰৰ মৃত্যু ঘটিছে।

ওপৰত উল্লেখ কৰা কাৰকসমূহত উচিত ব্যৱস্থা গ্ৰহণ কৰি ৰঙালী বিহুটি সৰলভাৱে গাঁৱে-চহৰে উদ্‌যাপন কৰিলে চহৰীয়া-চহা উভয় লোকে গণ-উৎসৱটো উদ্‌যাপন কৰিবলৈ সুচল পাব আৰু বিহুৰ মৌলিক চৰিত্ৰ অক্ষুণ্ণ ৰ'ব। আনহাতে, অসমৰ মুখ্যমন্ত্ৰীজনে চান্দা সংগ্ৰহত চৰকাৰৰ সাহায্যসহ যি নিয়ম বান্ধি দিছে তাৰ ফলত আন যি নহওঁক এটা ইতিবাচক ব্যৱস্থা হ'ব যে চহৰে-গাঁৱে কম খৰচত বিহু পতাৰ এটা আৰ্হি তৈয়াৰ হ'ব অৰ্থাৎ গাঁৱে গাঁৱে মৃতপ্ৰায় বিহুতলীবোৰ জী উঠিব; বিহুৱা দলবোৰে নাম-নাচৰ চৰ্চা কৰিব, পৰিৱেশন কৰিব। তেতিয়া সহজ আৰু সৰলতাৰে চহৰীয়া আৰু গঞা ৰাইজে বিহু উপভোগ কৰিবলৈ সুযোগ পাব,— যাৰ ফলত নৰনাৰায়ণৰ বুকুৰ কুটুম ৰঙালী বিহুটো অসমীয়াৰ গৌৰৱৰ চানেকি হৈয়ে চিৰদিন থাকিব।

ফোন ঃ ৮৪৭১৮৮৯৭৮০

---

**লতাশিল বিহুতলী হ'ল অসমৰ মঞ্চ বিহুৰ বাটকটীয়া সমন্বয়ৰ প্ৰতীক। জাতি, ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে জাতীয় উৎসৱৰ মাধ্যমেৰে অসমত সংহতি প্ৰতিষ্ঠা কৰি একতাৰ ধ্বজাবাহী হোৱা একমাত্ৰ অনুষ্ঠান। ইয়াৰ অনুপ্ৰেৰণাতে সৃষ্টি হৈছে গুৱাহাটী মহানগৰী আৰু অসমৰ নগৰে চহৰে পুলি পোখা মেলি তৈয়াৰ হোৱা অলেখ সমন্বয়ৰ ক্ষেত্ৰ বিহুতলী। লতাশিল বিহুতলীয়ে অসমক দিছে এখন বিহুৰ জাতীয় পতাকা**

# ঐতিহ্যমণ্ডিত লতাশিল বিহুতলী যুগৰ স্বাক্ষৰ

প্ৰফুল্ল প্ৰাণ মহন্ত

**অসমৰ** থলুৱা জনগোষ্ঠীৰ মাজত ভিন ভিন পদ্ধতিৰে ৰঙালী বিহু পালন কৰি আহিছো। উজনি অসমত বিশেষভাৱে কছাৰী, বড়ো, চুতীয়া, মৰাণ, মটক, বৰাহী আৰু কাৰ্বি আদি প্ৰায়বিলাক জনগোষ্ঠীয়েই সম্প্ৰদায় নিৰ্বিশেষে ৰঙালী বিহু জাতীয় উৎসৱ হিচাপে পালন কৰে। আধুনিক যুগৰ সূচনা হোৱাৰ লগে লগে চহৰমুখী বিহুৰ সমূহীয়া ৰূপত আবিৰ্ভাৱ হ'ব ধৰিলে।

সৰ্বপ্ৰথমে গুৱাহাটীৰ কথাৰেই পাতনি মেলা হৈছে। জনা মতে ১৯৩১ তে গুৱাহাটীত একতা সভাই খেল-ধেমালি আৰু নানান সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে চহৰৰ মানুহৰ মাজতে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। এই উৎসৱ দুদিনীয়াকৈ হৈছিল। পাছৰ বছৰ ১৯৩২তো তিনিদিনীয়াকৈ ৰঙালী বিহু উৎসৱ পালন কৰা হৈছিল। মাজতে কেইবছৰমান বিৰতিৰ পাছত ১৯৩৮ত পুনৰ বিহু উৎসৱ উদ্‌যাপিত হৈছিল। ১৯৪৫, ১৯৪৭, ১৯৪৮ আৰু ১৯৪৯ত স্থানীয় যুৱক-যুৱতী আৰু নেতৃত্বস্থানীয় লোকৰ সহায়ত ৰঙালী বিহু উৎসৱ উদ্‌যাপন কৰা হৈছিল।

১৯৫২ ৰ পৰাই একে লেথাৰিৰে নিয়মীয়াকৈ গুৱাহাটীৰ লতাশিল খেলপথাৰত বিহু উৎসৱ তিনি-চাৰিদিনীয়াকৈ উদ্‌যাপন কৰি অহা হৈছে। এই বিহু উৎসৱ তেতিয়াৰে পৰা মেলামুখী হিচাপে উজনি-নামনিৰ সকলো শিল্পীৰ সমাবেশত অনুষ্ঠিত হৈ আহিছে। বিহুৰ লগত জড়িত থকা অসমৰ এনে এজন শিল্পী নোলাব যিজনে লতাশিল খেলপথাৰৰ বিহুত ভৰি নেপেলোৱাকৈ আছে। সেইসকলৰ হয়তো বহুতেই প্ৰাণ হেৰুৱাইছে। জীৱিত শিল্পীসকলৰো মানসপটত লতাশিল খেলপথাৰৰ বিহু চিৰদিন উথলি আছে। ৫০ ৰ দশকতে এই বিহু উৎসৱৰ লগত মোৰ ব্যক্তিগতভাৱে সম্বন্ধ ঘটিছিল। এবাৰ গুৱাহাটীত বেলগুৰি সত্ৰৰ শিল্পী দলৰ লগত নৃত্য প্ৰদৰ্শন কৰিবলৈ আহি এসপ্তাহমান ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ ঘৰতে আছিলোহি। তেতিয়া আমাৰ শিল্পীদলত আছিল চাৰিজন ল'ৰা আৰু ছয়জন বয়সীয়া লোক। তেতিয়াৰ বিহু মঞ্চত বিহুদল, হুঁচৰি আদিৰ উপৰি শংকৰী সত্ৰৰ নৃত্য-গীত, (সত্ৰীয়া নৃত্য) অন্যান্য লোকনৃত্য, লোকগীত আদিও প্ৰদৰ্শন কৰা হৈছিল। সেই সূত্ৰেই ডাঃ বৰুৱাৰ লগত আন্তৰিক সম্পৰ্ক ঘটিছিল। তেওঁৰ কথামতেই মই উজনিৰ পৰা এটা বিহুদল (যোৰহাট) আনিছিলো। আমাৰ বিহু দলৰ লগতে আহিছিল বিখ্যাত ঢোল বাদক মঘাই ওজা। স্বনামধন্য সু-সাহিত্যিক মিত্ৰদেৱ মহন্তৰ কাব্যৰ আধাৰত মঘাই ওজাই ঢোলৰ মালিতাসমূহ যুগুতাই লৈছিল। সেই মালিতাবিলাক ময়েই ডাঙৰ ডাঙৰ আখৰেৰে লিখি দিছিলো। 'খৰাশিয়ালীৰ বিয়া', 'স্বাধীনতাৰ বুৰঞ্জী', 'গান্ধীজীৰ গ্ৰাম স্বৰাজ', 'পঞ্চায়ত', ৰাজবুলনি, বৰদলৈৰ মন্ত্ৰীসভাৰ পৰা অসম বিধানসভাৰ কাহিনী ইত্যাদি ইত্যাদি মালিতাসমূহ মিত্ৰদেৱ মহন্তই মঘাই ওজাক যুগুতাই দিয়ে ঢোলৰ বাবে। মঘাই ওজাই এই মালিতাসমূহ মুখস্থ কৰা কাৰ্যত মোৰ সহায় লৈছিল। সেইবাবে মঘাই ওজাই মোক লগত আনিছিল। এইদৰে মই যোৰহাটৰ ৰং ওজা, নৰাম ওজা আৰু সৰুপথাৰৰ গন্ধকৰৈ গাঁৱৰ জাতীয় ছহিদ কুশল কোঁৱৰৰ ভ্ৰাতৃ মেথোন কোঁৱৰ ওজাকো লতাশিল খেলপথাৰত বিহু সন্মিলনীত ঢোল বজাবৰ বাবে লৈ আনিছিলো। তেতিয়াৰ দিনত এওঁলোকেই বিখ্যাত ওজা। ইয়াৰ লগে লগে দুই-এবাৰ মই ইয়াত সত্ৰীয়া নৃত্যও পৰিৱেশন কৰিছিলোহি।পাছৰ কেইবাৰমান গোলাঘাটৰ ৰূপবন কলাক্ষেত্ৰৰ শিল্পীদলৰ লগতো আহিছিলো। মই এই বিহুত লগ পোৱা পূৰ্বৰে পৰা স্বনামধন্য ব্যক্তিসকলৰ ভিতৰত ডঃ ভুৱনেশ্বৰ বৰুৱা, ৰাধাগোবিন্দ বৰুৱা, প্ৰবীণ ফুকন, পুৰুষোত্তম দাস, যুগল দাস, ক্ষীৰদাকান্ত বিষয়া, কমলনাৰায়ণ চৌধুৰী, লক্ষ্যধৰ চৌধুৰী, জীৱেশ্বৰ চক্ৰৱৰ্তী, মাণিক চন্দ্ৰ দাস, মোৱাজ্জিন আলি, তিলক চন্দ্ৰ দাস, ব্ৰজেন বৰুৱা, নিপ বৰুৱা, সত্যপ্ৰসাদ বৰুৱা, পুলিন দাস আদি ভালেমান স্বনামধন্য লোকক এই বিহু সন্মিলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা পাই আহিছো। এইসকলৰ উপৰি কত যে কিমান শিল্পীৰ লগত এই উৎসৱতে লগ হৈ সৌহাৰ্দ্য স্থাপন হৈছে ইয়াৰ সীমা নাই। প্ৰবন্ধৰ পৰিসৰ দীঘলীয়া হোৱাৰ বাবে সকলোৰে নাম উল্লেখ কৰা হোৱা নাই। পূৰ্বৰ পৰাই এই উৎসৱৰ লগতে ৰজিতা খুৱাই খেল-ধেমালি-নাটক আদিও নিয়মীয়াভাৱে অনুষ্ঠিত হৈছে। লতাশিল খেলপথাৰক আগুৰি উজানবজাৰ অঞ্চলত বিশেষভাৱে ভালেমান অভিনেতা, অভিনেত্ৰী, কণ্ঠশিল্পী, চিত্ৰশিল্পী আদিৰ সৃষ্টি হৈছে। যাৰ নামেই হৈছে লতাশিল খেলপথাৰ। গতিকে ড° সূৰ্যকুমাৰ ভূঞা, ৰাধাগোবিন্দ বৰুৱা আৰু ডাঃ ভুৱনেশ্বৰ বৰুৱা আদিৰ দৰে ব্যক্তিয়েও য'ত এদিন বিহুৰ বতৰত খেলত যোগদান কৰি প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিছিল। এই ইতিহাসৰ চানেকি লতাশিলে সদায়েই বহন কৰি থাকিব। উত্তম বৰুৱাই কবৰ দৰে 'পথাৰৰ বিহুক ভৈয়ামৰ বিহুক পৰ্বতৰ বিহুক মঞ্চলৈ উত্তৰণ-ৰূপান্তৰতি কৰিলে ১৯৫২ত লতাশিল খেলপথাৰত সৰ্ববৃহৎ গুৱাহাটী বিহু সন্মিলনীয়ে। এইখিনিতে আৰু কেইজনমান বিশেষ ব্যক্তিৰ নাম ল'বলৈ বিচাৰিছো যিসকলৰ প্ৰচেষ্টাত এদিন অসমৰ সংস্কৃতিত নতুন এটা যুগৰ সূচনা হ'ল। এই ব্যক্তিসকল হ'ল— ৰঘুনাথ চৌধাৰী, ডাঃ কনকেশ্বৰ বৰুৱা, পুতুল হাজৰিকা, হেম বৰুৱা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, দুৰ্গানাথ বেনাৰ্জী, শান্তিৰাম লহকৰ, ডাঃ ঘনশ্যম দাস, ডাঃ জ্যোতিষ দাস, দেবেন শৰ্মা, বীৰেন ফুকন, চাৰু বৰদলৈ, বদৰুদ্দিন নুৰুদ্দিন, সাৰদা প্ৰসাদ শৰ্মা, গোলাপ চৌধুৰী, গিৰিধৰ শৰ্মা, হৰমোহন দাস, আনন্দিৰাম দাস, জীৱেশ্বৰ চক্ৰৱৰ্তী, নলিনী দাস, ড° ভূপেন হাজৰিকা, নবীন শৰ্মা, ডাঃ কীৰ্তিৰাম বৰুৱা, ওবেদুৰ ৰহমান, পুষ্প চৌধুৰী, ডাঃ ভূপেন ফুকন, মুৰুলী চৌধুৰী, ডাঃ বীৰেন মেধি, পদ্ম চৌধুৰী, গৌৰী দাস, গোলাপ গোস্বামী, কুসুম দাস, গুণাভি চৌধুৰী, নৃপেন ভট্টাচাৰ্য, নাৰায়ণ দাস, বীৰেন বৰা, ফণী শৰ্মা আৰু সমুদ্ৰ পাঠক আদি ব্যক্তিৰ নাম স্মৰণ নকৰি নোৱাৰি।



এই লতাশিল বিহুতলীতে স্মৰণ কৰা হয় বিজয় শংকৰ দাস, সুদক্ষিণা শৰ্মা, হেমাঙ্গ বিশ্বাস, অনিল চৌধুৰী, ৰমেন বৰুৱা, জয়ন্ত হাজৰিকা, অপূৰ্ব দাস, দ্বিবন বৰুৱা, অমূল্য সৰকাৰ, জগদীশ শৰ্মা, মোহন যোগী, বিজয় তালুকদাৰ, ৰুবী হাজৰিকা, ৰেজিয়া বেগম, মৃদুলা দাস, দুলাল দাস, তুলিকা দাস, প্ৰণতি দাস, গুণদা দাস আৰু ৰাণী দাস আদি বহুতো পুৰুষ আৰু মহিলা শিল্পীক নিজৰ প্ৰতিভা বিকাশেৰে উলিয়াই আনিবলৈ সক্ষম হৈছে। নাট্যকাৰ-অভিনেতা-অভিনেত্ৰীৰ ক্ষেত্ৰতো খ্যাত-অখ্যাত বহুতো শিল্পীকে লতাশিল বিহুতলীয়ে প্ৰতিভা বিকাশত ইন্ধন যোগাইছে। সেইসকলৰ বহুতেই এতিয়া সমগ্ৰ অসমতে বিখ্যাত হৈ পৰিছে। এই প্ৰসংগত প্ৰবোধ দাস, ভুৱনেশ্বৰ কুমাৰ বৰুৱা, অৰূপ চক্ৰৱৰ্তী, গিৰীণ বৰুৱা, উত্তম বৰুৱা, ঈশান বৰুৱা, ধীৰু ভূঞা, গঙ্গা শৰ্মা, নীলু চক্ৰৱৰ্তী, নিৰদা ভূঞা, শৈল বৰুৱা, সুৰেন দাস, উপেন্দ্ৰজিৎ শৰ্মা, দিলীপ শৰ্মা আৰু অমৰ চক্ৰৱৰ্তী আদিৰ বহুতৰে নাম স্মৰণীয়। মহিলাসকলৰ ভিতৰতো বাটকটীয়া বীণা দাস মান্না, জ্যোৎস্না পাঠক আদি বহুতো মহিলা শিল্পীৰ নাম ল'ব লাগিব।

এতিয়া লতাশিল বিহুতলী হ'ল অসমৰ মঞ্চ বিহুৰ বাটকটীয়া সমন্বয়ৰ প্ৰতীক। জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে জাতীয় উৎসৱৰ মাধ্যমেৰে অসমত সংহতি প্ৰতিষ্ঠা কৰি একতাৰ ধ্বজাবাহী হোৱা একমাত্ৰ অনুষ্ঠান। ইয়াৰ অনুপ্ৰেৰণাতে সৃষ্টি হৈছে গুৱাহাটী মহানগৰী আৰু অসমৰ নগৰে-চহৰে পুলি-পোখা মেলি তৈয়াৰ হোৱা অলেখ সমন্বয়ৰ ক্ষেত্ৰ বিহুতলী।

লতাশিল বিহুতলীয়ে অসমক দিছে এখন বিহুৰ জাতীয় পতাকা—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছ্বৰ মধু আলোড়ন,
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপবন।
ভেদাভেদ পৰিহৰি কতজাতি উপজাতি
মহাপীঠ কৰে নিৰমান
আদি সমস্বৰে গোৱা এটি ঐক্যতান গীত।

এনেবোৰ স্মৃতিক বুকুত সাবটি লৈ আমি সকলোৱে খোজত খোজ মিলাই অহিংসা শান্তি পথত অজেয় মহান গৰ্বিত অসমীয়া জাতি হিচাপে বিশ্বৰ দৰবাৰলৈ আগবাঢ়ি যাওঁ— এয়ে হওঁক আমাৰ কাম্য।

সৰ্বশেষত লতাশিল বিহুতলীত অশেষ শ্ৰম আৰু সাধনাৰে অসমৰ বুকুত এই বিহুতলীৰ স্মৃতিৰ স্বাক্ষৰ ৰাখি থৈ যাব বিচৰা এজন অক্লান্ত কৰ্মী সদ্য অনুষ্ঠানৰ সভাপতি ধীৰেন বৰুৱাৰ নাম নল'লে বহুতো কথাই অসম্পূৰ্ণ হৈ ৰ'ব। বৰুৱাই স্থানীয় উৎসাহীসকলৰ সহযোগত এই বিহুতলীৰ স্থায়ী স্মৃতি ৰক্ষা কৰাত সফল হৈছে। এখন স্থায়ী পকী তোৰণ, ৪০ খনৰো অধিক স্থায়ী বহাৰ আসন (বেঞ্চ) আদি তৈয়াৰ কৰিছে। অসমৰ বিহুতলীৰ এনে স্থায়ী স্মৃতি ৰখাটো অতি বিৰল। উত্তৰ পুৰুষে এই অনুকৰণতে এনে জাতীয় উৎসৱৰ স্থলীৰ স্মৃতি স্থায়ীভাৱে ৰাখিব পাৰিলে পূৰ্বপুৰুষসকলৰ প্ৰচেষ্টা সফল হ'ব ই ধ্ৰুৰূপ।

ফোন-৬০২৬৮৪২৬৪৩

---

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ

**ক্ষণজীৱী** বৰেণ্য ব্যক্তিসকলৰ অন্যতম হ'ল লক্ষ্মীধৰ শৰ্মা। প্ৰতিভা লৈয়েই তেওঁ জন্মগ্ৰহণ কৰিছিল। মাথোঁ একুৰি ১৫ বছৰ কালতে তেওঁ যি ধী-শক্তি, কৰ্ম-প্ৰেৰণা, দেশাত্মবোধ আৰু সাহিত্য-প্ৰতিভাৰ নিদৰ্শন দেখুৱাইছিল সি সঁচাকৈয়ে বিস্ময়কৰ আৰু অনন্য সাধাৰণ। কিন্তু তেওঁৰ সৃষ্টিশীল প্ৰতিভা আৰম্ভহে হৈছিল, বিকাশ আৰু বিস্তাৰৰ সুযোগ নাপালে। কিয়নো ১৮৯৮ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰি ১৯৩৪ খ্ৰীষ্টাব্দতে মৃত্যুক বৰণ কৰিবলগীয়া হ'ল। তথাপি এই অলপ দিনৰ ভিতৰতে লক্ষ্মীধৰ শৰ্মাই ৰাজনীতি, সমাজ-সংস্কাৰ, সাহিত্য আৰু সংস্কৃতিৰ কাৰণে যিখিনি অৱিহণা দি গ'ল সিয়েই তেওঁক অসমীয়া সমাজখনত



## লক্ষ্মীধৰ শৰ্মা

### জীৱনকাল ৩৬ বছৰ মাত্ৰ

### (১৮৯৮-১৯৩৪)

অমৰ কৰি ৰাখিব।

তেজপুৰ মহকুমাৰ বিশ্বনাথ মৌজাৰ ভীৰগাঁও নামৰ এখন পুৰণি গাঁৱত লক্ষ্মীধৰ শৰ্মাৰ জন্ম হয়। লক্ষ্মীধৰ শৰ্মাৰ পিতৃ হলধৰ শৰ্মা বিশ্বনাথ দেৱালয়ৰ পুৰোহিত আছিল। মাক-দেউতাকৰ চাৰিটা ল'ৰাৰ ভিতৰত লক্ষ্মীধৰ আছিল তৃতীয়। লক্ষ্মীধৰ প্ৰাইমাৰীৰ পৰা আৰম্ভ কৰি প্ৰৱেশিকা পৰীক্ষালৈ প্ৰতিটো পৰীক্ষাতে কৃতিত্ব দেখুৱাই বৃত্তি লাভ কৰাৰ উপৰি সোণ-ৰূপৰ নটা পদক অৰ্জন কৰিছিল। দশম শ্ৰেণীত পঢ়ি থাকোতে আউনীআটী সত্ৰৰ ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। ১৯১৬ত তেওঁ কটন কলেজিয়েট স্কুলৰ পৰা পৰীক্ষা দি প্ৰৱেশিকা পৰীক্ষাত অসমৰ ভিতৰত তৃতীয় স্থান আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি মাহিলি কুৰি টকাৰ জলপানি লাভ কৰে।

সৰু কালৰে পৰাই লক্ষ্মীধৰ শৰ্মাই ৰাজনীতিত মন দিছিল। অলপ দিনৰ ভিতৰতে তেওঁ এজন সৎ-চৰিত্ৰবান ছাত্ৰনেতা হিচাপে খ্যাতি লাভ কৰে। ১৯১৮ত কটন কলেজৰ পৰা পদাৰ্থ আৰু ৰসায়ন বিষয়ত প্ৰথম শ্ৰেণীসহ আইএছচি পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯২০ত বিএ পাছ কৰি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায়। তাত একে সময়তে এমএ আৰু আইন পঢ়িবলৈ লয়। কলিকতাত থাকোতেই বংগদেশৰ প্ৰখ্যাত কংগ্ৰেছ নেতৃবৰ্গৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে আৰু তাৰ ফলতেই কলিকতাত বহা কংগ্ৰেছ অধিবেশনত তেওঁ যোগ দিয়ে। ইয়াৰ পাছত তেওঁ নাগপুৰত বহা সৰ্বভাৰতীয় ছাত্ৰ সন্মিলনতো যোগ দিয়ে।

ড° নীলমোহন ৰায়
ফোন ঃ ৯৮৬৪০৬৪২৭৪

১৯২১ত মহাত্মা গান্ধী কলিকতালৈ আহি দেশৰ সকলো ডেকাকে দেশসেৱালৈ আহ্বান জনায়। তেওঁৰ আহ্বানত সঁহাৰি দিয়ে শৰ্মাই অসহযোগ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰে আৰু অসমলৈ উভতি আহি আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাত লাগি যায়। তেওঁৰ লক্ষ্য আছিল সমগ্ৰ ছাত্ৰশক্তিকে স্কুল-কলেজৰ পৰা এৰুৱাই আনি আন্দোলনমুখী কৰা। ইয়াৰ বাবে তেওঁ বংগৰ বিখ্যাত নেতা বিপিন চন্দ্ৰ পালক লগ ধৰি তেওঁৰ হতুৱাই অসমৰ ছাত্ৰ সমাজৰ মাজত এটা প্ৰেৰণা দিয়াৰো চেষ্টা কৰিছিল। এই কাৰ্যত তেওঁ আশাতীত কৃতকাৰ্যতা লাভ কৰিছিল। এই সময়তে তেওঁক কমলাবাৰীত গ্ৰেপ্তাৰ কৰি ইংৰাজ চৰকাৰে কাৰাবাস দিছিল।

লক্ষ্মীধৰ শৰ্মা আছিল মানৱতাৰ পূজাৰী। সমাজ সংস্কাৰ, দেশ সেৱাৰ লগে লগে তেওঁ মানৱ সেৱাও কৰিছিল। ১৯২২ৰ জুলাইত তেজপুৰৰ কিছুমান ঠাইত হাইজা মহামাৰীয়ে দেখা দিছিল। জেলৰ পৰা মুক্তি পায়েই শৰ্মাই লগৰীয়াসকলক লৈ মহামাৰীগ্ৰস্ত ৰোগীসকলৰ সেৱা-শুশ্ৰূষা কৰাৰ কামত লাগি গ'ল আৰু তাৰ বাবে বিভিন্ন গাঁৱত যাবলগীয়া হ'ল। এই সেৱা কাৰ্যত শৰ্মাৰ মনত হিন্দু-মুছলমান, উচ্চ-নীচ, বৈশ্য-শূদ্ৰ আদি সংকীৰ্ণ ভাবে ঠাই পোৱা নাছিল।

চৌৰিচৌৰাৰ ঘটনাৰ পাছত অসহযোগ আন্দোলন কিছু স্তিমিত হোৱাত লক্ষ্মীধৰ ১৯২৩ত পুনৰ কলিকতালৈ গৈ এমএ পঢ়াত লাগে। ১৯২৪ত তেওঁ অসমীয়া বিষয়ত প্ৰথম স্থান লাভ কৰি এমএ ডিগ্ৰী লাভ কৰে। একে সময়তে তেওঁ আইনৰ পৰীক্ষাতো উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি কৰিবলৈ লয়। সেই সময়ত দেশভক্ত তৰুণৰাম ফুকনৰ জ্যেষ্ঠা কন্যা প্ৰতিভা দেৱীক বিয়া কৰায়।

১৯৩০ত মহাত্মা গান্ধীৰ নেতৃত্বত আকৌ আইন অমান্য আন্দোলন আৰম্ভ হ'ল। এই আন্দোলনতো লক্ষীধৰ শৰ্মা জঁপিয়াই পৰিল। তেওঁ গাঁৱে-ভূঞে ঘূৰি ৰায়ত সভা, যুৱক সভা, ছাত্ৰ সভা আদিত নিজৰ তেজোদ্দীপ্ত ভাষণেৰে দেশক উদ্দীপিত কৰি আইন অমান্য আন্দোলন সতেজ আৰু জীৱন্ত কৰি তুলিলে। ইয়াৰ বাবে শৰ্মাই কাৰাবৰণ কৰিবলগীয়া হয়। তেওঁ মুঠ চাৰিবাৰ কাৰাবাস খাটে। এই সময়তে তেওঁৰ সহধৰ্মিণীৰ ক্ষয়ৰোগত মৃত্যু হয়। ইয়াৰ কিছুদিনৰ পাছতে তেওঁকো এই কালব্যাধিয়ে আক্ৰমণ কৰে। বিবাহৰ পাছৰে পৰাই লক্ষীধৰে ওকালতি আৰু সাহিত্য চৰ্চাত সমানে মনোযোগ দিছিল। উল্লেখ্য যে ১৯২৯ৰ পৰা ১৯৩৪ৰ ভিতৰত শৰ্মাৰ প্ৰায়বোৰ গল্প আৰু নাটক 'আৱাহন'ত প্ৰকাশ পাইছিল।

লক্ষীধৰে সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰ আঁতৰাবলৈ দৃঢ়তাৰে যুঁজ দিছিল। বিধৱা বিবাহ প্ৰচলন কৰা, বাল্য বিবাহ বন্ধ কৰা, কানি, ভাং, মদ আদিৰ পৰা সমাজখনক ৰক্ষা কৰা, দলিতসকলক ধনীৰ শোষণৰ পৰা মুক্ত কৰা আদি মানৱোচিত কাৰ্যত তেওঁ আত্মনিয়োগ কৰিছিল। এনেবোৰ সংস্কাৰ সাধনৰ কাৰণে তেওঁ চুটিগল্প, উপন্যাস, নাটক আদিক বাহন হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ প্ৰায়বোৰ লেখাই সংস্কাৰমুখী আৰু বাস্তৱধৰ্মী। ১৯২৪ত বিধৱা বিবাহক সমৰ্থন কৰি 'নিৰ্মলা' নামৰ এখন নাটক লিখি এনে সংস্কাৰধৰ্মী মনৰ পৰিচয় দিয়ে। তাৰ পাছত ১৯২৫ত 'অসম হিতৈষী' কাকতত বিধৱা বিবাহৰ পক্ষে আৰু বাল্য বিবাহৰ বিপক্ষে এলানি প্ৰবন্ধ লিখে। তেওঁৰ চুটিগল্প আৰু নাটকসমূহৰ ঘাইকৈ তিনিটা উপজীৱ্য লক্ষ্য কৰা যায়—সমাজৰ প্ৰচলিত অন্যায়-অবিচাৰ আৰু তাৰ প্ৰতিকাৰৰ ব্যৱস্থা, নাৰীমুক্তি আন্দোলন আৰু হিন্দু-মুছলমান দুয়োটা সম্প্ৰদায়ৰ মাজত প্ৰেম-প্ৰীতিৰ সমন্বয়। 'প্ৰজাপতিৰ ভুল' নাটকত কন্দৰ্প আৰু চখিনাৰ মাজত প্ৰবাহিত প্ৰেম মন্দাকিনীয়ে মৰ্ত্যত সৰগ ৰচিছে। 'হৃদয়ৰ মূল্য' নামৰ নাটকখনতে শৰ্মাৰ সংস্কাৰধৰ্মী মনোভংগী প্ৰকাশ পাইছে।

লক্ষীধৰ শৰ্মাৰ আত্মজীৱনীমূলক ৰচনা 'জীৱনস্মৃতি'ৰ উপৰি অন্যান্য ৰচনাসমূহ হ'ল—চুটিগল্প ঃ চিৰাজ, বিদ্ৰোহিনী, ঊষা, পখিলী, বিধৱাৰ ল'ৰা, গৌৰী, গল্পপ্ৰবাস ইত্যাদি; নাটক ঃ প্ৰজাপতিৰ ভুল, হৃদয়ৰ মূল্য, সতী জয়মতী আদি। ইয়াৰ উপৰি শৰ্মাই কবিতাও লিখিছিল। তেওঁৰ কবিতাত ভাবৰ নতুনত্ব আৰু গভীৰতা মন কৰিবলগীয়া। 'মৰণ দেৱতা' নামৰ কবিতাটোৰ এঠাইত তেওঁ কৈছে—


করুণামণ্ডিত শ্যামল সুন্দৰ স্নিগ্ধ হেমকান্তি,
মংগল দেৱতা নিত্য বৰষিছা প্ৰেম সুধা শান্তি
শোক দুখ তাপ দগ্ধ জৰ্জৰিত প্ৰাণী জগতত
শীতল তোমাৰ বিস্মৃতি প্ৰলেপ শোভিছে হাতত।

তৎসম শব্দৰ প্ৰয়োগৰ দ্বাৰা কবিতাটোৰ ভাব গাম্ভীৰ্য অধিক প্ৰকট কৰি তোলা হৈছে।

লক্ষ্মীধৰ শৰ্মাই ছাত্ৰাৱস্থাৰে পৰা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, কৌতুক, অভিনয় আদিত পাৰদৰ্শিতা দেখুৱাই আহিছিল। পাছলৈ এজন প্ৰখৰ, নিৰ্ভীক আৰু যুক্তিবাদী নেতা হিচাপে তেওঁ বিশাল জনপ্ৰিয়তা লাভ কৰিছিল। দৰাচলতে তেওঁৰ ধমনীতে আছিল নেতৃত্বৰ বীজ। তেওঁ একাধাৰে আছিল মেধাৱী, বিদ্বান, সুবক্তা, সুদক্ষ ৰাজনৈতিক নেতা, বিচক্ষণ আইনজীৱী, কবি, গল্পকাৰ, নাট্যকাৰ, অভিনেতা আৰু মনস্তাত্ত্বিক পণ্ডিত। তদুপৰি তেওঁৰ অন্তৰ আছিল কৌতুক ৰসেৰে ভৰপূৰ আৰু দাৰ্শনিকৰ দৰে চিন্তাশীল মন।

সৌন্দৰ্যৰ পূজাৰী ইংৰাজ কবি কীটছ্ আৰু অসমীয়া কবি গণেশ গগৈৰ দৰে লক্ষ্মীধৰ শৰ্মাই ক্ষয়ৰোগত আক্ৰান্ত হৈ ১৯৩৪ৰ তিনি মে'ৰ দিনা শ্বিলং পাহাৰৰ লাইমুখ্ৰাৰ এটা ভাড়াঘৰত চিৰদিনলৈ চকু মুদে। এনেদৰেই এটা অসাধাৰণ প্ৰতিভাৰ অকালতে চিৰ সমাধি ঘটিল। তেওঁৰ মৃত্যুৰ লগে লগে অসমৰ ৰাজনীতি আৰু সাহিত্য জগতৰ এক অপূৰণীয় ক্ষতি হ'ল।

## হালধীয়া টেক্সীত ৰণবীৰৰ কোটিটকীয়া বিবাহৰ সাজ



**নিউজ ব্যুৰ', মুম্বাই, ১২ এপ্ৰিল ঃ** অভিনেতা ৰণবীৰ কপুৰৰ বান্দ্ৰাৰ বাসস্থান 'বাস্তু'লৈ তেওঁৰ বিবাহৰ পোছাক আহিল সাধাৰণ ক'লা-হালধীয়া টেক্সীত। সেই পোছাকো আকৌ বলিউদৰ নামজ্বলা সাজসজ্জাকৰ সব্যসাচীয়ে তৈয়াৰ কৰা। বলিউদৰ অধিকাংশ তাৰকাৰ বিবাহৰ পোছাক প্ৰস্তুত কৰে সব্যসাচীয়ে। যাৰ মূল্য কোটিৰ অধিক। অথচ ইমান দামী পোছাক আহিল সাধাৰণ গাড়ীত। পাপাৰাজ্জীৰ সৌজন্যত সেই গাড়ীৰ ফটোও এতিয়া সামাজিক মাধ্যমত ভাইৰেল হৈছে। ৰণবীৰ আৰু আলিয়া ভাটৰ দৰে আগশাৰীৰ তাৰকাৰ বিয়াৰ সাজ এনে গাড়ীত কঢ়িয়াই অনাৰ কাৰণ বিচাৰি এতিয়া বহুতেই হাবাথুৰি খাইছে।

## শ্ৰীলংকাত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ বাবে অনুষ্ঠিত বৈঠক ব্যৰ্থ



**নিউজ ব্যুৰ', কলম্বো, ১২ এপ্ৰিল ঃ** শ্ৰীলংকাৰ চৰম অৰ্থনৈতিক আৰু ৰাজনৈতিক সংকটৰ সমাধান বিচাৰি যোৱা পৰহি সম্পন্ন হোৱা বৈঠকৰ ফলাফল নোলাল। ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষ আৰু ৪২জন সাংসদে এই বৈঠকত মিলিত হৈছিল। প্ৰাক্তন ৰাষ্ট্ৰপতি মৈত্ৰিপাল শ্ৰীসেনাও উপস্থিত আছিল। অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ উদ্দেশ্যে অনুষ্ঠিত বৈঠক ব্যৰ্থ হয়। এই বৈঠকত কোনো সমাধান সূত্ৰ বিচাৰি নোপোৱাত শ্ৰীলংকাৰ নৱবৰ্ষ অৰ্থাৎ অহা ১৪ এপ্ৰিলৰ পাছত পুনৰ বৈঠকত মিলিত হ'ব। উল্লেখ্য যে ৰাজাপক্ষৰ ওপৰত ক্ৰমাৎ পদত্যাগৰ চাপ বৃদ্ধি পাইছে যদিও তেওঁ নিজ স্থিতিত অটল হৈ আছে।

## দেশত আৰু হ্ৰাস পালে ক'ভিডৰ দৈনিক সংক্ৰমণ



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** ক্ৰমাগতভাৱে দেশত হ্ৰাস পাইছে ক'ভিড-১৯ৰ দৈনিক সংক্ৰমণ। একেৰাহে দ্বিতীয় দিনলৈ হেজাৰৰ তলত থাকিল দৈনিক আক্ৰান্তৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, বিগত ২৪ ঘণ্টাত দেশত ৭৯৬জন নতুনকৈ আক্ৰান্ত হৈছে। কালি আক্ৰান্ত হৈছিল ৮৬১জন। অৱশ্যে কালিৰ তুলনাত মৃত্যুৰ সংখ্যা পুনৰ দুটা অংকলৈ আগবাঢ়িল। কালি দেশত ছজন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। বিগত ২৪ ঘণ্টাত মৃত্যু হৈছে ১৯জন ৰোগীৰ। যদিও বিগত তিনিটা দিনত দেশত মৃত্যুৰ সংখ্যা বহুখিনি হ্ৰাস পাইছে। আজি দৈনিক সংক্ৰমণৰ হাৰো কমিছে। সেইদৰে সক্ৰিয় ৰোগীৰ সংখ্যাও হ্ৰাস পাইছে।

### ভাৰতৰ আভ্যন্তৰীণ বিষয়ত যুটীয়া সংবাদমেলত মাৰ্কিন বৈদেশিক সচিব ব্লিংকেনৰ ভাষ্য

## ভাৰতত মানৱাধিকাৰ উলংঘনৰ ঘটনা বৃদ্ধি পাইছে, মোদী-বাইডেনৰ বৈঠকৰ পাছতে আমেৰিকাৰ বাৰ্তা

**নিউজ ব্যুৰ'**
**ৱাশ্বিংটন, ১২ এপ্ৰিল ঃ** ভাৰতত মানৱাধিকাৰ উলংঘনৰ ঘটনা ক্ৰমাৎ বৃদ্ধি পাইছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব এণ্টনী ব্লিংকেনে এই মন্তব্য কৰি কয়, 'ভাৰতত ক্ৰমবৰ্ধমান মানৱাধিকাৰ উলংঘনৰ ঘটনাৰ প্ৰতি আমি দৃষ্টি ৰাখিছো।' কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স'তে ভাৰ্চুৱেল বৈঠকত মিলিত হৈছিল মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন। ইয়াৰ পাছতেই পোনপটীয়াকৈ ভাৰতৰ আভ্যন্তৰীণ বিষয়ক লৈ মন্তব্য কৰিলে দেশখনৰ বৈদেশিক সচিবে। ভাৰ্চুৱেল বৈঠকৰ অন্তত ভাৰত-আমেৰিকাৰ যুটীয়া সংবাদমেলত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ আৰু মাৰ্কিন প্ৰতিৰক্ষা সচিব লয়েড অষ্টিনৰ উপস্থিতিত ব্লিংকেনে এই কথা কয়। তেওঁ কয়, 'আমি নিয়মিত এই প্ৰসংগত মত বিনিময় কৰিছো। সমান্তৰালভাৱে ভাৰতত কিছুসংখ্যক চৰকাৰী বিষয়া, আৰক্ষী বিষয়া আৰু কাৰাগাৰৰ বিষয়াসকলৰ বিৰুদ্ধে মানৱাধিকাৰ উলংঘনৰ গুৰুতৰ অভিযোগৰ বিৰুদ্ধে আমি দৃষ্টি ৰাখিবলগীয়া হৈছে।' অৱশ্যে কি



ঘটনাৰ কথা তেওঁ উল্লেখ কৰিলে সেয়া খোলচা কৰা নাই। মাৰ্কিন বৈদেশিক সচিবৰ ভাষ্যৰ পাছত অৱশ্যে জয়শংকৰ বা ৰাজনাথ সিঙৰ বক্তব্যত এই প্ৰসংগ উত্থাপন কৰা হোৱা নাই। উল্লেখ্য যে বিগত সপ্তাহত বাইডেনৰ ডেম'ক্ৰেটিক পাৰ্টিৰ জনপ্ৰতিনিধি ইলহান উমৰে ভাৰতৰ মোদী চৰকাৰৰ বিৰুদ্ধে সংখ্যালঘু বিদ্বেষৰ অভিযোগ উত্থাপন কৰিছিল।



## ক'ভিডবিধি ভংগৰ বাবে জৰিমনা আদায় দিব লাগিব ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী আৰু বিত্তমন্ত্ৰীয়ে

**নিউজ ব্যুৰ', কেলিফ'ৰ্ণিয়া, ১২ এপ্ৰিল ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন আৰু বিত্তমন্ত্ৰী ঋষি ছুনাকে ক'ভিড-১৯ তলাবন্ধ আইন ভংগ কৰাৰ বাবে জৰিমনা ভৰিব লাগিব। মেট্ৰ'পলিটান পুলিচে আজি দুয়োকে প্ৰেৰণ কৰা জাননী লাভ কৰা বুলি চৰকাৰী মুখপাত্ৰই কয়। মেট্ৰ'পলিটান পুলিচে নিৰ্ধাৰিত জৰিমনা জাননী প্ৰেৰণ কৰিব বুলি আজি জনছন আৰু ছুনাকক লিখিতভাৱে অৱগত কৰে।

## ৰাষ্ট্ৰসংঘত অভিযোগ ঃ ধৰ্ষণক অস্ত্ৰৰূপে ব্যৱহাৰ ৰুছ সেনাৰ



**নিউজ ব্যুৰ', কিয়েভ, ১২ এপ্ৰিল ঃ** ৰাষ্ট্ৰসংঘত গুৰুতৰ অভিযোগ উত্থাপন কৰিলে ইউক্ৰেইনৰ এক মানৱাধিকাৰ সংস্থাই। ৰুছ সেনাবাহিনীয়ে ধৰ্ষণক অস্ত্ৰৰূপে ব্যৱহাৰ কৰাৰ অভিযোগ তুলিছে মানৱাধিকাৰ সংস্থাটোৱে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এজন বিষয়াই জনাইছে যে তেওঁলোকে ৰুছ বাহিনীৰ বিৰুদ্ধে এই ধৰণৰ একাধিক অভিযোগ লাভ কৰিছে। অৱশ্যে ইউক্ৰেইনৰ বিৰুদ্ধেও অনুৰূপ অভিযোগ উঠিছে। লা স্ত্ৰাডা-ইউক্ৰেইন নামৰ এটা সংস্থাৰ সভাপতি কেটেৰিণা চেৰেপাখাই কয় যে সংস্থাৰ জৰুৰী হটলাইনত প্ৰায় প্ৰতিদিনেই ৰুছ সেনাৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ আহিছে। সংস্থাটোৱে দাবী কৰে যে কিছুদিনৰ পূৰ্বে নটাকৈ ধৰ্ষণৰ অভিযোগ তেওঁলোকে লাভ কৰিছিল। সেই ঘটনাত নাবালিকাসহ ১০গৰাকী মহিলা নিৰ্যাতিতা হয়। নিৰাপত্তা পৰিষদত ভিডিঅ' বাৰ্তাত চেৰেপাখাই অভিযোগ কৰি কয়, 'এয়া এক উদাহৰণহে। প্ৰতিদিনেই আমালৈ ধৰ্ষণৰ অভিযোগ আহি আছে। ৰুছ সেনাই ধৰ্ষণক অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছে।' অৱশ্যে ইউক্ৰেইনৰ এই দাবী মানি লোৱা নাই ৰাছিয়াই। ২৪ ফেব্ৰুৱাৰীত যুদ্ধ আৰম্ভ হোৱাৰ পাছৰ পৰাই ৰাছিয়াই দাবী কৰি আহিছে যে তেওঁলোকে যথাসম্ভৱ অসামৰিক লোকক আক্ৰমণ কৰাটো এৰাই চলিছে। উল্লেখ্য যে যোৱা সপ্তাহতে ৰাষ্ট্ৰসংঘই জনাইছিল যে ৰুছ সেনাৰ বিৰুদ্ধে গণধৰ্ষণ, শিশুৰ সন্মুখত ধৰ্ষণৰ অভিযোগো লাভ কৰিছে। লক্ষ্যণীয়ভাৱে ইউক্ৰেইনৰ সেনাৰ বিৰুদ্ধেও নিৰাপত্তা পৰিষদত ধৰ্ষণৰ অভিযোগ দাখিল হৈছে। এই অভিযোগৰ ব্যাখ্যা ৰাষ্ট্ৰসংঘক দিয়া নাই কিয়েভে।



## কোনাৰ্ক এক্সপ্ৰেছৰ খুন্দাত অন্ধ্ৰপ্ৰদেশত ছয় যাত্ৰী নিহত

**নিউজ ব্যুৰ', শ্ৰীকাকুলাম, ১২ এপ্ৰিল ঃ** ৰেলপথত নামি ৰৈ থকা অৱস্থাতে আন এখন ৰেলৰ খুন্দাত অন্ধ্ৰপ্ৰদেশত প্ৰাণ হেৰুৱালে ছজন ৰেলযাত্ৰীয়ে। যোৱা নিশা শ্ৰীকাকুলামত কোনাৰ্ক এক্সপ্ৰেছৰ খুন্দাত এই কৰুণ ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাত আন কে'বাজনো ৰেলযাত্ৰী গুৰুতৰভাৱে আহত হৈছে। আৰক্ষী সূত্ৰই জনোৱা মতে, শ্ৰীকাকুলামৰ বটুৱা গাঁৱত যান্ত্ৰিক বিজুতিৰ বাবে থমকি ৰৈছিল গুৱাহাটী অভিমুখী ছুপাৰফাষ্ট এক্সপ্ৰেছখন। ৰেলখনৰ একাংশ যাত্ৰীয়ে নামি কাষৰ ৰেলপথতে অপেক্ষা কৰিছিল। তেতিয়াই দ্ৰুতবেগত অহা কোনাৰ্ক এক্সপ্ৰেছখনে একাংশ লোকক মহটিয়াই নিয়ে। মৃত লোকসকলক এই পৰ্যন্ত চিনাক্ত কৰিব পৰা নাই আৰক্ষীয়ে।

## উত্তৰ প্ৰদেশৰ বিধান পৰিষদৰ নিৰ্বাচনত বিজেপিৰ জয়জয়কাৰ যদিও বাৰানসীত হাৰিল



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১২ এপ্ৰিল ঃ** উত্তৰ প্ৰদেশৰ বিধান পৰিষদৰ নিৰ্বাচনত বৃহৎ সাফল্য অৰ্জন কৰিলে বিজেপিয়ে। উত্তৰ প্ৰদেশৰ উচ্চ সদনত এই প্ৰথম একক সংখ্যাগৰিষ্ঠতা লাভ কৰিলে বিজেপিয়ে। ৰাজ্যখনক ৩৬খন বিধান পৰিষদৰ আসনত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছিল। ইয়াৰ ভিতৰত নখন আসনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি জয়ী হৈছে। বাকী ২৭খন আসনত আজি ভোট গণনা হয়। ইয়াৰ ভিতৰত ২৪খন আসন বিজেপিৰ দখললৈ গৈছে। তিনিখন আসন নিৰ্দলীয়ৰ দখলত। ৰাজ্যৰ প্ৰধান বিৰোধী সমাজবাদী দলৰ পাৰ্টিয়ে এখনো আসন লাভ কৰা নাই। উত্তৰ প্ৰদেশৰ অন্যতম বিতৰ্কিত তথা সমাজবাদী তাৰকা প্ৰাৰ্থী ডাঃ কাফিল খানো পৰাজিত হয়। অৱশ্যে ৩৬খনৰ ভিতৰত ৩৩খন আসনত বিজয়ী হ'লেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লোকসভা সমষ্টি বাৰানসীত পৰাজয় দলৰ বাবে অস্বস্তিকৰ হৈছে।




## শান্তি বিচাৰো, কিন্তু কাশ্মীৰ সমস্যাৰ নিষ্পত্তি জৰুৰী ঃ মোদীক ক'লে শ্বাহবাজে

**নিউজ ব্যুৰ', ইছলামাবাদ, ১২ এপ্ৰিল ঃ** নতুন দিল্লীৰ স'তে অশান্তিৰ পথেৰে আগবাঢ়িব নিবিচাৰে ইছলামাবাদে। পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰিফে এই কথা জনাইছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শুভেচ্ছাবাৰ্তাৰ প্ৰত্যুত্তৰত এই মন্তব্য কৰি শ্বাহবাজে লগতে জনাইছে যে শান্তি বিচাৰিলেও আঞ্চলিক চুক্তি আৰু স্থিতিশীলতাৰ স্বাৰ্থত কাশ্মীৰ সমস্যাৰ সমাধানো প্ৰয়োজন। উল্লেখ্য যে কালি মোদীয়ে টুইটাৰত নতুন পাক প্ৰধানমন্ত্ৰীক অভিনন্দন বাৰ্তাত লিখিছিল, 'ভাৰতে সন্ত্ৰাসমুক্ত আঞ্চলিক শান্তি আৰু স্থিতিশীলতা বিচাৰে। বিচাৰে আমি যাতে উন্নয়নত মনোনিবেশ কৰিব পাৰো আৰু আমাৰ জনগণৰ কল্যাণ আৰু সমৃদ্ধি নিশ্চিত কৰিব পাৰো।' আজি ইয়াৰ প্ৰত্যুত্তৰত শ্বাহবাজে টুইটাৰত লিখিলে, 'শুভেচ্ছাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ। ভাৰতৰ স'তে শান্তিপূৰ্ণ আৰু সহযোগিতামূলক সম্পৰ্ক বিচাৰে পাকিস্তানে। জম্মু আৰু কাশ্মীৰসহ অমীমাংসিত বিৰোধৰ শান্তিপূৰ্ণ সমাধানো অপৰিহাৰ্য।'

## ৰ'পৱে'ৰ ৰছী ছিঙি মহিলাৰ মৃত্যু ঃ উদ্ধাৰ অভিযান সমাপ্ত

**নিউজ ব্যুৰ', দেওঘৰ, ১২ এপ্ৰিল ঃ** চাৰিজন লোকে প্ৰাণ হেৰুৱালে ঝাৰখণ্ডৰ দেওঘৰত সংঘটিত ৰ'পৱে'ৰ দুৰ্ঘটনাত। আজি পুৱা উদ্ধাৰ অভিযান অব্যাহত থকাৰ সময়তে ৰছী ছিঙাৰ ফলত এগৰাকী মহিলাৰ মৃত্যু হয়। ৰছী ছিঙাৰ ফলত মহিলাগৰাকী কে'বাশ ফুট তলৰ পাহাৰৰ শিলাখণ্ডত আছাৰ খাই পৰে। ফলত গুৰুতৰভাৱে আহত হয় তেওঁ। ততাতৈয়াকৈ মহিলাগৰাকীক হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে তেওঁ মৃত বুলি ঘোষণা কৰে। ইয়াৰ ফলত দুৰ্ঘটনাত নিহতৰ সংখ্যা চাৰিজনলৈ বৃদ্ধি পালে। কালি উদ্ধাৰ



অভিযান চলি থকাৰ সময়তে বায়ুসেনাৰ হেলিকপ্টাৰৰ পৰা দলিয়াই দিয়া ৰছীৰ পৰা হাত পিচলি এজন লোক প্ৰায় ১৫শ ফুট তলত পৰাত তেওঁ থিতাতে নিহত হৈছিল। আনহাতে, দেওবাৰে দুৰ্ঘটনাৰ সময়তে দুগৰাকী মহিলা নিহত হৈছিল। ইপিনে, আজি উদ্ধাৰ অভিযান সমাপ্ত হয়। দেওঘৰ আৰক্ষীৰ অতিৰিক্ত আয়ুক্তই জনাইছে যে প্ৰায় ৪৮ ঘণ্টাৰ উদ্ধাৰ অভিযানত ৰ'পৱে'ৰ ট্ৰলীত আবদ্ধ হৈ থকা আন সকলোকে নিৰাপদে উদ্ধাৰ কৰা হৈছে। নিশাৰ ভাগত উদ্ধাৰ অভিযান বন্ধ আছিল।

## মুছলমানসকলক সন্মান সহকাৰে জীয়াই থাকিবলৈ দিয়ক ঃ কৰ্ণাটকত সাম্প্ৰদায়িক উত্তেজনাক লৈ ক'লে য়েডিয়ুৰাপ্পাই



**নিউজ ব্যুৰ', বাংগালুৰু, ১২ এপ্ৰিল ঃ** 'হিন্দু আৰু মুছলমানসকলে ভ্ৰাতৃৰ দৰে বাস কৰিব লাগে। তেওঁলোকে অনৈক্যৰ পৰিৱেশ সৃষ্টি কৰাটো বন্ধ কৰিব লাগে আৰু মুছলমানকে ধৰি সকলোকে সন্মান সহকাৰে জীয়াব দিব লাগে। কিছু সংখ্যক দুৰ্বৃত্তই সমাজত অশান্তিৰ সৃষ্টি কৰিছে।' এইদৰে আজি কয় কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী য়েডিয়ুৰাপ্পাই। ৰাজ্যখনত আইন হাতত তুলি লোৱাসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব বুলি বৰ্তমানৰ মুখ্যমন্ত্ৰী বাসৱাৰাজ বোম্মায়ে লগতে য়েডিয়ুৰাপ্পাই নিশ্চিতি দিছে। একাংশ হিন্দু সংগঠনে মুছলমান ব্যৱসায়ীসকলক বৰ্জনৰ বাবে অহৰহ প্ৰচাৰ চলাই থকাৰ মাজতে জ্যেষ্ঠ নেতাদ্বয়ৰ এই মন্তব্য স্বাভাৱিকতে গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।



## গ্ৰীষ্ম প্ৰৱাহত দহিছে দিল্লী

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** গ্ৰীষ্ম প্ৰৱাহত দগ্ধ হৈছে দিল্লী। ৭২ বছৰৰ ভিতৰত এপ্ৰিলৰ প্ৰথম সপ্তাহত দিল্লীত এইদৰে সৰ্বাধিক তাপমাত্ৰা বিৰাজ কৰে বুলিও বতৰ বিজ্ঞান কেন্দ্ৰই কয়। কালি দিল্লীত পাঁচ বছৰৰ ভিতৰত এপ্ৰিলত সৰ্বাধিক আছিল তাপমাত্ৰা। বতৰ বিজ্ঞান কেন্দ্ৰৰ মতে এপ্ৰিলত প্ৰথম দিনবোৰত দিল্লীত গ্ৰীষ্ম প্ৰবাহে জীয়াতু ভোগাব। সচৰাচৰ তাপমাত্ৰাতকৈ দুগুণ অধিক হ'ব দিল্লীৰ তাপমাত্ৰা। ২০১৭ত এইদৰে ছদিন গ্ৰীষ্ম প্ৰৱাহত দিল্লী দহিছিল। বতৰ বিজ্ঞান কেন্দ্ৰৰ মতে ডাৱৰৰ বাবে এই গা জ্বলি-পুৰি যোৱা গ্ৰীষ্মৰ উত্তাপ কিছু পৰিমাণে সহ্যকৰ হ'ব বুলিও আশা প্ৰকাশ কৰা হৈছে। চলিত বৰ্ষৰ এপ্ৰিলতে দিল্লীয়ে প্ৰথমটো গ্ৰীষ্ম প্ৰৱাহৰ সন্মুখীন হ'ল। উল্লেখ্য যে ইমিতধ্যে দিল্লীত এই গ্ৰীষ্ম প্ৰৱাহৰ বাবে হালধীয়া সতৰ্কবাণী অৰ্থাৎ সাৰধান হৈ থাকিবলৈ কোৱা হৈছে। উল্লেখ্য যে সমতল অঞ্চলত সৰ্বাধিক তাপমাত্ৰ ৪০ ডিগ্ৰী চেলছিয়াছ অতিক্ৰম কৰিলে আৰু স্বাভাৱিকতকৈ কমেও ৪.৫ ডিগ্ৰী বেছি থাকিলে গ্ৰীষ্ম প্ৰবাহ ঘোষণা কৰা হয়। বিগত সপ্তাহৰ পৰাই দেশৰ ৰাজধানীত এইদৰে গ্ৰীষ্মৰ উত্তাপে জ্বলা-কলা খুৱাইছে। বৰষুণ নোহোৱাৰ বাবে উত্তৰ-পশ্চিম ভাৰতত দীঘলীয়া খৰাঙৰ বাবে গৰম আৰহাওৱা বিৰাজ কৰিছে। উত্তৰ-পশ্চিম ভাৰত আৰু মধ্য ভাৰতৰ অঞ্চলসমূহত এপ্ৰিলত সঘনাই গ্ৰীষ্ম প্ৰৱাহ হ'ব বুলি কোৱা হৈছে।

## পাঠানকোঠ, পুলৱামা কাণ্ডৰ মূল নায়কক সন্ত্ৰাসবাদী আখ্যা ভাৰতৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ এপ্ৰিল ঃ** ২০১৬ৰ পাঠানকোট কাণ্ডৰ মূলনায়ক তথা সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ আলী কাছিফ জান আৰু মহিউদ্দিন ঔৰংজেৱ আলংগিৰক অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত সন্ত্ৰাসবাদীৰূপে ঘোষণা কৰা হয়। জেইএমৰ অপাৰেচনেল কমাণ্ডাৰ আৰু কৰ্ণধাৰ পৰিকল্পনা কমিটীৰ সদস্য আলী কাছিফ জান খাইবাৰ পাখতুনখোৱাৰ চাৰছাদ্দাৰ বাসিন্দা। ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাই দাখিল কৰা অভিযোগনামাত কোৱা হৈছে যে আলী কাছিফে ফোনযোগে সন্ত্ৰাসবাদীৰ স'তে অহৰহ যোগাযোগ ৰক্ষা কৰিছিল। পাঠানকোঠৰ বায়ুসেনা বাহিনীৰ ঘাটিত আক্ৰমণৰ সময়তো তেওঁ এইদৰে সক্ৰিয় হৈ আছিল। গৃহ মন্ত্ৰণালয়ৰ জাননী অনুসৰি এই সন্ত্ৰাসবাদীজনে ভাৰতত সংগঠনটোৰ হৈ প্ৰশিক্ষণ তথা আক্ৰমণৰ পৰিকল্পনাৰ বাবে সদস্য অন্তৰ্ভুক্তিত জড়িত আছিল। আনহাতে, আন এজন সন্ত্ৰাসবাদীক আলমগিৰ ওৰফে মুজাহিদ ভাই জেইএমৰ এজন জ্যেষ্ঠ সদস্য তথা ২০১৯ত ৪০জন চিআৰপিক জোৱানক হত্যা কৰা পুলৱামাৰ ঘটনাৰ স'তে জড়িত আছিল। তেওঁ পাকিস্তানৰ বাহাৱালপুৰৰ বাসিন্দা আৰু সন্ত্ৰাসবাদী সংগঠনটোৰ মুৰব্বী মৌলানা মাছুদ আজহাৰৰ ভ্ৰাতৃ। পাঠানকোঠ আৰু



পুলৱামাৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ মূল পৰিকল্পকক ভাৰতে সন্ত্ৰাসবাদীৰূপে চিনাক্ত কৰা জাননীত কোৱা হৈছে যে আলমগিৰে জেইএমৰ হৈ ভাৰত বিৰোধী সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত থকাৰ উপৰি পাকিস্তানৰ নাগৰিকক পৰা সংগঠনৰ বাবে পুঁজি সংগ্ৰহৰ লগতে এই পুঁজিক কাশ্মীৰলৈ প্ৰেৰণৰ দায়িত্ব আছিল।



## দুবছৰৰ পাছত মুকলি হ'ব পিণ্ডাৰী ট্ৰেকৰ পথ

**নিউজ ব্যুৰ', কলকাতা, ১২ এপ্ৰিল ঃ** ট্ৰেকিঙৰ বাবে ভাৰতৰ ভিতৰত অন্যতম আকৰ্ষণীয় স্থান হৈছে উত্তৰাখণ্ড। পাহাৰীয়া পথৰ লগতে এই ৰাজ্যৰ একাধিক হিমবাহত ট্ৰেকিঙৰ সুযোগ আছে। ক'ভিডৰ বাবে প্ৰায় দুবছৰ ধৰি উত্তৰাখণ্ডৰ তিনিটা হিমবাহৰৰ ট্ৰেকৰ পথ বন্ধ হৈ আছিল। অৱশেষত অহা ১৫ এপ্ৰিলৰ পৰা এই পথ তিনিটা খুলি দিয়াৰ সিদ্ধান্ত লৈছে স্থানীয় প্ৰশাসনে। উল্লেখ্য যে কুমায়ুন অঞ্চলত প্ৰধানকৈ হিমবাহত ট্ৰেক কৰিবলৈ যায় পৰ্যটকে। এই পথ তিনিটা হৈছে পিণ্ডাৰী, কাফানি আৰু সুন্দৰধুনগা। আগন্তুক ১৫ এপিলৰ পৰা ১৫ জুনলৈ এই তিনিটা হিমবাহত ট্ৰেক মুকলি থাকিব। আকৌ ১৫ ছেপ্টেম্বৰৰ পৰা ১৫ অক্টোবৰলৈ ইয়াত ট্ৰেকিং কৰিব পাৰিব। চৰকাৰী তথ্য অনুসৰি, এই তিনিটা ট্ৰেকৰ ভিতৰত পিণ্ডাৰী ট্ৰেক সবাতোকৈ জনপ্ৰিয়। কিয়নো ইয়াত ট্ৰেক কৰা তুলনামূলকভাৱে সহজ বুলি বিশেষজ্ঞই মত প্ৰকাশ কৰে। এই তিনিটা ট্ৰেকৰ বাবে পৰ্যটন বিভাগৰ পৰা পৃথকে অনুমতি পত্ৰ গ্ৰহণ কৰিব লাগিব।

## কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উমৈহতীয়া প্ৰৱেশিকা পৰীক্ষাক লৈ বিতৰ্ক অব্যাহত



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ এপ্ৰিল ঃ** কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে উমৈহতীয়া প্ৰৱেশিকা পৰীক্ষা (চিইউচিইটি) প্ৰত্যাহাৰৰ দাবী জনাই তামিলনাডু বিধানসভাত প্ৰস্তাৱ গৃহীত হয়। কেন্দ্ৰীয় চৰকাৰে বলপূৰ্বক এই পৰীক্ষা জাপি দিছে বুলি তামিলনাডুৰ দলসমূহ সৰৱ হ'লেও আজি বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউজিচি)ৰ অধ্যক্ষ এম জগদীশ কুমাৰে দাবী কৰিছে যে একাধিক ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহে এই পৰীক্ষাত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। আৰম্ভণিতে দেশৰ ৪৫খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় এই পৰীক্ষাৰ আওতাত থাকিলেও যি ধৰণে ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহে আগ্ৰহ প্ৰকাশ কৰিছে তালৈ চাই আগন্তুক সময়ত শিক্ষাৰ্থীসকলৰ সন্মুখত অধিক বিকল্প মুকলি হ'ব বুলি আশা প্ৰকাশ কৰে ইউজিচি কৰ্তৃপক্ষই। তেওঁলোকৰ মতে এই পৰীক্ষাৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ বাবে দেশজুৰি অধ্যয়নৰ সুযোগ বৃদ্ধি পাব। মূলতঃ বিশ্ববিদ্যালয় স্তৰত শিক্ষাৰ্থীক এটা পৰীক্ষাৰ জৰিয়তে দেশজুৰি থকা কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত যিকোনো এখনত অধ্যয়নৰ সুযোগ দিবলৈ চিইউচিইটি পৰীক্ষা প্ৰৱৰ্তনৰ সিদ্ধান্ত লয় কেন্দ্ৰই।

## কাইৰ'ত চিবিআইৰ জালত নীৰৱ মোদীৰ বিশ্বস্ত সহযোগী সুভাষ

**নিউজ ব্যুৰ', মুম্বাই, ১২ এপ্ৰিল ঃ** নীৰৱ মোদী বেংক জালিয়াতি গোচৰত বৃহৎ সাফল্যৰ দাবী কৰিলে চিবিআয়ে। কে'বা হেজাৰ কোটি টকাৰ জালিয়াতিৰ গোচৰত অভিযুক্ত মোদীৰ সোঁহাতৰূপে চিহ্নিত সুভাষ শংকৰক কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাটোৱে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। মিছৰৰ কাইৰ'ত গ্ৰেপ্তাৰ কৰাৰ পাছত ইতিমধ্যে সুভাষক মুম্বাইলৈ অনা হৈছে বুলিও চিবিআইৰ তদন্তকাৰী বিষয়াই সদৰী কৰিছে। আদালতত হাজিৰ কৰাই চিবিআয়ে তেওঁক নিজৰ জিম্মাত বিচাৰিব। উল্লেখ্য যে কে'বা হেজাৰ কোটিৰ বেংক জালিয়াতিৰ গোচৰৰ অন্যতম অভিযুক্ত সুভাষ হৈছে প্ৰধান অভিযুক্ত মোদীৰ 'ফায়াৰষ্টাৰ ডায়মণ্ড' নামৰ কোম্পানীটোৰ বিত্ত বিভাগৰ উপ-মহাপ্ৰবন্ধক। তদন্তকাৰী বিষয়াৰ মতে, ধৃত সুভাষ হৈছে মোদী আৰু মেহুল ছ'ক্সীৰ ১৩ হেজাৰ কোটিৰ কেলেংকৰিৰ অন্যতম কাৰিকৰ। সুভাষৰ মাধ্যমেৰেই ৰাষ্ট্ৰীয়কৃত বেংকত হেজাৰ হেজাৰ কোটি টকাৰ জালিয়াতিৰ ষড়যন্ত্ৰ ৰচা হৈছিল। ২০১৮ত তেওঁ মিছৰলৈ পলায়ন কৰে। সেই বছৰেই চিবিআইৰ আবেদন মানি ইন্টাৰপ'লে মোদী, ছ'ক্সী আৰু সুভাষৰ বিৰুদ্ধে ৰেড কৰ্ণাৰ জাননী জাৰি কৰিছিল। কাইৰ'ত আত্মগোপন কৰি থকা সুভাষক গ্ৰেপ্তাৰ কৰাৰ পাছতে তেওঁৰ প্ৰত্যৰ্পণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ইয়াৰ পাছতে চিবিআইৰ দল এটাই কাইৰ'ত উপস্থিত হৈ তেওঁক মুম্বাইলৈ আনি আজি চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰায়।



## সাফল্যৰ কৃতিত্ব ঃ এশ কৰ্মচাৰীক গাড়ী উপহাৰ দিলে চেন্নাইৰ এক তথ্যপ্ৰযুক্তি কোম্পানীয়ে

**নিউজ ব্যুৰ', চেন্নাই, ১২ এপ্ৰিল ঃ** কোম্পানীৰ প্ৰতি আনুগত্যৰ পুৰস্কাৰ লাভ কৰিলে এশ কৰ্মচাৰীয়ে। চেন্নাইৰ এটা তথ্যপ্ৰযুক্তি কোম্পানীয়ে নিজৰ উন্নতি আৰু সাফল্যত অৱদান ৰখাৰ বাবেই এই এশ কৰ্মচাৰীক একোখনকৈ গাড়ী উপহাৰ দিলে। উক্ত কোম্পানীত মুঠ পাঁচশ কৰ্মচাৰী আছে। কোম্পানীৰ স্বত্বাধিকাৰী মুৰলি বিবেকানন্দই জনায় যে গাড়ী উপহাৰ দিয়া এশ কৰ্মচাৰীয়ে বিগত এটা দশক ধৰি কোম্পানীটোৰ উন্নতি তথা সাফল্যৰ হকে নিজৰ উজাৰ কৰি দিছিল। তেওঁ কয়, 'আমি তেওঁলোকক গাড়ী উপহাৰ দিয়া নাই। সেই কৰ্মচাৰীসকলে নিজৰ যোগ্যতাৰেই এই গাড়ী লাভ কৰিছে।' বিবেকানন্দই লগতে জনায় যে সাত বছৰৰ পূৰ্বে কোম্পানীয়ে লক্ষ্যপূৰণ কৰিব পাৰিলে কৰ্মচাৰীসকলক ডাঙৰ উপহাৰ দিব বুলি তেওঁ ঘোষণা কৰিছিল। আগন্তুক দিনত আৰু কৰ্মচাৰীক উপহাৰ দিয়া হ'ব বুলিও তেওঁ সদৰী কৰে।



## খাৰুপেটীয়াত দুৰ্ঘটনাত নিহত এজন

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১২ এপ্ৰিল ঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ অন্তৰ্গত আলিকাষত ১৫ নম্বৰ ঘাইপথত আজি এক শোকাবহ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত এজন লোক থিতাতে নিহত হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। যোৱা নিশা ১১ বজাত ১৫ নম্বৰ ঘাইপথেৰে এজন পথচাৰী খোজকাঢ়ি গৈ থকা অৱস্থাত মঙলদৈ অভিমুখে গৈ থকা তীব্ৰ বেগী আৰ জে -০২ জি বি - ০১৮৪ নম্বৰৰ মালবাহী ট্ৰাকখনে মহটিয়াই নিয়ে। ফলত থিতাতে নিহত হয় পথচাৰীজন। খবৰ পোৱাৰ মাত্ৰকে আৰক্ষীৰ দল এটা ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে এতিয়ালৈকে মৃত লোকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই। বৰ্তমান মৃতদেহটো মঙলদৈ অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখা হৈছে।

## আজাৰাৰ দোকানে-পোহাৰে নকল গামোচা ব’হাগী মেলাৰ বিপণীতো পয়োভৰ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১২ এপ্ৰিল ঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ আগমনক লৈ উথপথপ পৰিৱেশৰ সৃষ্টি হৈছে। শ্ৰদ্ধা আৰু মৰম-চেনেহৰ প্ৰতীক বিহুৱান যাচিবলৈ প্ৰতিগৰাকী অসমীয়াই আগ্ৰহেৰে অপেক্ষা কৰি আছে বিহুলৈ। ইতিমধ্যে ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে আজাৰা ৰাজহ চক্ৰৰ বৃহত্তৰ অঞ্চলটোৰ থলুৱা শিপিনীসকলেও বজাৰত উলিয়াই দিছে থলুৱা গামোচা। অথচ ইয়াৰ বিপৰীতে সমগ্ৰ অঞ্চলটোৰ দোকানে-পোহাৰে ভৰি পৰিছে বহিঃৰাজ্যৰ পৰা অহা নকল গামোচা। অকল সেয়াই নহয় শেহতীয়াকৈ অঞ্চলটোৰ শ্যামভূমি খেলপথাৰত অনুষ্ঠিত ‘অসমী



ব’হাগী মেলা’তো থলুৱা গামোচাৰ লগতে নকল গামোচাৰ সমাহাৰ ঘটাত সচেতন ৰাইজ আচৰিত হৈছে। উল্লেখ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিহুত থলুৱা গামোচা ব্যৱহাৰ কৰিবলৈ ৰাজ্যবাসীক আহ্বান জনোৱাৰ সময়তে বিভিন্ন দোকানে-পোহাৰে এনেদৰে বহিঃৰাজ্যৰ গামোচা বিক্ৰী হ’বলৈ ধৰাতো আচৰিত কথা। আনকি চৰকাৰী পৃষ্ঠপোষকতাত গঢ়ি উঠা ‘ব’হাগী মেলা’ত বহিঃৰাজ্যৰ গামোচা বিক্ৰী কৰিবলৈ লোৱাটো চৰম দুৰ্ভাগ্যৰ কথা। উল্লেখ্য যে শ্যামভূমি খেলপথাৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কামৰূপৰ জিলা প্ৰকল্প প্ৰবন্ধন গোটৰ উদ্যোগত যোৱা ১০ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ ‘অসমী ব’হাগী মেলা’ অনুষ্ঠিত হয়। মেলাৰ কাপোৰৰ বিপণী এখনত বহিঃৰাজ্যৰ গামোচা কিদৰে বিক্ৰী কৰিবলৈ পালে বুলি প্ৰশ্ন কৰাত উদ্যোক্তাসকলৰ এগৰাকী বিষয়াই বিক্ৰী কৰিব পাৰে বুলি ব্যক্ত কৰা ঘটনাই থলুৱা শিপিনীৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপিত হৈছে।

## বকোৰ শিংৰাত দুৰ্ঘটনাত মৃত্যু নগৰবেৰাৰ নাইটৰৰ যুৱকৰ

**আলোপতি, ১২ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ শিংৰাত আজি এক পথ দুৰ্ঘটনাত শোকাৱহভাৱে মৃত্যু হয় এজন যুৱকৰ। নগৰবেৰাৰ নাইটৰ গাঁৱৰ তছেৰ আলীৰ পুত্ৰ আব্দুছ ছালাম আনছাৰীয়ে য়ামাহা মটৰ চাইকেলেৰে আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা এখন মহিন্দ্ৰা পিকআপে খুন্দিওৱাত থিতাতে নিহত হয় যুৱকজন। আনছাৰীৰ বাহনত থকা আজিৰুণ বেগম নামৰ আন এগৰাকী যুৱতী গুৰুতৰভাৱে আহত হয়। বকো অৰক্ষীয়ে যুৱতীগৰাকীক উদ্ধাৰ কৰি বকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰি মহিন্দ্ৰা পিকআপখন পলায়ন কৰে। বকো আৰক্ষীয়ে গাড়ীখন বিচাৰি অনুসন্ধান অব্যাহত ৰাখিছে। ২২ বছৰীয়া যুৱকজনৰ মৃত্যুৰ খবৰে শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে পৰিয়ালৰ লগতে অঞ্চলটোত।

## গোৱালপাৰাত হস্ততাঁত-বস্ত্ৰশিল্প বিভাগৰ অভিযান

### চাৰি সহস্ৰাধিক পাৱাৰ লুম গামোচা



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ এপ্ৰিল ঃ** ৰঙালী বিহুৰ প্ৰাক্ ক্ষণত গোৱালপাৰা চহৰত আজি অভিযান চলাই হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে প্ৰায় চাৰি সহস্ৰাধিক পাৱাৰ লুম গামোচা জব্দ কৰে। বালিজানা ৰাজহ চক্ৰৰ বিষয়া অমৰজ্যোতি নাথ, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ গোৱালপাৰাৰ সহকাৰী সঞ্চালক মাধৱ শৰ্মা আৰু উপ-সঞ্চালক আব্দুল হালিমৰ নেতৃত্বত গোৱালপাৰা চহৰৰ বাপুজীনগৰ আৰু বৰোবজাৰৰ ছয়-সাতখন দোকানত অভিযান চলাই প্ৰায় চাৰি সহস্ৰাধিক পাৱাৰ লুম গামোচা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে সম্প্ৰতি গোৱালপাৰা চহৰকে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তত বহিঃৰাজ্যৰ পৰা অহা অতি নিম্নমানৰ পাৱাৰ লুম গামোচাৰে ভৰি পৰাৰ ফলত স্থানীয় শিপিনীসকলে মূৰে কপালে হাত দিবলগীয়া হৈছে। ইপিনে, আজিৰ লেখীয়াকৈ কাইলৈও হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে পাৱাৰ লুম গামোচাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিব।

## জামুগুৰিহাটৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা গুণাভিৰাম নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ এপ্ৰিল ঃ** জামুগুৰিহাটৰ জমিদাৰীচুক গাঁও নিবাসী জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা নদুৱাৰ ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি গুণাভিৰাম নাথ (৮৬)ৰ আজি মৃত্যু হয়। যোৱা কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা নাথে আজি দিনৰ প্ৰায় ১১ বজাত শেষ নিশ্বাস ত্যাগ কৰে। যুৱ অৱস্থাৰ পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত জড়িত হৈ পৰা নাথে কংগ্ৰেছৰ বেয়া দিনতো দলৰ হৈ নিষ্ঠাৰে কাম কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ নদুৱাৰ ব্লক কংগ্ৰেছৰ সভাপতিৰ দায়িত্বও পালন কৰিছিল। ইয়াৰ উপৰি অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ উপ-সভাপতি, অন্যান্য পিছপৰা উন্নয়ন ব’ৰ্ডৰ তেজপুৰ জিলা কমিটীৰ সদস্য, নদুৱাৰ যোগী সন্মিলনৰ উপ-সভাপতি, জমিদাৰী চুক গাঁও উন্নয়ন সমিতিৰ সভাপতিকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল নাথ। নাথৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## মঙলদৈ আদৰ্শ বিদ্যালয়ত প্ৰাক ৰঙালী বিহু উদ্‌যাপন

বিশেষ সংবাদদাতা

**মঙলদৈ, ১২ এপ্ৰিল ঃ** দৰঙৰ ওন্দোলাঝাৰস্থিত পূব মঙলদৈ আদৰ্শ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে আজি প্ৰাক ৰঙালী বিহু উদ্‌যাপন কৰে। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ কুলদীপ কলিতাৰ তৎপৰতাত আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগিতাত প্ৰাক ৰঙালী বিহু আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হয়। অনুষ্ঠানত জিলা শিক্ষা বিভাগৰ প্ৰকল্প অভিযন্তা ধ্ৰুৱজ্যোতি নাথ, সাংবাদিক আছাদ আলীৰ লগতে স্থানীয় ৰাইজ তথা অভিভাৱকসকলেও অংশগ্ৰহণ কৰে। প্ৰাক ৰঙালী উদ্‌যাপন উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিহু নৃত্যৰ উপৰি বিহুৰ স’তে সংগতি ৰাখি বিভিন্ন খাদ্য সম্ভাৰৰ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, ৰচনা প্ৰতিযোগিতা, ঢোলবাদন, দলীয় নৃত্য আদি অনুষ্ঠিত কৰা হয়। আনহাতে, অনুষ্ঠানৰ শেষত বক্তব্য প্ৰসংগত বিদ্যালয়ৰ অধ্যক্ষজনে অসমীয়া কলা-সংস্কৃতি ৰক্ষাৰ দৰে এটি মহান উদ্দেশ্য আগত ৰাখিয়েই তেওঁলোকে এনে এটি অনুষ্ঠান ৰঙালী বিহুৰ প্ৰাকক্ষণত বিদ্যালয়ত অনুষ্ঠিত কৰিছে বুলি মত পোষণ কৰে।

## তেজপুৰত এছইউচিআইৰ প্ৰতিবাদ

ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ১২ এপ্ৰিল ঃ** ৰাজ্য তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যালয়সমূহত বলপূৰ্বক হিন্দী ভাষা জাপি দিয়া আৰু ইংৰাজীক বাদ দি কেৱল হিন্দীক চৰকাৰী ভাষা কৰাৰ চক্ৰান্তৰ বিৰুদ্ধে এছইউচিআই (কমিউনিষ্ট)ৰ অসম ৰাজ্যিক কমিটীৰ আহ্বানত সমগ্ৰ ৰাজ্যৰ লগতে তেজপুৰতো আজি বিক্ষোভ প্ৰদৰ্শন কৰা হয়। দলৰ শোণিতপুৰ জিলা কমিটীৰ উদ্যোগত দুপৰীয়া এক বজাত তেজপুৰ আদালত চাৰিআলিত দলৰ ভালেসংখ্যক কৰ্মী সমৱেত হৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যালয়সমূহত জোৰকৈ হিন্দী জাপি দিয়াৰ চক্ৰান্ত বন্ধ কৰক, ভাষাৰ নামত মানুহক বিভক্ত কৰাৰ ষড়যন্ত্ৰ বন্ধ কৰক, মাতৃভাষাৰ লগতে প্ৰথম শ্ৰেণীৰ পৰাই গুৰুত্ব সহকাৰে ইংৰাজী ভাষা শিক্ষা প্ৰৱৰ্তন কৰক, ইংৰাজীক বাদ দি হিন্দীক চৰকাৰী ভাষা কৰাৰ চক্ৰান্তৰ বিৰুদ্ধে গৰ্জি উঠক। হিন্দী ভাষা জোৰকৈ জাপি দি বিভাজনৰ ৰাজনীতি কৰা নচলিব’ আদি শ্ল’গানেৰে আদালত চাৰিআলি উত্তাল কৰি তোলে।

## নিৰুদ্দেশৰ ঘটনাক কেন্দ্ৰ কৰি বজালীৰ শালদহ গাঁৱত প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১২ এপ্ৰিল ঃ** বজালী জিলাৰ অন্তৰ্গত শালদহ গাঁৱৰ যুৱক মৃন্ময় দাস যোৱা আঠ এপ্ৰিলৰ পৰা নিৰুদ্দেশ হৈ আছে। নিজ শালদহ হাইস্কুলৰ পৰা সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা দাসৰ নিৰুদ্দেশৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা আঠ এপ্ৰিলত শালদহ গাঁৱত এক সামাজিক অনুষ্ঠান অনুষ্ঠিত হৈছিল। অনুষ্ঠান সামৰণি পৰাৰ পাছতে কোনোবা অচিনাকি বন্ধুৰ স’তে মৃন্ময় দাসক চাইকেলেৰে গৈ থকা প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। তাৰ পাছৰে পৰাই নিৰুদ্দেশ হৈ আছে দাস। দাসৰ নিৰুদ্দেশৰ খবৰ বিয়পি পৰাৰ লগে লগে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় সমগ্ৰ শালদহ গাঁৱত। পৰিয়ালৰ লোক তথা স্থানীয় ৰাইজে জনোৱা মতে, একে গাঁৱৰে এগৰাকী যুৱতীৰ স’তে প্ৰেমৰ সম্পৰ্ক আছিল দাসৰ। কিন্তু কিছুদিন পূৰ্বে যুৱতী গৰাকী আৰু দাসৰ প্ৰেমৰ সম্পৰ্কত ফাঁট মেলে। বনগাঁৱৰ এজন যুৱকৰ স’তে নতুনকৈ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে যুৱতীগৰাকীৰ। বনগাঁৱৰ উক্ত যুৱকজনে দাসক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পূৰ্বে ভাবুকি প্ৰদান কৰিছিল বুলি জানিবলৈ দিছে পৰিয়ালৰ লোকে। পৰিয়ালৰ লোকৰ লগতে স্থানীয় ৰাইজৰ সন্দেহ এয়া নিৰুদ্দেশ নহয় এয়া পৰিকল্পিত অপহৰণৰ ঘটনা।

## দৰং জিলা লোকশিল্পী কল্যাণ নিধিৰ উদ্যোগত দৰঙী বিয়ানাম প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ১২ এপ্ৰিল ঃ** দৰং জিলা লোকশিল্পী কল্যাণ নিধিৰ উদ্যোগত অহা আঠ আৰু ন ব’হাগত দেওমৰনৈ শ্ৰীশ্ৰীশিয়ালা বৈষ্ণৱ সত্ৰ প্ৰাংগণত আয়োজন কৰা হৈছে দৰঙী বিয়ানাম প্ৰতিযোগিতা। দেওমৰনৈ শ্ৰীশ্ৰীশিয়ালা গোসাঁই দেউল মহোৎসৱ উদযাপন সমিতিৰ সহযোগিত আয়োজন কৰিব লগা প্ৰতিযোগিতাত দৰং আৰু ওদালগুৰি জিলাৰ (অবিভক্ত দৰং জিলা) যিসকল শিল্পীয়ে ইতিমধ্যে কল্যাণ নিধিত নাম পঞ্জীয়ন কৰিছে তেওঁলোকে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। উল্লেখ্য যে খ্ৰীষ্টিয় দশম-একাদশ শতিকাতে আৰম্ভ হোৱা দৰঙৰ দেউল উৎসৱৰ ঐতিহ্য-পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে এইবাৰ বিশেষ আঁচনি গ্ৰহণ কৰি ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকা, জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেন ডেকা, সাংবাদিক ৰঞ্জিত কুমাৰ নাথ আৰু দৰং জিলা পৰিষদৰ প্ৰাক্তন সদস্য জয়ন্ত চহৰীয়াক লৈ দৰঙৰ দেউল উৎসৱ তদাৰকী সমিতি গঠন কৰি দিয়ে আৰু তেওঁলোকে এই আঁচনি ৰূপায়ণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰি অগ্ৰসৰ হৈছে। দৰঙৰ দেউল উৎসৱৰ প্ৰতিষ্ঠাতা ধৰ্মদেৱ বিপ্ৰ ভূঞাদেৱে দেওমৰনৈত সত্ৰ প্ৰতিষ্ঠা কৰি ব’হাগৰ ন তাৰিখে দেউল পাতিছিল। এই দেউল উৎসৱৰ লগত সংগতি ৰাখি লোকশিল্পী কল্যাণ নিধিয়ে এই বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল এশ টকা নিৰ্ধাৰণ কৰা হৈছে। এটা দলত নিম্নতম পাঁচগৰাকী আৰু উচ্চতম ১০গৰাকী সদস্য থাকিব পাৰিব। পাৰদৰ্শিতাৰ ভিত্তিত মুঠ পাঁচটা দলক নগদ ধনৰ পুৰস্কাৰ যথাক্ৰমে পাঁচ হেজাৰ, চাৰি হেজাৰ, তিনি হেজাৰ, দুহেজাৰ, এহেজাৰ টকাসহ মান পত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হ’ব। আনহাতে, ইতিমধ্যে কল্যাণ নিধিত পঞ্জীয়নপ্ৰাপ্ত শিল্পীসকলক এই অনুষ্ঠানতে স্বীকৃতি পত্ৰ প্ৰদান কৰা হ’ব। এটি প্ৰতিযোগী দলে বিয়ানাম পৰিৱেশনৰ বাবে আঠ মিনিট সময় নিৰ্ধাৰণ কৰা এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৭০৮৬৮৫৬৫১৬ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি কল্যাণ নিধিৰ সচিবদ্বয় মুকুট চন্দ্ৰ হাজৰিকা আৰু মৃণাল কুমাৰ ৰাজবংশীয়ে জানিবলৈ দিছে।

## নগাঁৱৰ আৰক্ষী অধীক্ষক হিচাপে লীনা দলেৰ যোগদান

বিশেষ সংবাদদাতা

**নগাঁও, ১২ এপ্ৰিল ঃ** নগাঁও জিলাৰ আৰক্ষী অধীক্ষক হিচাপে মহিলা আৰক্ষী বিষয়া লীনা দলেই যোগদান কৰিছে। আজি সন্ধিয়া লীনা দলেই নগাঁৱৰ আৰক্ষী অধীক্ষক হিচাপে যোগদান কৰে। ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ পৰা দলেয়ে আৰক্ষী অধীক্ষকৰ দায়িত্ব চমজি লয়। উল্লেখ্য যে বিগত দুমাহ ধৰি নগাঁৱৰ আৰক্ষী অধীক্ষকৰ পদটো খালী হৈ আছিল। দলেয়ে যোগদান কৰা সময়ত নগাঁৱৰ অন্যান্য আৰক্ষী বিষয়াসকল উপস্থিত থাকে। দলেয়ে নগাঁৱৰ আৰক্ষী অধীক্ষক হিচাপে যোগদান কৰাৰ পাছত নগাঁও ৰাইজৰ এক দীঘলীয়া উৎকণ্ঠাৰ অন্ত পেলাইছে।

## নগাঁৱত অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ পাৱাৰ স্প্ৰে মেচিন-চিলাই মেচিন বিতৰণ

বিশেষ সংবাদদাতা

**নগাঁও, ১২ এপ্ৰিল ঃ** অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ উদ্যোগত আজি উদ্যমী মহিলাসকললৈ একোটাকৈ চিলাই মেচিন আৰু উদ্যমী কৃষকসকলৰ মাজত খেতি পথাৰত সাৰ-কীটনাশক আদি স্প্ৰে কৰিবলৈ তথা কৃষকসকলৰ সুবিধা হ’ব পৰাকৈ একোটাকৈ পাৱাৰ স্প্ৰে মেচিন বিতৰণৰ আৰম্ভ কৰে অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাসে। ইয়াৰ পূৰ্বেও অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ তৰফৰ পৰা ম’বাইল টেবলেট, সূতা, গেছ চৌকা, পেছাৰ কুকাৰ, চ’লাৰ প্লেট আদি বিতৰণ কৰি আহিছে। বিতৰণ কাৰ্যসূচীত অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড



নগাঁৱৰ অধ্যক্ষ নৰেন দাস, বিজেপি নগাঁও জিলা কাৰ্যনিৰ্বাহক সদস্য ৰুবুৰ শৰ্মা, অনুসূচিত জাতি উন্নয়ন বৰ্ডৰ পৰিদৰ্শক অভিজিৎ ফুকন, অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ সদস্য হীৰকজ্যোতি দাস, অনুপম দাস আদি উপস্থিত থাকে। পৰৱৰ্তী সময়তো অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ তৰফৰ এনেধৰণৰ সামগ্ৰী বিতৰণৰ কাৰ্যসূচী অব্যাহত থাকিব বুলি অধ্যক্ষ দাসে জানিব দিছে। সামগ্ৰী বিতৰণৰ কাৰ্যসূচীত ৩০ টাকৈ স্প্ৰে মেচিনৰ লগতে ৫০ টাকৈ চিলাই মেচিন বিতৰণ কৰা হয়।

## জামুগুৰিহাটৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা গুণাভিৰাম নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ এপ্ৰিল ঃ** জামুগুৰিহাটৰ জমিদাৰীচুক গাঁও নিবাসী জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা নদুৱাৰ ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি গুণাভিৰাম নাথ (৮৬)ৰ আজি মৃত্যু হয়। যোৱা কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা নাথে আজি দিনৰ প্ৰায় ১১ বজাত শেষ নিশ্বাস ত্যাগ কৰে। যুৱ অৱস্থাৰ পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত জড়িত হৈ পৰা নাথে কংগ্ৰেছৰ বেয়া দিনতো দলৰ হৈ নিষ্ঠাৰে কাম কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ নদুৱাৰ ব্লক কংগ্ৰেছৰ সভাপতিৰ দায়িত্বও পালন কৰিছিল। ইয়াৰ উপৰি অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনৰ উপ-সভাপতি, অন্যান্য পিছপৰা উন্নয়ন ব’ৰ্ডৰ তেজপুৰ জিলা কমিটীৰ সদস্য, নদুৱাৰ যোগী সন্মিলনৰ উপ-সভাপতি, জমিদাৰী চুক গাঁও উন্নয়ন সমিতিৰ সভাপতিকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল নাথ। নাথৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## নগাঁৱত ‘গান্ধাৰ’ৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত সংগীত মহাসমাৰোহৰ প্ৰস্তুতি

### সৰ্বমুঠ পাঁচ লাখ টকাৰ পুৰস্কাৰ ঃ প্ৰদান কৰা হ’ব বিভিন্ন বঁটা

বিশেষ সংবাদদাতা

নগাঁও, ১১ এপ্ৰিল ঃ নগাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান ‘গান্ধাৰ’ৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো সংগীত মহাসমাৰোহৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। নগাঁও চহৰৰ নিকটৱৰ্তী ডিমৰুগুৰিৰ পৰিবহণ নিগম বাকৰিৰ ডেকা পণ্ডিত দেৱ মহন্ত সোঁৱৰণী অস্থায়ী ক্ষেত্ৰত এইবেলি সুৰৰত্ন যজ্ঞ বেজবৰুৱাৰ সোঁৱৰণত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত সংগীত মহাসমাৰোহখন অনুষ্ঠিত হ’ব। অহা ২৯ এপ্ৰিলৰ পৰা তিনি মে’লৈকে অনুষ্ঠিত হ’ব লগা এই ১৬ সংখ্যক মহাসমাৰোহত জ্যোতি সংগীত, বিষ্ণু ৰাভা সঙ্গীত, পাৰ্বতি প্ৰসাদ বৰুৱা গীত, ভূপেন হাজৰিকা গীত, জয়ন্ত হাজৰিকা, মহম্মদ ৰফি, কিশোৰ কুমাৰ, লতা মংগেশকাৰ, জুবিন গাৰ্গৰ গীত আৰু অসমীয়া আধুনিক ন-পুৰণি চিৰসেউজ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। কাৰ্যসূচী অনুসৰি, ২৯ এপ্ৰিলৰ পুৱা ন বজাত ‘গান্ধাৰ’ৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি বিষ্ণুৰাম মেধিয়ে। ইয়াৰ পাছতে শিল্পীসকলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ, মঞ্চ উদ্বোধন আদিৰ অন্তত পুৱা ১১ বজাৰ পৰা সংগীত প্ৰতিযোগিতা আৰম্ভ হ’ব। উদ্‌যাপন সমিতিৰ প্ৰচাৰ সম্পাদক জয়ন্ত বৰাই জনোৱা মতে, নিতৌ পুৱা ১০ বজাৰ পৰা নিশা ১০ বজালৈকে অনুষ্ঠিত হ’ব লগা সংগীত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলক এইবাৰ ক্ৰমে ১০ বছৰৰ তলত ‘গান্ধাৰ শাখা’, ১০ বছৰৰ পৰা ১৪ বছৰৰ তলত ‘ভূপেন্দ্ৰ শাখা’, ১৪ বছৰৰ পৰা ১৮ বছৰৰ তলত ‘জ্যোতি বিষ্ণু শাখা’, ১৮ বছৰৰ পৰা ২৬ বছৰৰ তলত ‘ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা শাখা’ আৰু ২৬ বছৰৰ ঊৰ্ধ্বসকলক ‘শংকৰ-মাধৱ শাখা’ৰূপে বিভক্ত কৰা হ’ব। প্ৰতিটো শাখাৰ প্ৰতিটো গীতৰ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত প্ৰতিযোগীক ক্ৰমে পাঁচ হেজাৰ, তিনি হেজাৰ আৰু দুহেজাৰকৈ পুৰস্কাৰৰূপে প্ৰদান কৰাৰ উপৰি শ্ৰেষ্ঠ কণ্ঠশিল্পী, শ্ৰেষ্ঠ হাৰমনিয়াম বাদক, শ্ৰেষ্ঠ তবলা বাদক আৰু শ্ৰেষ্ঠ গীটাৰ বাদকক আকৰ্ষণীয় ট্ৰফীৰে পুৰস্কৃত কৰা হ’ব। প্ৰতিযোগিতা সম্পৰ্কত সবিশেষ জানিবৰ বাবে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰদালি বৰকাকতি মজুমদাৰ ফোন-৮৬৩৮১৩৩১৪৪, প্ৰধান সম্পাদক প্ৰদীপ বৰা ফোন-৮৮২২০৮০৯২২ অথবা সাংস্কৃতিক সম্পাদিকা দীপ্তি শইকীয়া ফোন-৯৩৬৫১০৫২৮৬ৰ স’তে যোগাযোগ কৰিবলৈ উদ্‌যাপন সমিতিয়ে অনুৰোধ জনাইছে। ইফালে, তিনি মে’ৰ বিয়লি দুই বজা পৰ্যন্ত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ অন্তত বঁটা বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ’ব। নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী মুখ্য অতিথি, গুৱাহাটীৰ জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব লগা এই অনুষ্ঠানৰ লগত সংগতি ৰাখি কে’বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা, আদৰ্শ মাতৃ, যুৱ প্ৰেৰণা বঁটা প্ৰদান কৰা হ’ব। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, কবি ‘গুৱাহাটী’ জীৱন শইকীয়াক ‘গান্ধাৰ সাংস্কৃতিক বঁটা’, শিল্পী অনুপ বৰুৱাক ‘নগাঁও লোকশিল্পী বঁটা’ প্ৰদানৰ উপৰি নাট পৰিচালক, বোলছবি প্ৰযোজিকা, ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়া গাৰ্গ আৰু সাংস্কৃতিক উন্নয়ন বিষয়া সৌৰভ পানীফুকনক বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে নিৰু দেৱী, আৰতি মজুমদাৰ, নিকুমণি মহন্তক ‘প্ৰিয়দৰ্শিনী আদৰ্শ মাতৃ বঁটা’ আৰু নিতৃষ্ণা কুমাৰ, জ্যোতি আদিত্য নাথক ‘যুৱ প্ৰেৰণা বঁটা’ প্ৰদান কৰা হ’ব।

No.CG.99/Medicine/2021-22/ 95

**QUOTATION NOTICE**

Sealed quotations affixing Court Fee Stamp of Rs. 8.25 (Rupees eight and paisa twenty five) only are hereby invited from the intending Registered Firms / Suppliers / Individuals / other Contractors who are financially sound for ***Supply of Medicine, Medical equipment etc.*** for normal office functioning and maintenance work of the Directorate of Civil Defence and Home Guards, Assam, Beltola, Guwahati-28 for the year 2022-2023 and will be received by the undersigned or by his authorized agent up to 14:00 hours on 05th May, 2022 The quotations will be opened on the same day or the next day in case it happens to be a holiday at the office of Director General of Civil Defence and Commandant General of Home Guards, Assam, Beltola, Guwahati-28 at 15:30 hours. The interested quotationers or their authorized agents may be present at the time of opening quotations.

**Terms & Conditions.**

1. Rates against different items should be quoted visibly either by pen or type writing in figures and in words. Any correction must be attested with signature by the quotationers. There should not be any over writing / ensure in rates.
2. The quoted rates should exclude GST / other Govt. duties / taxes and include all other charges on delivery to the O/o. the Director General of Civil Defence and Commandant General of Home Guards, Assam, Beltola, Guwahati-28.
3. The rate should be F.O.R destination (i.e. at DGCD & CGHG office, Beltola) inclusive of packing, transportation, and other ancillary expenses. GST/ Tax etc. if any, should be shown separately at the time of submission of bill against supply order on acceptance of quoted rate.
4. Rate quoted will be valid for the Financial Year 2022-23 ending 31-03-2023.
5. Each quotation must be accompanied by Earnest Money of Rs. 10,000.00 (Rupees ten thousand) only duly pledged in favour of the undersigned in the form of FDR / Bank Guarantee valid for a period of 6 (six) months. Earnest Money of unsuccessful quotationers shall be refunded after finalization of the quotations. Successful quotationers may convert the Earnest Money to Security Money if so desired.
6. Transfer of Earnest Money deposited on earlier occasions to this Directorate will not be considered as Earnest Money deposited for this purpose.
7. The quotation must be accompanied with copy of PAN, GST Registration Certificate, Labour License issued by the competent authority. All relevant supporting document should be self attested by concerned quotationer.
8. Quotationer must also furnish attested copy of Trade License issued by the competent authority.
9. Rates quoted by the firm must be justified with market rates.
10. The successful quotationer will be required to execute an ‘Agreement’ with the undersigned and deposit an amount of Rs. 20,000.00 (Rupees twenty thousand) only as Security Deposit in the form of Bank Gurantee / FDR of Bank valid till 31-03-2023 before commencement of supply.
11. The successful quotationer must be in position to supply the articles immediately as and when required. In default, his quotation and Agreement will be cancelled and the Earnest Money / Security Deposit amount will be forfeited. The successful quotationer will have to submit Transit Pass / Challan of Forest Department while making supply of forest / timber materials.
12. The undersigned reserves the right not to place any order even after execution / acceptance of the formal contract agreement and for which no claim or compensation whatsoever will be entertained.
13. The undersigned is not bound to accept the lowest rate quotation and may reject any or all the quotations without assigning any reason thereof.
14. While quoting rates, the quotationer must mention the Make / Brand / Model etc. of individual articles / goods for which rates are quoted along with detailed specifications, leaflet, if any.
15. The sealed cover containing the quotation should be superscribed as ***Supply of Medicine, Medical equipment etc.*** Name / Address / Telephone Number of the Tenderer / Bidder / Quotationer should be written on the cover bearing the quotation.
16. Detailed particulars may be collected from Stationery Branch of the office of the Director General of Civil Defence and Commandant General of Home Guards, Assam, Beltola, Guwahati-28 during working hours up to 04th May, 2022 on payment of Rs. 500.00 (Rupees five hundred) only through uncrossed Indian Postal Order in favour of the undersigned.
17. In case of any dispute between the Firm / Supplier / Contractor and the undersigned, the decision of the Director General of Civil Defence and Commandant General of Home Guards, Assam will be final and binding on the parties.
18. All the legal proceedings arising out of any dispute between the parties shall be settled within the territorial jurisdiction of Guwahati.
19. The approved quotationer will be solely responsible for the replacement of any damaged / defective articles within the warranty period.
20. Audited Financial Statement of the quotationer for last 2 (two) Financial Years certified by Chartered Accountant should be submitted.
21. Income Tax Return of last 2 (two) Financial Years should be furnished.
22. Certificate, if any, about experience of executing supply of similar items to any Govt. department / agency during last 2 (two) years may be submitted.
23. Non Blacklisting Affidavit should be submitted.
24. An Index of documents attached with the quotation should be submitted.

Sd/-

Director General, CD
&
Commandant General, HGs, Assam

Janasanyog/C/490/22

# বানত বুৰিব বৰঝাৰ বিমানকোঠকে ধৰি আজাৰা অঞ্চল

## ■বাৰিষা সমাগত ■ পৰিষ্কাৰ কৰা নাই পানী পৰিবাহী ■ ৰাইজৰ ক্ষোভ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১২ এপ্ৰিল ঃ** সমাগত বাৰিষাৰ প্ৰাক্‌মুহূৰ্ততো পানী পৰিবাহী নলা-নৰ্দমাসমূহ পৰিষ্কাৰ নকৰাৰ ফলত কৃত্ৰিম বানপানীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠকে ধৰি বৃহত্তৰ আজাৰা অঞ্চলৰ নাগৰিক জ্বলা-কলা দেখুওৱাটো প্ৰকট হৈ পৰিছে উল্লেখ্য যে বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠৰ পৰা এছঅ'এছ দাঁতিয়েদি গড়ল হৈব্ৰহ্মপুত্ৰ সংযোগী এটি বৃহৎ পানী পৰিবাহী নলা আছে। উক্ত নলাটোৰ ঠায়ে ঠায়ে মাটিৰে পুনৰাই বন্ধ কৰি দিয়া হৈছে । ঠিক তেনেদৰে আজাৰাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰে ৰোৱা কালমণি নামৰ ধৰাটো বন্ধ কৰি দিয়া আৰু মিৰ্জাপুৰ অঞ্চলৰ মাজেৰে ৰোৱা জলসিঞ্চন বিভাগৰ পৰিত্যক্ত ধৰাটো বন্ধ হৈ থকাত সমগ্ৰ অঞ্চলটো এইবেলিও পুনৰ কৃত্ৰিম বানৰ গৰাহত পৰাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে এছ অ' এছৰ দাঁতিয়েদি যোৱা নলাটোৰ পানী কমি যোৱাত মাছ মৰাৰ বাবে এচাম লোকে ঠায়ে ঠায়ে নলাটো মাটি পেলাই বন্ধ কৰি ৰাখিছে। তদুপৰি পানী মেটেকা আৰু গছৰ ডালৰে ভৰি আছে নলাটো। যাৰবাবে বাৰিষাৰ সময়ত নলাটোৰে পানী ওলাই যোৱাত বাধাৰ সৃষ্টি হ'ব। যদি এইকেইদিনৰ ভিতৰতে পানী পৰিবাহী নলাটো পৰিষ্কাৰ কৰি তোলা নহয় তেন্তে বাৰিষাৰ সময়ত বৰঝাৰ বিমানবন্দৰকে ধৰি বৃহত্তৰ আজাৰাৰ বহু অঞ্চল কৃত্ৰিম বানত বুৰ যোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। আনহাতে, আজাৰাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰে যোৱা কালমণি নামৰ নৈখন বৰ্তমান মৃত্যুৰ গৰাহত। আনহাতে নৈখনৰ কোনো কোনো অংশক এচাম লোকে ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে। ফলত অঞ্চলটোৰ অতিৰিক্ত পানীভাগ ওলাই যোৱাৰ কোনো ব্যৱস্থা নাই। আকৌ মিৰ্জাপুৰ অঞ্চলৰ মাজেৰে যোৱা জলসিঞ্চন বিভাগৰ পৰিত্যক্ত নলাটোও এচাম লোকে ঠায়ে ঠায়ে বন্ধ কৰি দিছে। ফলত সেই অঞ্চলৰ পানীও ওলাই যোৱাৰ কোনো ব্যৱস্থা নোহোৱা হৈছে। এনে অৱস্থাত আগন্তুক দিনত সমগ্ৰ অঞ্চলটো বানৰ কবলত পৰাৰ সম্ভাৱনাই দেখা দিছে।



# মাকুম পৌৰসভাত বিপাশা বৰা পৌৰপতি, তীৰ্থৰাজ প্ৰসাদৰ উপ-পৌৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১২ এপ্ৰিল ঃ** ৰাজ্যৰ বিভিন্ন নগৰসমূহত অনুষ্ঠিত পৌৰসভা নিৰ্বাচনত বহুসংখ্যক উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে জয়লাভ কৰিছে। সমান্তৰালকৈ মাকুম পৌৰসভাৰ সাত নম্বৰ নাৰ্ডৰ পৰা নিৰ্বাচিত হোৱা উচ্চশিক্ষিত যুৱতী বিপাশা বৰাৰ পৌৰপতিত্বৰে কালি মাকুম পৌৰসভা গঠন হয়। ইফালে, মাকুম পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্বাচিত হোৱা তীৰ্থৰাজ প্ৰসাদক উপ-পৌৰপতি হিচাপে নিৰ্বাচিত কৰা হয়। মাকুম পৌৰসভাৰ সভাকক্ষত নতুনকৈ গঠন কৰা মাকুম পৌৰসমিতিয়ে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ ৰামেশ্বৰ তেলী আৰু ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেন ফুকনেও মাকুম পৌৰসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। উল্লেখ্য যে ইতিমধ্যে দুটাকৈ বিষয়ত স্নাতকোত্তৰ কৰি এম ফিলৰ বাবে চেষ্টা চলাই থকাৰ উপৰি সংগীত, নৃত্যৰ লগতে সাংস্কৃতিক ক্ষেত্ৰত জড়িত নৱনিৰ্বাচিত পৌৰপতি বিপাশা বৰাৰ নেতৃত্বত মাকুম পৌৰসভাই মাকুম নগৰখনৰ উন্নয়নৰ ক্ষেত্ৰত সবলভাৱে কাম কৰিব বুলি সকলোৱে আশা কৰাৰ কথা অৱগত কৰে বিধায়ক ফুকনে। ইফালে, দীৰ্ঘদিন ধৰি চৰ্চাত থকা তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি হিচাপে জয়ন্ত বৰুৱা আৰু উপ-পৌৰপতি হিচাপে নৱনীতা আগৰৱালাৰ নাম ঘোষণা কৰে।

### তিনিচুকীয়া পৌৰসভাত জয়ন্ত বৰুৱাক পৌৰপতি, নৱনীতা আগৰৱালাক উপ-পৌৰপতি ৰূপে নাম ঘোষণা

# লোহাৰঘাটৰ মাটাইখাৰত চোৰাং কাঠভৰ্তি ট্ৰাক জব্দ বন বিভাগৰ



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১২ এপ্ৰিল ঃ** পলাশবাৰী আৰক্ষী থানা তথা পশ্চিম কামৰূপ বন সংমণ্ডলৰ লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত মাটাইখাৰ অঞ্চলত কালি বন বিভাগে এক অভিযান চলাই অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ পৰা অবৈধভাৱে সৰবৰাহ কৰা এখন নম্বৰবিহীন চোৰাং কাঠভৰ্তি ট্ৰাক জব্দ কৰে। এই জব্দকৃত বাহনখন ইতিমধ্যে লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ত ৰখা হয় বুলি জনায় বন বিষয়া ছেমিম আখটাৰে। খবৰ মতে, মূল্যবান, শালকাঠ আৰু অকাঠি কাঠভৰ্তি বাহনত থকা এই কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ১০ লাখ টকা হ'ব। উল্লেখ্য যে অঞ্চলটোত সঘনাই একাংশ চোৰাং কাঠৰ কাৰবাৰীয়ে বন বিভাগৰ চকুত ধূলি দি অসম-মেঘালয় অঞ্চলৰ পৰা চোৰাং কাঠৰ দৌৰাত্ম্য অব্যাহত ৰাখিছে।

# গৃহমন্ত্ৰী অমিত শ্বাহৰ ঘোষণাৰ বিৰোধিতা মিঞা পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ এপ্ৰিল ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত অতি শীঘ্ৰে হিন্দীক চৰকাৰী কাম-কাজৰ ভাষাত পৰিণত কৰাৰ বিষয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সংসদৰ ভাষা সম্পৰ্কীয় কমিটীত কৰা মন্তব্যৰ বিৰোধিতা কৰিছে অসম-মিঞা (অসমীয়া)পৰিষদে। এই সন্দৰ্ভত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি এম মহৰ আলীয়ে এক প্ৰেছ বিবৃতিযোগে কয় যে যি মিঞাই বৃটিছৰ বিৰুদ্ধে মৰি মৰি যুজি দেশ স্বাধীন কৰিছে। অসমীয়া জাতি প্ৰতিষ্ঠা কৰিছে। অসমক ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিছে। অসমীয়াক মাতৃ ভাষা, ৰাজ্যিক ভাষা, মাধ্যম ভাষা হিচাপে প্ৰতিষ্ঠা কৰিছে অসমক পাকিস্তান আৰু পশ্চিমবংগৰ লগত চামিল কৰাৰ পৰা ৰক্ষা কৰিছে সেইসকল খিলঞ্জীয়া মিঞাই যি কোনো মূল্যৰ বিনিময়ত কেন্দ্ৰীয় চৰকাৰৰ উক্ত ষড়যন্ত্ৰ প্ৰতিহত কৰিবলৈ প্ৰস্তুত আছে বুলি প্ৰেছ বিবৃতিটোত উল্লেখ কৰিছে এম মহৰ আলীয়ে।

# মহানন্দ পাঠক গোৱালপাৰা পৌৰসভাৰ সভাপতি নিৰ্বাচিত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ এপ্ৰিল ঃ** গোৱালপাৰা পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰ আয়ুক্তসকলৰ কালি শপত গ্ৰহণ অনুষ্ঠিত হয়। এই ক্ষেত্ৰত পৌৰসভাৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত প্ৰটেম সভাপতি হিচাপে ১৫ নম্বৰ ৱাৰ্ডৰ সদস্য সত্যনাৰায়ণ দেশোৱালাই ৱাৰ্ড কমিছনাৰসকলক শপত বাক্য পাঠ কৰায়। ইপিনে, জিলা উপায়ুক্ত মিনাক্ষী দাস নাথ, স্থানীয় বিধায়ক তথা গোৱালপাৰা পৌৰসভাৰ পদেন এ কে ৰছিদ আলমৰ উপস্থিতিত অনুষ্ঠিত সভাখনত বিজেপিৰ সদস্য হিচাপে ১৬ নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্বাচিত হোৱা মহানন্দ পাঠক পৌৰসভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ বিপৰীতে একে দলৰ পৰাই নিৰ্বাচিত হোৱা আঠ নম্বৰ ৱাৰ্ডৰ সদস্যা মামণি দাস মল্লিক উপ-সভানেত্ৰী হিচাপে নিৰ্বাচিত হয়। উল্লেখ্য যে গোৱালপাৰা পৌৰসভাৰ ১৯ টা ৱাৰ্ডৰ ভিতৰত বিজেপিয়ে ১০টা, কংগ্ৰেছে পাঁচটা অগপই এটা আৰু তিনিটা ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হৈছিল। ইপিনে, সভাপতি পদত বিজেপিৰ মহানন্দ পাঠক আৰু দুই নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্বাচিত হোৱা অগপৰ একমাত্ৰ সদস্য কল্যাণ কুমাৰ দাসে সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে উপ-সভাপতি পদৰ বাবে বিজেপিৰ মামণি দাস মল্লিক আৰু ১৭ নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্বাচিত হোৱা নিৰ্দলীয় সদস্য ধনজীৱ প্ৰসাদ ৰাভাই প্ৰতিদ্বন্দ্বিতা কৰে। ইয়াৰে পাঠকে ১২টা ভোট লাভ কৰাৰ বিপৰীতে কল্যাণ কুমাৰ দাসে আঠটা ভোট লাভ কৰে। আনহাতে, উপ-সভাপতি পদত মামণি দাস মল্লিকে ১১টা ভোট লাভ কৰাৰ বিপৰীতে ধনজীৱ প্ৰসাদ ৰাভাই নটা ভোট লাভ কৰে। উল্লেখ্য যে পদেন সদস্য হিচাপে স্থানীয় বিধায়কজনে ভোটদান কৰে। ইপিনে, অসমক পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত স্থান দিয়াৰ বাবে মুখ্যমন্ত্ৰীৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰেই গোৱালপাৰা পৌৰসভাৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰিব বুলি নৱনিৰ্বাচিত সভাপতি পাঠকে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে।

# বাংকাকাটা আঞ্চলিক ৰঙালী বিহু-সুঁৱৰি উৎসৱ

**ছয়গাঁও, ১২ এপ্ৰিল ঃ** বাংকাকাটা আঞ্চলিক ৰঙালী বিহু সন্মিলন আৰু সুঁৱৰি উৎসৱ ১৭, ১৮ এপ্ৰিলত উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। উৎসৱ পৰিচালনা কৰাৰ বাবে প্ৰাঞ্জল কাকতিক সভাপতি, হিতেশ কলিতাক সাধাৰণ সম্পাদক, শংকৰ কলিতাক সাংস্কৃতিক সভাপতি আৰু বিকাশ কলিতাক সাংস্কৃতিক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ১৭ এপ্ৰিলত দিনত গোপাল স্থাপন, বিষ্ণু পূজা আৰম্ভ, দধি মন্থন আৰু নিশা যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১৮ এপ্ৰিলত পুৱা বিহু পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, ছহিদ তৰ্পণ, বৃক্ষৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা, মুকলি ভেশচন, সাহিত্য প্ৰতিযোগিতা, সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব মঞ্চ দাতা ভূমিধৰ কলিতাই। বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান শেষ হোৱাৰ পাছত নিমন্ত্ৰিত শিল্পীৰ বাবেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সমূহ কাৰ্যসূচীত ৰাইজৰ সহযোগিতা আৰু উপস্থিতি উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# হাউলীত ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**হাউলী, ১২ এপ্ৰিল ঃ** সদৌ হাউলী ৰঙালী বিহুৰ উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ১৮ আৰু ১৯ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ৪৪ সংখ্যক ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। ৰঙালী বিহু সুচাৰুৰূপে পৰিচালনা কৰিবলৈ উপেন দাসক সভাপতি, মহাদেৱ দাসক কাৰ্যকৰী সভাপতি আৰু উৎপল ৰায়ক সাধাৰণ সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। উদ্‌যাপন সমিতিয়ে জনোৱা মতে, অহা ১৮ এপ্ৰিলত পুৱা ন বজাত ৰঙালী বিহুৰ পতাকা উত্তোলন কৰিব ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি উপেন দাসে। পুৱা ৯-১৫ বজাত স্মৃতি তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মহাদেৱ দাসে। পুৱা ৯-২৫ বজাত সংগ্ৰামী নেতা নিশিথ দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব নিশিথ দাসৰ ভ্ৰাতৃ মুনীন্দ্ৰ দাসে। পুৱা ৯-৩০ বজাত ছহিদ তৰ্পণ আৰু পুৱা ৯-৪৫ বজাত বৃক্ষৰোপণৰ পাছতেই সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হ'ব। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব হাউলী পৌৰসভাৰ কাৰ্যবাহী বিষয়া নিমাশ্ৰী ডাউকাই। বিয়লি তিনিবজাত ডাঃ সুৰেন্দ্ৰ নাথ দাস সোঁৱৰণী মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি উৎপল শৰ্মাই । উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰিব অভিনেত্ৰী মেঘৰঞ্জনীয়ে। । অহা ১৯ এপ্ৰিলত পুৱা ১০ বজাত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল বৰাই। পুৱা ১০-৩০ বজাত পদ্মিনী কলিতা বায়ন সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা, পুৱা ১১ বজাত কমল চন্দ্ৰ বায়ন সোঁৱৰণী ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ছয় বজাত স্মৃতিগ্ৰন্থ 'ব'হাগী' উন্মোচন আৰু বঁটা বিতৰণী অনুষ্ঠানত আদৰণি ভাষণ ৰাখিব ৰঙালী বিহুৰ উদ্‌যাপন সমিতিৰ সভাপতি উপেন দাসে।স্মৃতি গ্ৰন্থ 'ব'হাগী' উন্মোচন কৰিব বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব প্ৰাক্তন মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বৰপেটা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, বি,টি, আৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাসে। নিশা সাত বজাত সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব অসম বিধানসভাৰ প্ৰধান সচিব হেমেন দাসে। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় কণ্ঠ শিল্পী ৰিছা ভৰদ্বাজে।

# বিশ্বনাথত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ব'হাগী মেলা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১২ এপ্ৰিল ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত বিশ্বনাথ নগৰত যোৱা ১০ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে ব'হাগী মেলা। জিলাখনৰ একমাত্ৰ মহিলা আত্মসহায়ক গোট আৰু স্বাৱলম্বী গোটসমূহে থলুৱাভাৱে উৎপাদন কৰা বিভিন্ন সামগ্ৰীসমূহ ব'হাগ বিহুলৈ কেইদিনমান বাকী থকাৰ সময়তে বিশ্বনাথৰ ক্লক টাৱাৰৰ সন্মুখত কাৰ্যবাহী দণ্ডাধীশ দেৱাশীষ গোস্বামী উদ্বোধন কৰে। অনুষ্ঠানত জিলা প্ৰকল্প প্ৰৱন্ধক হাবিবুৰ আহমেদ, সাকোমঠা উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰৱন্ধক পংকজ গাৰ্গৰ লগতে অন্যান্য বিষয়ববীয়া উপস্থিত আছিল। য'ত মুঠ ৭৫ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। আনহাতে, এই ব'হাগী মেলাত বিশ্বনাথৰ বিভিন্ন অঞ্চলৰ লোক আহি ভৰি পৰা পৰিলক্ষিত হয়।

# প্ৰতিমা বিসৰ্জনেৰে সামৰণি বৰবৰীৰ শ্ৰীশ্ৰীবাসন্তী পূজাৰ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১২ এপ্ৰিল ঃ** নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত বৰবৰী থান প্ৰাংগণত অনুষ্ঠিত শ্ৰীশ্ৰীবাসন্তী পূজাৰ প্ৰতিমা কালি পাগলাদিয়া নৈত বিসৰ্জনেৰে সামৰণি পৰে ১০৩ সংখ্যক পূজাৰ। বিজয়া দশমীৰ দিনা খোল, তাল, নাগাৰা বজাই ধৰ্মপ্ৰাণ ৰাইজে বৰমুৰিকোণাত পাগলাদিয়া নৈৰ ঘাটিত প্ৰতিমা বিসৰ্জন দিয়ে। ইপিনে, শ্ৰীশ্ৰীবাসন্তী পূজাৰ লগত সংগতি ৰাখি যোৱা ১০ এপ্ৰিলত নিশা অনুষ্ঠিত হোৱা ঢুলীয়া প্ৰদৰ্শনত শিল্পীৰ নাট মঞ্চস্থ কৰাৰ লগতে বিভিন্ন শাৰিৰীক কুস্তি প্ৰদৰ্শন কৰি উপস্থিত ৰাইজৰ প্ৰশংসা বটলিবলৈ সক্ষম হয়। ইপিনে, পাঁচদিনীয়কৈ অনুষ্ঠিত শ্ৰীশ্ৰী বাসন্তী পূজাত ধৰ্মপ্ৰাণ ৰাইজে আগবঢ়োৱা সহযোগিতাৰ বাবে বৰবৰী থান উন্নয়ন সমিতিয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# চেপন কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ স্মৃতিগ্ৰন্থ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**চেপন, ১২ এপ্ৰিল ঃ** উজনি অসমৰ ঐতিহ্যমণ্ডিত কমোৱা তুলাৰ নগৰ 'চেপন'ৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীয়ে অসম ভিত্তিত অনুষ্ঠিত কৰা 'বিহু স্মৃতিগ্ৰন্থ প্ৰতিযোগিতা-২০২২' ৰ ফলাফলসমূহ আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি, প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ বিবেচিত হয় উজনি অসমৰ ডিব্ৰুগড় জিলাৰ, সদৌ বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ-২০১৯ ৰ উপলক্ষে শিক্ষয়িত্ৰী, সাহিত্যসেৱী ড° পাপৰি কটকীৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'বৰপথাৰ'। প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ স্মৃতিগ্ৰন্থৰূপে বিবেচিত হয় গোলাঘাট জিলাৰ দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত আৰু দুগ্ধচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা 'বৰগছ' নামৰ স্মৃতিগ্ৰন্থখন। আনহাতে, প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ স্মৃতিগ্ৰন্থৰ বঁটাৰ বাবে যোৰহাট জিলাৰ সদৌ অসম সাতবিহু উদ্‌যাপন সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু ইন্দ্ৰানী গগৈৰ দ্বাৰা সম্পাদিত 'সাতবিহু' নামৰ স্মৃতিগ্ৰন্থখন নিৰ্বাচিত হয়। উল্লেখ্য যে চেপন কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীয়ে বিগত ২০১২ৰ পৰা ৰাজ্যিক ভিত্তিত আয়োজন কৰি অহা সন্মানীয় প্ৰতিযোগিতাখনত এইবাৰ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ একুৰিৰো অধিক বিহুসন্মিলনীয়ে অংশগ্ৰহণ কৰিছিল বুলি চেপন কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কৰ্ণধাৰ সমিতিয়ে জানিবলৈ দিয়ে। আনহাতে, 'বিহু স্মৃতিগ্ৰন্থ প্ৰতিযোগিতা-২০১৯' ৰ বিজয়ী বিহু সন্মিলনীসমূহক অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা ঊনত্ৰিংশতিতম্ বাৰ্ষিক চেপন কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ মুকলি সভাত বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব । এই বঁটাত আছে প্ৰথম পুৰস্কাৰ নগদ ৩০ হেজাৰ, দ্বিতীয় পুৰস্কাৰ নগদ ২০ হেজাৰ আৰু তৃতীয় পুৰস্কাৰ নগদ ১০ হেজাৰ টকাৰ প্ৰাইজমানিসহ একোখনকৈ মানপত্ৰ; একোটাকৈ গ্ৰন্থৰ টোপোলা আৰু অন্যান্য উপহাৰৰ টোপোলা। বঁটা বিতৰণী অনুষ্ঠানত বিহু স্মৃতিগ্ৰন্থৰ সম্পাদকসহ উদ্‌যাপন সমিতিৰ সভাপতি- সম্পাদকক উপস্থিত থাকি বঁটা গ্ৰহণ কৰিবলৈ প্ৰতিযোগিতাৰ সমন্বয়ক শৰৎ শেনছোৱাই আহ্বান জনোৱাৰ লগতে ৭০০২৯৫৮৩৯৮ ফোন নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। স্মৰ্তব্য যে বিগত বছৰসমূহৰ দৰে এইবছৰো ' বিহু স্মৃতিগ্ৰন্থ প্ৰতিযোগিতা-২০১৯' ৰ বাবে প্ৰেৰিত স্মৃতিগ্ৰন্থসমূহৰ নিৰ্বাচিত লেখনিসমূহক লৈ চেপন কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন উদ্‌যাপন সমিতিয়ে কৰ্ণধাৰ সমিতিৰ সম্পাদক, সাহিত্যসেৱী মৃদুল ফুকনৰ সম্পাদনাত 'বিষয় বিহু-৮' শীৰ্ষক এখন তথ্যসমৃদ্ধ প্ৰবন্ধ সংকলন প্ৰকাশৰ ব্যৱস্থা কৰিছে।



বৰমাত সমাজপ্ৰাণ মাধৱ চন্দ্ৰ দাসৰ স্মাৰক গ্ৰন্থ উন্মোচন দৃশ্য, মঙলবাৰে।

# গ্ৰামীণ জীৱিকা অভিযান, নলবাৰীৰ উদ্যোগত 'অসম ব'হাগী মেলা'ৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১২ এপ্ৰিল ঃ** 'আত্মনিৰ্ভৰ নলবাৰী'ৰ উদ্দেশ্য আগত ৰাখি কালি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, নলবাৰীৰ উদ্যোগত আয়োজন কৰা হয় অসমী ব'হাগী মেলাৰ। নলবাৰী জিলা পুথিভঁৰাল প্ৰাংগণত আৰম্ভ কৰা এই 'অসমী ব'হাগী মেলা' উদ্বোধন কৰে নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকনে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, নলবাৰীৰ জিলা প্ৰকল্প প্ৰৱন্ধক চন্দন তালুকদাৰে আঁত ধৰা অনুষ্ঠানটোত উপায়ুক্তগৰাকীয়ে আত্মসহায়ক গোটৰ মহিলা সদস্যসকলক ভূয়সী কৰে। উল্লেখ্য যে নলবাৰীৰ আটাইকেইটা উন্নয়ন খণ্ডৰ অন্তৰ্গত অৰ্ধশতাধিক আত্মসহায়ক গোটৰ সদস্যাসকলে উক্ত অসমী ব'হাগী মেলা'ত অংশগ্ৰহণ কৰে। অহা ১৪ এপ্ৰিললৈ চলিবলগীয়া মেলাত তাঁতশালত বনোৱা ভিন্ন ৰঙৰ মেখেলা চাদৰ, গামোচা, ৰিহাৰ লগতে লাৰু-পিঠা, চিৰা-সান্দহ, কোমল চাউল উপলব্ধ হ'ব।

# চাৰিদিনীয়া কাৰ্যসূচীৰে গোৰেশ্বৰ কেন্দ্ৰীয় ৰঙালী বিহুৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ১২ এপ্ৰিল ঃ** সোণালী জয়ন্তী গৰকা তামুলপুৰ জিলাৰ এখন ঐতিহাসিক বিহু হ'ল গোৰেশ্বৰ কেন্দ্ৰীয় ৰঙালী বিহু। ৫৬ টা বসন্ত অতিক্ৰম কৰা গোৰেশ্বৰ কেন্দ্ৰীয় বিহুৱে এইবেলি অহা এক, দুই, তিনি আৰু চাৰি ব'হাগত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰিবলৈ লৈছে ৫৭ সংখ্যক গোৰেশ্বৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ। ন টা উপ-সমিতিৰে গঠন হোৱা উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকলে ইতিমধ্যে যুদ্ধদেহিং মনোভাবেৰে দিন-ৰাতি একাকাৰ কৰি নিজৰ নিজৰ দায়িত্ব পালন কৰি থকা দেখা গৈছে। উদ্‌যাপন সমিতিৰ সভাপতি বিজয় ৰাজবংশী, সম্পাদক পৰমেশ্বৰ ডেকাই জনোৱা অনুসৰি, পহিলা ব'হাগত পুৱা ন বজাত স্থায়ী সমিতি আৰু উদ্‌যাপন সমিতিৰ বিহুৰ পতাকা উত্তোলনেৰে সমূহ কাৰ্যসূচীৰ আৰম্ভণি কৰিব গোৰেশ্বৰ কেন্দ্ৰীয় বিহুৰ স্থায়ী সমিতিৰ সভাপতি ৰবিকুমাৰ ডেকা আৰু উদ্‌যাপন সমিতিৰ সভাপতি বিজয় ৰাজবংশীয়ে। উদ্‌যাপন সমিতিৰ সভাপতিয়ে পতাকা উত্তোলন কৰাৰ লগে লগে আমন্ত্ৰিত ৫৬ গৰাকী বিশিষ্ট ব্যক্তিয়ে একেলগে উত্তোলন কৰিব ৫৬ খন বিহু পতাকা। ইয়াৰ পাছতে ৯.৩০ বজাত স্মৃতি তৰ্পণ কৰিব গোৰেশ্বৰ ৩০খন গ্ৰাম্য বিছনাযুক্ত চিকিৎসালয়ৰ উপ-অধীক্ষক তথা জেষ্ঠ চিকিৎসক ডাঃ নৰ কুমাৰ চক্ৰৱৰ্তীয়ে। স্মৃতি তৰ্পণৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব চিত্ৰাংকন প্ৰতিযোগিতা আৰু মহিলাসকলৰ পিঠা-লাডু বনোৱা প্ৰতিযোগিতা। দুই ব'হাগত সন্ধিয়া সাত বজাত বন্তি প্ৰজ্বলনৰ পাছতে আৰম্ভ হ'ব লগা একাংকিকা নাট প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰিব গুৱাহাটী মালিগাঁৱৰ ৰেল বিভাগৰ কৰ্মচাৰী যমুনা ডেকাই। তিনি ব'হাগত দিনৰ তিনি বজা পৰা আৰম্ভ হ'ব মুকলি বিহু প্ৰতিযোগিতা। মুকলি বিহু প্ৰতিযোগিতাৰ দ্বাৰ উদ্‌ঘাটন কৰিব ৩০ নম্বৰ গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ এম চি এলে পবিত্ৰ কুমাৰ বড়োৱে। প্ৰতিযোগিতাৰ মাজতে উদ্‌যাপন সমিতিৰ দ্বাৰা প্ৰকাশ পাবলগীয়া স্মৰণিকা 'গামখাৰু' উন্মোচন কৰিব পাৰুল ভড়ালী বড়ো। আনহাতে, মুকলি বিহু প্ৰতিযোগিতাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সম্পাদক দিলীপ শইকীয়াই। চাৰি ব'হাগ আবেলি চাৰি বজাৰ পৰা আৰম্ভ হ'ব সৰু বিহুৱতী প্ৰতিযোগিতা। আৰু সন্ধিয়া সাত বজাৰ পৰা গীত, নৃত্য তথা বিভিন্ন জনগোষ্ঠীয় নৃত্য সমাৰোহেৰে আৰম্ভ হ'বলগীয়া বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই। নিশা ১০ বজাত আমন্ত্ৰিত জনপ্ৰিয় কণ্ঠ শিল্পী চয়নিকা ভূঞাৰ গীতৰ অনুষ্ঠানেৰে সামৰণি পৰিব ৫৭ সংখ্যক গোৰেশ্বৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ সমূহ কাৰ্যসূচীৰ। ইপিনে, উদ্‌যাপন সমিতিৰ সাংস্কৃতিক সম্পাদক কবিন ৰাজে জনোৱা অনুসৰি, মুকলি বিহু প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় স্থান প্ৰাপ্ত বিহু দলক ক্ৰমে নগদ ১৫ হেজাৰ আৰু ১০ হেজাৰ নগদ ধনেৰে পুৰস্কৃত কৰাৰ উপৰি হুঁচৰিৰ প্ৰথম আৰু দ্বিতীয় স্থানপ্ৰাপ্ত দলক ক্ৰমে নগদ সাত হেজাৰ আৰু পাঁচ হেজাৰ টকা, শ্ৰেষ্ঠ বিহুৱতী তিনি হেজাৰ, শ্ৰেষ্ঠ বিহুৱা তিনি হেজাৰ, শ্ৰেষ্ঠ ঢুলীয়া তিনি হেজাৰ, শ্ৰেষ্ঠ বাঁহী বাদক দুই হেজাৰ, শ্ৰেষ্ঠ পেঁপা বাদক দুই হেজাৰ, শ্ৰেষ্ঠ গগনা বাদক এক হেজাৰ নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। আনহাতে, একাংকিকা নাট প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় স্থান প্ৰাপ্ত দলক চাৰি হেজাৰ আৰু তিনি হাজাৰ টকা শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠা অভিনেত্ৰী ১৫শ, টকা নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। মুকলি বিহু প্ৰতিযোগিতা আৰু একাংকিকা নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলক সাংস্কৃতিক সম্পাদক কবিন ৰাজৰ ফোন নম্বৰ ৯১০১৯-৫৬১৯৯ অথবা ৮৬৩৮৯-৭৮০৫৪ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# শালবাগানত দুৰ্ঘটনাত শিক্ষকৰ মৃত্যু ঃ চাৰিজন আহত

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১২ এপ্ৰিল ঃ** কালি বিয়লি ডবকা-ডিফু পথৰ ৩৬ নম্বৰ ঘাইপথৰ শালবাগানত এখন নম্বৰ প্লেটবিহীন মহিন্দ্ৰা এক্স ইউভি গাড়ীৰ স'তে দুখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষ হয়। এই দুৰ্ঘটনাত মটৰ চাইকেল আৰোহীজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে চাৰিজন লোক আহত হয়। নিহত লোকজন কাৰ্বি আংলং জিলাৰ হাওৰাঘাটৰ সমীপৱৰ্তী নেপালী বস্তিৰ বিজয় ছেত্ৰী। তেওঁ নগাঁও ৰূপহীৰ এখন বিদ্যালয়ত শিক্ষকতা কৰি আছিল। উক্ত ঘটনাত আহত কেইজন হ'ল সূৰ্য ইংতি, গৌতম টকবি, অচ্যুত দাস আৰু নজমুল হুছেইন।

# বৰভেটি নাথ গাঁৱত ব্যতিক্ৰমী সমূহীয়া উপনয়ন অনুষ্ঠান সম্পন্ন



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১২ এপ্ৰিল ঃ** নগাঁও জিলাৰ বৰভেটিৰ নাথ গাঁৱৰ বুঢ়া নামঘৰত কালি বৰভেটিৰ ধৰ্মপ্ৰাণ ব্যক্তি, সমাজ সংগঠক প্ৰমোদ চন্দ্ৰ নাথ বায়নৰ বিশেষ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত নগাঁও আৰু মৰিগাঁও জিলাৰ আৰ্থিকভাৱে অক্ষম নাথযোগী প্ৰায় ২০জন যুৱকৰ সমূহীয়া উপনয়ন (লগুণ দিয়া কাৰ্য) অনুষ্ঠান উদুলি-মুদুলি পৰিবেশৰ মাজেৰে ব্যতিক্ৰমী ৰূপত সমাপন কৰা হয়। নাথ-যোগী যুৱককেইজনক সম্পূৰ্ণ বৈদিক পৰম্পৰাৰে পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰে প্ৰায় একুৰি যজ্ঞকুণ্ডত পূৰ্ণাহুতিৰে যজ্ঞোপবীত পৰিধান কৰোৱা হয়। এই উপলক্ষে কাছমাৰা-বৰভেটি, টোকোৰাবাৰী, মৰিকলং আৰু মৰিগাঁৱৰ চৰাইবাহী আদি অঞ্চলৰ পৰা আগমন ঘটা ঘৰ্মপ্ৰাণ ভকত-ৰাইজৰ উপস্থিতিত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত আই-মাতৃৰ অংশগ্ৰহণৰে পানীতোলা নোৰনি-উৰুলিৰ ধ্বনিৰে অঞ্চলটো ভক্তিময় হৈ পৰে। কাছমাৰী বহুৱাভেটিৰ খগেন নাথৰ নেতৃত্বত পুৰোহিতৰ দলটোৱে নাথ-যোগী যুৱক দেৱজিৎ নাথ, ভাস্কৰ নাথ, চিৰঞ্জীৱ ৰুদ্ৰজ, গোবিন নাথ, শংকৰ নাথ, যজ্ঞ নাথ, তাপস কুমাৰ নাথ, নিপু নাথ, ঋষভ নাথ, ৰাজু নাথ, কৃষ্ণমণি নাথ আদিক লগুণ দিয়া অনুষ্ঠানভাগ কৰে বুলি উদ্যোক্তাসকলৰ হৈ প্ৰকৃতিপ্ৰেমী মহেশ নাথে জানিবলৈ দিয়ে।

## কৰবী ডেকা হাজৰিকাৰ ‘প্ৰজ্ঞা-পাৰমিতা’ উন্মোচন বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১২ এপ্ৰিল ঃ** অসমৰ এগৰাকী বিশিষ্ট কবি তথা গীতিকাৰ, সাহিত্যিক, ডিব্ৰুগড়ৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকাৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গঠিত সংস্থা ‘দকচিৰি’ৰ উদ্যোগত ডিব্ৰুগড়ৰ নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ সহযোগত এক গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। সাহিত্যিক, গীতিকাৰ, কবিগৰাকীৰ সাহিত্যৰ এক সমীক্ষাত্মক অধ্যয়নৰ লক্ষ্যৰে প্ৰস্তুত কৰি উলিওৱা গ্ৰন্থ ‘প্ৰজ্ঞা পাৰমিতা’ উন্মোচন কৰে অসমৰ জাতীয় জীৱনৰ অভিভাৱক স্বৰূপ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গৱেষক, পণ্ডিত অধ্যাপক ড° নগেন শইকীয়াই। ড° শইকীয়াই গ্ৰন্থখন উন্মোচন কৰি কয় যে কৰবী ডেকা হাজৰিকাৰ গীত আৰু কবিতাই সদায় পাঠকৰ মন জয় কৰি আহিছে। সাম্প্ৰতিক সময়ৰ এগৰাকী শ্ৰেষ্ঠ কবি আৰু গীতিকাৰৰূপে ডেকা হাজৰিকা এক বিশেষ স্থানত অধিষ্ঠিত। ‘প্ৰজ্ঞা পাৰমিতা’ গ্ৰন্থখনৰ মুখ্য সম্পাদক ড° বিভা দত্ত নেওগ, সহকাৰী সম্পাদক ক্ৰমে ড° জীৱন কলিতা, ড° ৰণ্টু দত্তৰ সম্পাদনতাত প্ৰকাশিত। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা এই গ্ৰন্থ উন্মোচন অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লীলাকান্ত নাথ, নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সজীৱানন্দ বৰগোহাঁই, পৰিচালনা সমিতিৰ সভাপতি জ্যোতি বৰগোহাঁই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। বিশিষ্ট কবি প্ৰণয় ফুকন, ডাঃ শান্তনু লহকৰ, ড° গোপাল হাজৰিকা ড° নিৰোদ বৰুৱা, ড° কল্যাণ ভূঞা, ড° কৌস্তুভ ডেকা গৌতম শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত দকচিৰিৰ সদস্য-সদস্যা, মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, শিক্ষাৰ্থী উপস্থিত থাকে। কৰবী ডেকা হাজৰিকাৰ গীত আৰু কবিতা আবৃত্তিৰে কে'বাগৰাকী শিল্পী, কবিয়ে গীত কবিতা পাঠ কৰি অনুষ্ঠানটি মুখৰিত কৰি তোলে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানটিৰ আঁত ধৰে ‘দকচিৰি’ৰ সদস্যা তথা যোৰহাট মহিলা মহাবিদ্যালয়ৰ অধ্যাপক গীতিমণি হাটিমূৰীয়াই। গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত কবি-গীতিকাৰ ড° কৰবী ডেকা হাজৰিকাই নিজৰ মনোভাব ব্যক্ত কৰি সকলোৰে প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

■ উচিত তদন্তৰে দোষীক শাস্তিৰ দাবীত জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

# আমগুৰি পৌৰসভাৰ আন্তঃগাঁথনি উন্নয়নৰ আবন্টিত নিবিদাত অনিয়ম



*গহপুৰত ৰঙালী বিহুৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান, মঙলবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১২ এপ্ৰিল ঃ** যোৱা পাঁচ ফেব্ৰুৱাৰীত পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত শিৱসাগৰ জিলাৰ আমগুৰি পৌৰসভাত অনুষ্ঠিত নিবিদা গ্ৰহণ প্ৰক্ৰিয়াত চৰম দুনীতি হোৱাৰ অভিযোগ তুলি নগৰখনৰ এজন সচেতন যুৱকে জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰা কাৰ্যই নগৰখনৰ উন্নয়নমূলক কামৰ বাবে চৰকাৰী আৱন্টিত ধন আৰু কাম-কাজৰ স্বৰূপ উদঙাইছে। উল্লেখ্য যে আমগুৰি পৌৰসভা অধীনৰ ছয় নম্বৰ ৱাৰ্ডৰ জনতা স্কুলৰ সন্মুখৰ ২.৫ ফুট বহল আৰু ৮০ মিটাৰ দৈৰ্ঘ্যৰ ১০ লক্ষাধিক টকাৰ ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা পকী নলা এটাৰ নিবিদাত সম্পূৰ্ণৰূপে গড়কাপ্তানী (বিল্ডিং) বিভাগৰ নীতি-নিয়ম ভংগ তথা পৌৰসভাৰ নীতি উলংঘা কৰি ৰাজনৈতিক হেঁচা আৰু দুৰ্নীতিৰ আশ্ৰয় লৈ একপক্ষীয়ভাৱে এই নিবিদা বিশেষ ব্যক্তিক আৱন্টন দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে কেৱল মাত্ৰ এখন নিবিদা দাখিল হোৱাৰ পাছত পুনৰ নিবিদা আহ্বানৰ ব্যৱস্থা নকৰি একমাত্ৰ নিবিদা দাখিল কৰাজনকে কামৰ আৱন্টন দিয়াৰ নিয়ম সন্দৰ্ভত শিৱসাগৰ জিলা প্ৰশাসন তথা পৌৰসভা কৰ্তৃপক্ষই কেনেদৰে সম্ভৱ হ'ল কৰিলে সেইটো স্পষ্ট কৰিবলৈ দাবী জনোৱা হৈছে। এই সমগ্ৰ বিষয়টোত এক বৃহৎ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি এই সন্দৰ্ভত শিৱসাগৰ জিলাৰ উপায়ুক্তই এক উচ্চস্তৰীয় দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰি দোষীক শাস্তিৰ দাবী জনাই জিলা উপায়ুক্তলৈ নিম্নলিখিত দাবী সম্বলিত এখন স্মাৰকপত্ৰ যোৱা ১১ এপ্ৰিলত প্ৰদান কৰিছে। নিয়ম অনুযায়ী যদি এখন নিবিদা আবেদনহে আহে তেন্তে পুনৰ নিবিদা গ্ৰহণ কৰিব লাগে। কেৱল মাত্ৰ এখন নিবিদা পেপাৰ দাখিল হোৱাৰ পাছত পুনৰ নিবিদা আহ্বানৰ ব্যৱস্থা নকৰি একমাত্ৰ নিবিদা দাখিল কৰাজনকে কামৰ আৱন্টন দিয়াৰ নিয়ম সন্দৰ্ভত শিৱসাগৰ জিলা প্ৰশাসন তথা পৌৰসভা কৰ্তৃপক্ষক কেনেদৰে সম্ভৱ হ'ল সেইটো স্পষ্ট কৰিবলৈ দাবী জনোৱা হৈছে। এই সমগ্ৰ বিষয়টোত এক বৃহৎ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি এই সন্দৰ্ভত শিৱসাগৰ জিলাৰ উপায়ুক্তই এক উচ্চস্তৰীয় দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰি দোষীক শাস্তিৰ দাবী জনাই জিলা উপায়ুক্তলৈ নিম্নলিখিত দাবী সম্বলিত এখন স্মাৰকপত্ৰ নিবিদা প্ৰদান কৰিছে। নিয়ম অনুযায়ী যদি এখন নিবিদা আবেদনহে আহে তেন্তে পুনৰ টেণ্ডাৰ গ্ৰহণ কৰিব লাগে, যদিহে তিনিবাৰলৈকে এনে ঘটনাৰ পুনৰাবৃত্তি হয় তেন্তে নিবিদা অনুষ্ঠিত কৰা বৰ্ডৰ সিদ্ধান্ত অনুযায়ী একমাত্ৰ নিবিদা আবেদন জনোৱা ঠিকাদাৰক কাম আবণ্টন দিব পাৰি। গতিকে প্ৰথমবাৰতেই এই নিবিদা প্ৰক্ৰিয়াত সম্পূৰ্ণ অনিয়ম হৈছে আৰু অনতিবিলম্বে কামৰ আবন্টন বাতিল কৰি পুনৰ নিবিদা অনুষ্ঠিত কৰাৰ লগতে কাৰ্যবাহী বিষয়াৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক, যিকোনো নিবিদা অনুষ্ঠিত কৰাৰ পূৰ্বে বহুল প্ৰচলিত বাতৰি কাকতত ইয়াৰ বিজ্ঞাপন দিব লাগে; কিন্তু আমগুৰিত কোনো প্ৰভাৱ নথকা এখন কাকতত বিজ্ঞাপন দি এই নিবিদাৰ বিষয়ে জনগণক অন্ধকাৰত ৰখা হ'ল। ভৱিষ্যতৰ দিনত আমগুৰিত বহুল প্ৰচাৰিত কাকতত বিজ্ঞাপন দিবলৈ দাবী জনোৱাৰ লগতে এইবাৰ কিয় এইকেইখন পেপাৰত বিজ্ঞাপন দিয়া নহ'ল তাৰ তদন্ত কৰিবলৈ দাবী জনোৱাৰ লগতে কাৰ্যবাহী বিষয়াজনৰ ক্ষেত্ৰত বিশেষ শাস্তিমূলক ব্যৱস্থাৰ দাবী জনাইছে। নিবিদা অনুষ্ঠিত হোৱাৰ আগদিনাহে বিয়লি ভাগলৈ জাননী ফলকত এই বিষয়ে জনোৱা হৈছে। সম্পূৰ্ণৰূপে কাৰ্যবাহী বিষয়াজনে গুপুত ধনৰ বিনিময় কৰি পূৰ্বৰ তাৰিখ ব্যৱহাৰ কৰি জাননী নামফলত লগোৱাৰো অভিযোগ উঠিছে। যাৰ বাবে বৰ্তমান আমগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াজনৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰি এনে ব্যক্তিক আঁতৰাই এজন কৰ্মদক্ষ বিষয়াক নিযুক্তি দিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে এই পথছোৱাৰ নিৰ্মাণৰ ক্ষেত্ৰত হোৱা অনিয়মৰ পৰিপ্ৰেক্ষিতত ইতিমধ্যে বিভিন্ন সংগঠনেও ব্যৱস্থা গ্ৰহণৰ বাবে জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰিছে। এই অনিয়মৰ বেলিকা জিলা উপায়ুক্তই সঠিক ব্যৱস্থা গ্ৰহণ নকৰিলে নগৰৰ কৰদাতা ৰাইজৰ সহযোগত গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ দিছে।

■ ‘দৈনিক অগ্ৰদূত’ৰ বাতৰিৰ প্ৰভাৱ

## তামুলপুৰ-ঘগ্ৰাপাৰ সংযোগী জৰাজীৰ্ণ পথৰ মেৰামতিৰ ব্যৱস্থা বিধায়কৰ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১২ এপ্ৰিল ঃ** তামুলপুৰ-ঘগ্ৰাপাৰ সংযোগী গড়কাপ্তানী পথৰ দুৰৱস্থাই বিগত বহুদিন ধৰি যাতায়াতৰ ক্ষেত্ৰত জ্বলাকলা খুৱাই আহিছে স্থানীয় ৰাইজক। তামুলপুৰ জিলা সদৰ ঘগ্ৰাচ'কৰ পৰা নলবাৰী জিলাৰ ঘগ্ৰাপাৰ সংযোগী পথছোৱাৰ বিটিআৰৰ অন্তৰ্ভুক্ত ছয়/সাত কিলোমিটাৰ দৈৰ্ঘৰ পথৰ জৰাজীৰ্ণ অৱস্থাই যাতায়তৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজক জ্বলাকলা খুৱাই থকা বাতৰি সবিস্তাৰে ‘দৈনিক অগ্ৰদূত’ত সবিস্তাৰে প্ৰকাশৰ পাছতে বিটিআৰৰ তথা তামুলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সাত কিলোমিটাৰ দৈৰ্ঘ্যৰ জৰাজীৰ্ণ পথছোৱাৰ তৎকালীনভাৱে মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। পথছোৱাত সৃষ্টি হোৱা গাঁতসমূহত শিল বালিৰে পুতি যাতায়াতৰ ক্ষেত্ৰত সাময়িকভাৱে সকাহৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বিধায়ক দৈমাৰীয়ে উল্লেখ্য কৰা তামুলপুৰ-ঘগ্ৰাপাৰ পথছোৱাৰ তামুলপুৰ সমষ্টিৰ অন্তৰ্গত যিখিনি অতি জৰাজীৰ্ণ ৰূপ লৈছে সেইখিনিৰে মেৰামতিৰ বাবে তেওঁ ব্যক্তিগতভাৱে কিছু ব্যৱস্থা গ্ৰহণ কৰিছে। পথছোৱা পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত বিধায়কজনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা বিটিচিৰ কাৰ্যকৰী সম্পাদক প্ৰমোদ বড়োৰ লগত আলোচনা কৰি আঁচনি গ্ৰহণ কৰা হ'ব বুলি কৰে। উল্লেখ্য যে তামুলপুৰ-ঘগ্ৰাপাৰ সংযোগী গড়কাপ্তানী পথটোৰ তামুলপুৰ সমষ্টিৰ অন্তৰ্গত পথছোৱাৰ বহু দিন ধৰি মেৰামতি নকৰাত পথটোৰ জৰাজীৰ্ণ ৰূপ লোৱাত পথটোৰ সম্প্ৰতি যাতায়াতৰ বাবে অনুপযোগী হৈ পৰিছিল।

## ৰমজান মাহত ধৰ্মীয় সংখ্যালঘুৰ মাজত সজল ফাউণ্ডেছনৰ বস্ত্ৰ-খাদ্য সামগ্ৰী বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১২ এপ্ৰিল ঃ** প্ৰতি বছৰৰ দৰে এইবাৰো অসম-বংগ সীমান্তৰ স্বেচ্ছাসেৱী সন্থাৰ সজল ফাউণ্ডেছনে পবিত্ৰ ৰমজান মাহত ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত নতুন বস্ত্ৰ আৰু ইফটাৰৰ খাদ্য সামগ্ৰী বিতৰণ কৰি আছে। ৰমজান মাহ পৰাৰ লগে লগে সজল ফাউণ্ডেছনৰ মুখ্য পৰিচালন সঞ্চালক তথা বিটিআৰৰ পৰিষদীয় সদস্য সজল সিংহই বিটিআৰৰ শ্ৰীৰামপুৰ সমষ্টিৰ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত অঞ্চলৰ দৰিদ্ৰ জনসাধাৰণৰ মাজত নতুন বস্ত্ৰ আৰু ইফতাৰৰ খাদ্য সামগ্ৰী বিতৰণ কৰাই নহয় অঞ্চলটোৰ ৰাস্তা- দলং নিৰ্মাণ কৰাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। তেওঁ ইতিমধ্যে সমষ্টিটোৰ শিমুলটাপু, গৰুমাৰাচৰ, হাউৰিয়াপেট, হাছৰাওবাৰী, ভোমৰাবিল, বুঢ়িচাটাম, সাপকাটা আদি অঞ্চলৰ দৰিদ্ৰ জনসাধাৰণৰ মাজত নতুন শাৰী-লুঙি আৰু ইফটাৰৰ সা- সামগ্ৰী বিতৰণ কৰিছে লগতে শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ অতিকৈ পাছপৰা অঞ্চল চ নম্বৰ গৰুমাৰাচৰৰ ৰাইজৰ যাতায়াতৰ সুৰিধাৰ্থে এটা ৰাস্তা আৰু দুটা কালভাৰ্ট নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ উপৰি ভোমৰা বিলত নদী বান্ধ আৰু এখন পথৰ মেৰামতিৰ কাম আৰম্ভ কৰিছে। সজল সিংহই কালি হাছৰাওবাৰী আৰু বুঢ়িচাটামত সহস্ৰাধিক ৰাইজক শাৰী-লুঙি আৰু ইফটাৰৰ খাদ্য সামগ্ৰী বিতৰণ কৰাৰ লগতে ভোমৰাবিলত এটা নদীবান্ধ আৰু পথ মেৰামতাৰ কামৰ আৰম্ভ কৰে। এই কাৰ্যসূচীৰ লগত ৰাজনীতিৰ কোনো সম্পৰ্ক নাই বুলি উল্লেখ কৰে।

## বিশ্বনাথ জিলা কাৰাগাৰত ইফটাৰৰ খাদ্য বস্তু বিতৰণ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ এপ্ৰিল ঃ** পৱিত্ৰ ৰমজান মাহ উপলক্ষে কালি বিশ্বনাথ জিলা কাৰাগাৰত ৰোজাদাৰ কয়েদীসকলৰ বাবে ইফটাৰৰ খাদ্য বস্তু বিতৰণ কৰে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ চমুকৈ এএছৰ বিশ্বনাথ জিলা সমিতিয়ে। সংগঠনটোৰ এটি সঁজাতী দলে কালি বুট, মুৰি, খেজুৰ কল, আপেল, আঙুৰ, চুজি, গাখীৰ আদি প্ৰয়োজনীয় ইফটাৰৰ খাদ্য বস্তু বাকী থকা ৰমজানৰ দিনকেইটাৰ বাবে প্ৰদান কৰে। উল্লেখ্য যে প্ৰতিবছৰেই ৰমজান মাহত সংখ্যালঘু সংগ্ৰাম পৰিষদে জিলা কাৰাগাৰত ইফটাৰৰ খাদ্য বস্তু বিতৰণ কৰি আহিছে। কাৰ্যসূচীত সংগঠনটোৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক নাজিৰ আহমেদ, বিশ্বনাথ জিলা সমিতিৰ সভাপতি আব্দুল হাকিম চিকদাৰ, সাধাৰণ সম্পাদক আব্দুল ৰহমান, আমান খান, সাংগঠনিক সম্পাদক জয়দ আলী, ছাহিদুৰ ৰহমান, কাদিৰ আনছাৰী আদি উপস্থিত থাকে।

## বিলাসীপাৰাত সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত সভা

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১২ এপ্ৰিল ঃ** আজি পুৱা ১১ বজাত বিলাসীপাৰাৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত মহকুমা প্ৰশাসনৰ উদ্যোগত এক প্ৰস্তুতি সভা অনুষ্ঠিত হয়। বিলাসীপাৰৰ মহকুমা তথ্য আৰু জনসংযোগ বিষয়া স্নিগ্ধাৰাণী দাসে আজি এক প্ৰেছ বিবৃতিযোগে এই কথা জানিবলৈ দিছে। বিলাসীপাৰাৰ মহকুমাধিপতি জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিলাসীপাৰাৰ চক্ৰ বিষয়া ৰূপকমল ৰাভা, চাপৰৰ চক্ৰ বিষয়া কবিতা ডেকা আৰু আটাণিৰ চক্ৰ বিষয়া ৰাবিয়া বেগমৰ লগতে কৃষি বিভাগ, বিদ্যুৎ বিভাগ, খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগ, গড়কাপ্তানী বিভাগ ৰাস্তা, পশুপালন বিভাগ, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়সমূহৰ খণ্ড উন্নয়ন বিষয়াসকল, সমাজ কল্যাণ বিভাগ প্ৰমুখ্যে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। বৈঠকত মহকুমাধিপতিজনে উপস্থিত বিষয়াসকলক সম্ভাব্য বান পৰিস্থিতি মোকাবিলা কৰিবলৈ ভৱিষ্যতৰ প্ৰতিবিধানমূলক ব্যৱস্থাৰ প্ৰতিবেদন এসপ্তাহৰ সপ্তাহৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মহকুমাধিপতিজনে খণ্ড উন্নয়ন বিষয়াসহ ক্ষেত্ৰ বিষয়াসকলক চক্ৰ বিষয়াসকলৰ লগত যোগাযোগ কৰি সজাগতাৰ কাৰণে গাঁও পঞ্চায়ত পৰ্যায়ৰ সজাগতা সভা আয়োজন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত উপস্থিত সকলো ক্ষেত্ৰ বিষয়াসকলক খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ লগত যোগাযোগ ৰাখি, সাহায্য সামগ্ৰী বিতৰণৰ সময়ত যাতে কোনোধৰণৰ ক্ষতি নহয় তাৰ কাৰণে সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আদেশ দিয়ে। মহকুমাধিপতিজনে পশুপালন বিভাগক গৰু, ম'হ, পশুধন ইত্যাদিক প্ৰয়োজন সাপেক্ষে বানপানীৰ পৰা উদ্ধাৰ কৰা সন্দৰ্ভত সঠিক পদক্ষেপ গ্ৰহণ কৰিবলৈ আদেশ দিয়ে। গড়কাপ্তানী বিভাগক ক্ষতিগ্ৰস্ত অঞ্চল চিনাক্তকৰণ আৰু বানপানীৰ পূৰ্বে ৰাস্তাৰ মেৰামতি আৰু কাম সম্পূৰ্ণকৰণ নিশ্চিতকৰণৰ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি সমাজ কল্যাণ বিভাগৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াসকলক বান শিবিৰত মহিলা আৰু শিশুৰ সঠিক প্ৰতিপালনৰ লগত জেষ্ঠ্যসকলক শুশ্ৰূষা কৰিবলৈ আহ্বান জনায়। মহকুমাধিপতিয়ে ক্ষেত্ৰ বিষয়াসকলক খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগত সমন্বয় ৰক্ষা কৰি বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্তসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি মহকুমাধিপতিজনে বৈঠকত উপস্থিত বিষয়াবৰ্গক নিজৰ চক্ৰ বিষয়াসকলৰ স'তে সুস্থ সমন্বয় আৰু যোগাযোগ স্থাপন কৰি বানপানীৰ যিকোনো সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। লগতে সম্ভাব্য বান পৰিস্থিতিক মোকাবিলা কৰাৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হ'ব বুলিও মন্তব্য প্ৰদান কৰে।

## ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী উঃ মাঃ বিদ্যালয়ত দুখন প্ৰাচীৰ পত্ৰিকা-হাতেলিখা মুখপত্ৰ উন্মোচন

**বিশেষ সংবাদ দাতা**

**ডিব্ৰুগড়, ১২ এপ্ৰিল ঃ** ১৮৪০ত প্ৰতিষ্ঠা হোৱা প্ৰয়াত প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঁইৰ দৰে বৰেণ্য লোকে অধ্যয়ন কৰা ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আজি দুখন প্ৰাচীৰ পত্ৰিকা আৰু বিদ্যালয়খনৰ হাতে লিখা মুখপত্ৰ ‘তৰুণ’ উন্মোচন কৰা হয়। ইয়াৰে বিদ্যালয়খনৰ মূল প্ৰাচীৰ পত্ৰিকা ‘কণ কঠীয়া’ উন্মোচন কৰে ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে। আনখন প্ৰাচীৰ পত্ৰিকা ‘সাংখ্যিকি’ (অংক আৰু বিজ্ঞান শাখাৰ) উন্মোচন কৰে বিদ্যালয়খনৰ অধ্যক্ষ হৃদয় চৌধুৰীয়ে। আনহাতে, অভিলেখ দাসৰ সম্পাদিত বিদ্যালয়খনৰ হাতে লিখা মুখপত্ৰ ‘তৰুণ’ উন্মোচন কৰে লেখক তথা ডিব্ৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° বিজু মৰাণে। এই উপলক্ষে অধ্যক্ষজনৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত আঁত ধৰে শিক্ষয়িত্ৰী অঞ্জুমণি ফুলকোঁৱৰে। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত উন্মোচকত্ৰয়ৰ লগতে বন্তি প্ৰজ্বলকেও শুভেচ্ছামূলক সাৰুৱা বক্তব্য আগবঢ়াই পাঠ্য-পুথিৰ সমান্তৰালকৈ অন্যান্য গ্ৰন্থও অধ্যয়ন কৰিবলৈ ছাত্ৰসকলক আহ্বান জনায়।

## নগাঁৱত চিলড্ৰেন হেভেন স্কুলৰ শিশুসকলৰ দ্বাৰা বৃক্ষৰোপণ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ এপ্ৰিল ঃ** প্ৰকৃতিপ্ৰেমী, সমাজকৰ্মী, উদীয়মান প্ৰেমৰ কবি পাপু মজুমদাৰে তেওঁৰ জন্মদিনটো প্ৰতি বছৰে বিভিন্ন সামাজিক কাম-কাজৰ লগতে বৃক্ষৰোপণ কৰি উদ্‌যাপন কৰি আহিছে। আজি তেওঁৰ ৩৪ সংখ্যক জন্মদিনটোত নগাঁৱৰ চিলড্ৰেন হেভেন স্কুলৰ শিশুসকলৰ স'তে বৃক্ষৰোপণৰ দ্বাৰা সমাজখনলৈ এটি ডাঙৰ বাৰ্তা প্ৰেৰণ কৰিছে। ‘জ্যোতি একাডেমী’ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ সক্ৰিয়কৰ্মী পাপু মজুমদাৰে তেওঁৰ মনোভাব ব্যক্ত কৰি কয় যে আমি শিশুসকলক পাঠ্যপুথিৰ অন্তৰ্গত থকা পাঠ্যক্ৰমৰ লগতে বিভিন্ন ধৰণৰ সমাজ সচেতনমূলক বিষয়বোৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগে। উক্ত অনুষ্ঠানত উপস্থিত থাকে চিলড্ৰেন হেভেন স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী অজন্তা নন্দী, সমাজকৰ্মী ৰীতা গোহাঁই, কবি নয়নমণি মিশ্ৰ, মায়ামণি দেৱী, ৰূপা কুণ্ডু, ভূমিকা দত্ত আৰু প্ৰসেনজিৎ সাহা।

## জামুগুৰিহাটত মহিলাৰ দ্বাৰা অনুষ্ঠিত ব'হাগী মেলাৰ শুভ উদ্বোধন বিধায়ক পদ্মৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১২ এপ্ৰিল ঃ** ৰঙালী বিহুলৈ মাথোঁ দুটা দিন থাকোতে জামুগুৰিহাটত কালি মহিলাৰ দ্বাৰা অনুষ্ঠিত হৈছে এখন বজাৰ। উক্ত বজাৰত উপলব্ধ হৈছে চিৰা, পিঠা, দৈ, ক্ৰীমকে ধৰি বিহুৰ সকলোবোৰ সামগ্ৰী। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান নদুৱাৰ খণ্ড অভিযান পৰিচালনা শাখাৰ উদ্যোগত অনুষ্ঠিত এই অসমী ব'হাগী মেলাত নদুৱাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০খন গাঁও পঞ্চায়তৰ মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলে প্ৰস্তুত কৰা বিহুৰ জা-জলপানসমূহ বিক্ৰী কৰা হয়। উক্ত মেলাখন কালি উদ্বোধন কৰে স্থানীয় বিধায়ক পদ্ম হাজৰিকাই।

## নতুন শিক্ষা নীতিত সংস্কৃত বিষয় বাধ্যতামূলক কৰাৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

■ সংস্কৃত পণ্ডিত ডম্বৰুধৰ বৰকটকীৰ স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচন

**বৰুৱাবামুণগাঁও, ১২ এপ্ৰিল ঃ** দেৰগাঁৰৰ এগৰাকী অন্যতম সংস্কৃত পণ্ডিত তথা ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত শিক্ষক ডম্বৰুধৰ বৰকটকী শাস্ত্ৰীৰ জীৱন চৰ্যাক স্মৰণ কৰাৰ উদ্দেশ্যে পৰিয়াল তথা গুণমুগ্ধৰ আন্তৰিক সহযোগত সুদীৰ্ঘ ৪১ বছৰৰ মৃৰত কুমাৰিকা শৰ্মা আৰু অনন্ত নাৰায়ণৰ বৰঠাকুৰৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা পণ্ডিতগৰাকীৰ কৰ্মময় জীৱন সম্পৰ্কীয় প্ৰবন্ধ সংগ্ৰহ ‘সংস্কৃত পণ্ডিত ডম্বৰুধৰ বৰকটকী’ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰাৰ বাবে কালি ১০ এপ্ৰিলত দেৰগাঁও নগৰৰ ন নম্বৰ ৱাৰ্ডস্থিত ডম্বৰুধৰ নিবাসৰ প্ৰাংগণত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। চিৰাং জিলাৰ কাজলগাঁওস্থিত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ সংস্কৃত শিক্ষক সিদ্ধাৰ্থ শৰ্মাৰ মংগলাচৰণৰ পাছতেই সংস্কৃত পণ্ডিত ডম্বৰুধৰ বৰকটকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলপদ্ম ফুকনে। ইয়াৰ পাছতেই ড° দিলীপ গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানত প্ৰবন্ধ গ্ৰন্থখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত বিজ্ঞানী, আন্তঃৰাষ্ট্ৰীয় বক্তা তথা লেখিকা ড° মালিনীয়ে। আচাৰ্য ৰোহিণী বল্লভ গোস্বামী নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি তত্ত্বগধুৰ ভাষণ প্ৰদান কৰা সভাখনিত জে বি কলেজৰ প্ৰাক্তন অধ্যাপিকা ড° কল্যাণী গোস্বামী, শাস্ত্ৰী তিলেশ্বৰ বৰদলৈ প্ৰমুখ্যে কে'বাগৰাকীও ব্যক্তিয়ে মহান পণ্ডিতগৰাকীৰ সান্নিধ্য লাভৰ অভিজ্ঞতাৰ ওপৰত আলোকপাত কৰে। কুমাৰিকা শৰ্মাই আঁত ধৰা এই সভাতে দেৰগাঁও নগৰৰ ন নম্বৰ ৱাৰ্ডৰ ১৮ নম্বৰ উপ-পথটি পণ্ডিত ডম্বৰুধৰ বৰকটকী নামেৰে নামকৰণ কৰা, পণ্ডিত ডম্বৰুধৰ বৰকটকী স্মৃতি সুৰক্ষা সমিতি গঠন কৰি প্ৰত্যেক বছৰে বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা আৰু নতুন শিক্ষা নীতিত সংস্কৃত বিষয়টো বাধ্যতামূলক কৰাৰ বাবে এই মঞ্চৰ পৰা চৰকাৰলৈ আহ্বান জনাই তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই স্মৃতিচাৰণ অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বিদ্যালয় উপ-পৰিদৰ্শক পুণ্যেশ্বৰ পুজাৰী, ডাঃ শ্ৰীবৎস্য গোপাল গোস্বামী, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া জগত বৰঠাকুৰ, বিশিষ্ট সমাজ সেৱিকা দেৱযানী মহন্ত, সংস্কৃত ভাষাৰ সাধক গোপাল গোস্বামী, ড° চণ্ডীচৰণ গোস্বামী, ড° প্ৰকাশ কন্দলী, ড° ৰঞ্জন বৰঠাকুৰ, দেৰগাঁও সাহিত্য সভাৰ সম্পাদক অজিত চন্দ্ৰ দত্ত প্ৰমুখ্যে বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। প্ৰস্তুতি শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘কাঞ্চনজংঘাৰ বুৰঞ্জী’ কবিতাৰ পটভূমিৰ ওপৰত মিতালী গোস্বামীৰ ব্যৱস্থাপনাৰে এখন আলেখ্য পৰিবেশন কৰি অনুষ্ঠান মনোজ্ঞ কৰি তোলে।

## প্ৰতিকূল তৰকো নেওচি ভক্তপ্ৰাণ ৰাইজৰ সমাগম শ্ৰীশ্ৰীবাসন্তী পূজাস্থলীত

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১২ এপ্ৰিল ঃ** দুটা বছৰে ক'ভিডে কোঙা কৰা ৰাজ্যবাসীয়ে উলহ-মালহেৰে উদ্‌যাপন কৰিলে শ্ৰীশ্ৰীবাসন্তী পূজা। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাহাৰঘাট অঞ্চলৰ দুধ ঠাইত উলহ-মালহেৰে ৰাজহুৱাভাৱে শ্ৰীশ্ৰীবাসন্তী পূজা অনুষ্ঠিত কৰে। নলবাৰী জিলাৰ চতমাত ৪২ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰীবাসন্তী পূজা যোৱা সাতৰ পৰা ১১ এপ্ৰিললৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। পূজাত ষষ্ঠীৰ দিনাৰ পৰা দশমীলৈ অজস্ৰ ভক্তপ্ৰাণ ৰাইজৰ সমাগমে পূজাৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। আনহাতে, কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ গৰমচুং (ডিঙৰা) সাৰ্বজনীন বাসন্তী পূজাতো ৰাইজৰ সমাগম হয়। উল্লেখ্য যে এইবেলি পূজাৰ ষষ্ঠীৰ দিনাৰ পৰা বৰষুণে যথেষ্ট আহুকালৰ সৃষ্টি কৰিছে যদিও ভক্তৰ উছাহ ম্লান কৰিব পৰা নাই। প্ৰতিদিনে ভক্তপ্ৰাণ ৰাইজে বন্তি জ্বলাই দেৱীৰ আশিস লোৱাৰ লগতে প্ৰতিটো দিনতে অজস্ৰ ৰাইজে ৰাজহুৱা ভোগ গ্ৰহণ কৰে। ইয়াৰ উপৰি দুয়োখন পূজাতে নিশাৰ ভাগত আয়োজিত নাগাৰা নাম অথবা সাংস্কৃতিক অনুষ্ঠানত যথেষ্ট ৰাইজৰ সঁহাৰি দেখা গৈছে। আনহাতে, বাহাৰঘাট লখিমী পথাৰত দুদিনীয়াকৈ আয়োজিত ৰাজহুৱা শ্ৰীশ্ৰীঅশোকাষ্টমী আৰু শ্ৰীশ্ৰীৰামযজ্ঞতো যথেষ্ট ভক্তপ্ৰাণ ৰাইজৰ সমাগম হৈছে।

■ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ

# মাতৃভাষাত শিক্ষাগ্ৰহণৰ অবিহনে জাতীয় উন্নতি সম্ভৱ নহয়

**ডুমডুমা, ১২ এপ্ৰিল ঃ** ‘ভূগোল নাজানিলে আমি আমাৰ চাৰিসীমা চিনি নাপাম। বুৰঞ্জী নাজানিলে আমাৰ অতীত-ঐতিহ্য বিচাৰি নাপাম। একেদৰে মাতৃভাষাত শিক্ষা গ্ৰহণৰ অবিহনে জাতীয় উন্নতি সম্ভৱ নহয়।’ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰৰ ২০২১-২২ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে আয়োজিত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানৰ মুকলি সভা আৰু বঁটা বিতৰণীৰ কাৰ্যসূচীত উপস্থিত থাকি এই বক্তব্য কৰে বিশিষ্ট কবি-সাহিত্যিক-গৱেষক তথা মাকুমস্থিত দ্বিতীয় অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক ডঃ নন্দ সিং বৰকলাই। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ডঃ থানুৰাম মজিন্দাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ডঃ বৰকলাই দৰিদ্ৰতা আৰু সীমাবদ্ধতাক অতিক্ৰম কৰি মননশীলতাৰে নিজৰ কৰ্মত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়। আন এজন বিশিষ্ট ব্যক্তি তথা তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত কুমাৰ দত্তই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানকৈ মানসিক-বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে ছাত্ৰ-ছাত্ৰীৰ দায়িত্বৰ ওপৰত আলোকপাত কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ




একতা সভাৰ সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম মৰাণে। বিশিষ্ট সমাজকৰ্মী ললিত মৰাণ আৰু সুৰেন নেওগেও ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য ৰাখে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পঞ্চানন হাজৰিকাই আঁত ধৰা সভাখনত শিক্ষকসকলৰ হৈ বক্তব্য ৰাখে সমাজতত্ব বিভাগৰ মুৰব্বী ডঃ দ্বীপেন বসুমতাৰী আৰু শিক্ষাতত্ব বিভাগৰ মুৰব্বী অধ্যাপক ডঃ চেতন চন্দ্ৰ দাসে। আৰক্ষী বিষয়া অৰুণ ঘৰফলীয়া, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য চেনিধৰ বৰা আৰু হেৰম্বৰ মৰাণকে ধৰি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সভাখনত উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা প্ৰস্তুতি মৰাণ আৰু নাহৰমনি গোহাঁয়ে নৃত্যৰ লগতে সংগীতা মৰাণে কবিতা আবৃত্তি কৰি অনুষ্ঠান উপভোগ্য কৰি তোলে।

উল্লেখনীয় যে, যোৱা পাঁচ এপ্ৰিলৰ পৰা অনুষ্ঠিত পাঁচদিনীয়া মহাবিদ্যালয় সপ্তাহ'ৰ প্ৰায় পঞ্চাশটাতকৈও বেছি প্ৰতিযোগিতাৰ বিজয়ীসকলক এই সভাতেই বঁটা প্ৰদান কৰা হয়। তাৰ ভিতৰত সংগীত বিভাগৰ দ্বাৰা আয়োজিত প্ৰতিযোগিতাত সৰ্বাধিক পুৰস্কাৰ লাভ কৰি শ্ৰেষ্ঠ সংগীত প্ৰতিযোগীৰ পুৰস্কাৰ লাভ কৰে সপোন জ্যোতি গগৈয়ে। আলোচনী বিভাগৰ উদ্যোগত আয়োজিত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ব্যক্তিত্বৰ সন্মান লাভ কৰে আকাংক্ষা কোঁৱৰে। মৌলিক গল্প-কবিতা আৰু চিত্ৰকলা প্ৰতিযোগিতাত ক্ৰমে প্ৰথম পুৰস্কাৰ লাভ কৰে সংগীতা মৰাণ, ভৈৰবী মৰাণ আৰু ৰুচিয়া বৰাই। জিন্টু বৰুৱা আৰু অঞ্জুমনি গগৈৰ দল কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ হয়।অসম সংগীতেৰে সামৰণি পৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদক শিক্ষান্ত মৰাণে শলাগ জ্ঞাপন কৰে।

# কলগাছিয়া-সৰভোগ গড়কাপ্টানী পথৰ জৰাজীৰ্ণ অৱস্থা

## ■ যাতায়াতত নৰক যন্ত্ৰণা ভোগাইছে ৰাইজক ঃ শীঘ্ৰেই মেৰামতিৰ দাবী



**কলগাছিয়া, ১২ এপ্ৰিল ঃ** বৰপেটা জিলাৰ কলগাছিয়া-সৰভোগ গড়কাপ্টানী পথৰ জৰাজীৰ্ণ অৱস্থাৰ কাৰণে যাতায়াতৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজে নৰক যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে। ৰূপসী চ'কৰ পৰা চকচকা সাপ্তাহিক বজাৰলৈ প্ৰায় এই চাৰি কিলোমিটাৰ পথৰ মাজত শ শ গাঁতৰ সৃষ্টি হোৱাত যানবাহন চলাচলৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। এজাক বৰষুণ পাৰিলেই পুখুৰী সদৃশ পৰিৱেশৰ সৃষ্টি হোৱাত সৰু যানবাহন, ই ৰিক্সা, বাছ চলাচলৰ ক্ষেত্ৰতো চৰম অসুবিধা হোৱাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। পথছোৱা জনীয়া আৰু সৰভোগ সমষ্টিৰ অঞ্চল হোৱাৰ বাবে জনীয়া সমষ্টিৰ বিধায়ক ড° ৰফিকুল ইছলাম আৰু সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি অচিৰেই পথছোৱাৰ মেৰামতিৰ কাম কৰাৰ বাবে ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে ৰাইজে। আনহাতে, ইয়াৰ পূৰ্বে পথছোৱা মেৰামতিৰ নামত নামমাত্ৰ কাম কৰি ঠিকাদাৰে কেৱল দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ বাবেই পথছোৱাত শ  গাঁতৰ সৃষ্টি হৈছে বুলি অভিযোগ উত্থাপন কৰিছে ৰাইজে।

# দৰঙৰ নৱনিযুক্ত আৰক্ষী অধীক্ষকৰ যোগদান

## পূৰ্বসূৰী সুশান্ত বিশ্ব শৰ্মা শোণিতপুৰলৈ ৰাওনা



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১২ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ ডাকুৰভিঠাস্থিত প্ৰথম অসম আৰক্ষী কৰ্মবাহিনীৰ অধিনায়ক তথা ২০০২ৰ অসম আৰক্ষী সেৱাৰ বিষয়া ৰাজমোহন ৰায়ে আজি দৰং জিলাৰ ২৬ সংখ্যক আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰে। বিদায়ী আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই তেওঁৰ হাতত দায়িত্ব হস্তান্তৰ কৰে। উল্লেখ্য যে দৰঙৰ আৰক্ষী অধীক্ষক হিচাপে মাথোঁ ১১ মাহ ২৫ দিনৰ চমু কাৰ্যকাল সুখ্যাতিৰে সম্পন্ন কৰা শৰ্মাই বৃহস্পতিবাৰে শোণিতপুৰৰ আৰক্ষী অধীক্ষক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব। এসময়ৰ কৃতী ৰঞ্জী খেলুৱৈ হিচাপে সুনাম অৰ্জন কৰা শৰ্মাই ভাৰতীয় ভলীবল ফেডাৰেছনৰ উপ-সভাপতি, অসম ভলীবল সংস্থাৰ সভাপতি হিচাপে কাৰ্যভাৰ সম্পাদন ১৩ পৃষ্ঠাত চাওক

# পথাৰত ভূঁই ৰুব নাজানিলে নাচনী হ'ব নোৱাৰে

## ■ মঙলদৈত বিহু সমিতিলৈ প্ৰশাসনৰ অনুদান

বিশেষ সংবাদাতা

**মঙলদৈ, ১২ এপ্ৰিল ঃ** 'অসম আন্দোলনৰ পৰা বিহুক লৈ এটি সষ্টীয়া পৰম্পৰা আৰম্ভ হ'ল। যেতিয়া তেতিয়াই বিহু পাতিবলৈ একাংশই আৰম্ভ কৰিলে। বিহুটো বাৰেমাহে পতা উৎসৱ নহয়। ই এটা কৃষি ভিত্তিক উৎসৱহেষ উৰ্ব্বৰতা আৰু প্ৰজননৰ বাবে পতা এক উৎসৱ।' এইদৰে কয় ছিৰাঝাৰ সমষ্টিৰ বিধায়ক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে। মঙলদৈ জিলা পুথিভঁৰালত আয়োজিত ৰঙালী বিহু সমিতিসমূহলৈ মুখ্যমন্ত্ৰীৰ ডেৰলাখ টকাৰ অনুদান বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি যোৱা ন এপ্ৰিলত ৰাজবংশীয়ে কয় যে যে ব'হাগৰ আৰম্ভণিতে ভূমি ডৰাত প্ৰথমজাক বৰষুণ পৰাৰ লগে লগেই শস্য উৎপাদনৰ ববে উৰ্ব্বৰতা লাভ কৰে। এগৰাকী নাৰীয়ে যেনেৰৈ প্ৰজনন ক্ষমতা নহ'লে সন্তান জন্ম দিব নোৱাৰে। তেনেকৈ ভূমিৰ উৰ্ব্বৰতা নহ'লে শস্য উৎপাদন নহ'ব বুলি কৈ তেওঁ কয় যে নাৰীয়ে হৈছে প্ৰকৃতি। সমগ্ৰ বিশ্বৰ লোক-সংস্কৃতিসমূহৰ মূল তত্বই হৈছে এয়া। অনাতাঁৰ শিল্পী প্ৰাঞ্জল শৰ্মাই আঁত ধৰা অনুষ্ঠানত ৰাজবংশীয়ে ৰঙালী বিহু সম্পৰ্কত বক্তব্য আগবঢ়াই আৰু কয় যে এতিয়া ৰঙালী বিহুলৈ কৃত্ৰিমতা নামি আহিছে। যিসকল নাৰীয়ে ভুই ৰূব নোৱাৰে, তাঁতশাল ব'ব নোৱাৰে তেওঁলোক নাচনী নহয়। তেনেকৈ যিসকলে পথাৰত হাল বাই পোৱা নাই বা হাল বাব নোৱাৰে তেওঁলোক বিহুৱা বা ঢুলীয়া হ'ব নোৱাৰে। সেয়া কৃত্ৰিমতা আৰু অসমীয়া সমাজৰ সভ্যতা আৰু সংস্কৃতি নহয় বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। শীত-তাপ নিয়ন্ত্ৰিত কক্ষত থাকি কেৱল বিহুৰ কেইদিনত বিহুৱা সাজপাৰ পৰিধান কৰিলে তেওঁ কেনেকৈ ঢুলীয়া বা নাচনী হ'ব। তেওঁ সাত বিহুৰ ভিতৰতে বিহু পাতিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত ১৩ পৃষ্ঠাত চাওক

# তেজপুৰ-ৰঙাপৰা পৌৰসভাৰ নৱনিৰ্বাচিত সদস্যৰ শপতগ্ৰহণ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ এপ্ৰিল ঃ** তেজপুৰস্থিত শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অনুষ্ঠিত এখন সভাত তেজপুৰ পৌৰসভাৰ ১৯ গৰাকী নৱনিৰ্বাচিত ৱাৰ্ড কমিছনাৰসকলৰ লগতে তেজপুৰৰ বিধায়ক তথা তেজপুৰ পৌৰসভাৰ পদেন সদস্য পৃথ্বিৰাজ ৰাভাই শপতগ্ৰহণ কৰে। অতিৰিক্ত উপায়ুক্ত পংকজ নাগবংশীয়ে পদেন সদস্যগৰাকীৰ লগতে নিৰ্বাচিত ৱাৰ্ড কমিছনাৰসকলক শপতবাক্য পাঠ কৰোৱায়। সভাত সৰ্বসন্মতিক্ৰমে প্ৰজ্ঞানু ভট্টাচাৰ্যক তেজপুৰ পৌৰসভাৰ পৌৰপতি আৰু সংগীতা ঘোষ বসুক উপ-পৌৰপতি হিচাপে নিৰ্বাচন কৰা হয়। সভাত সহকাৰী আয়ুক্ত তথা তেজপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া বৰষা তালুকদাৰ আৰু অন্যান্য বিষয়ববীয়া উপস্থিত থাকে। ইয়াৰ পূৰ্বে এক পৃথক কাৰ্যসূচীত ৰঙাপৰা পৌৰ সভাৰ ১০ গৰাকী নৱনিৰ্বাচিত সদস্যসকলেও শপত গ্ৰহণ কৰে। অতিৰিক্ত উপায়ুক্ত নাগবংশীয়ে ৱাৰ্ড কমিছনাৰসকলক শপত বাক্য পাঠ কৰোৱায়। সভাত হৰি সাধন দাসক ৰঙাপৰাৰ পৌৰপতি আৰু তৃপ্তি গুহক উপ-পৌৰপতি হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। সহকাৰী আয়ুক্ত তথা ৰঙাপৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া চিমি কৰন আৰু জিলা প্ৰশাসনৰ আন বিষয়ববীয়াসকল উপস্থিত থাকে।

# ফুকন ফদীয়া বেজগাঁও আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ বৰ্ষজোৰা সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১২ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত ফুকন ফদীয়া বেজগাঁও আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ বৰ্ষজোৰা সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানটি অহা ১৯ আৰু ২০ এপ্ৰিলত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ফুকন ফদীয়া বেজগাঁও ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ঋষেশ্বৰ বুঢ়াগোহাঁয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰিব। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ অনুষ্ঠানটো মুকলি কৰিব হাফলুটিং মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৰুণা ফুকনে। আনহাতে, বিদ্যালয়ৰ মুখ্য তোৰণ উদ্‌ঘাটন কৰিব গৌৰীসাগৰ উঃ মাঃ ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটৰ উপাধ্যক্ষ সোণাৰাম ভাগৰতীয়ে। বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব গৌৰীসাগৰ উঃ মাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষক মুকুট ডেকা আৰু সমাজকৰ্মী জ্যোতিষ চন্দ্ৰ গগৈয়ে। আনহাতে, আলোকচিত্ৰ উন্মোচন কৰিব শিৱসাগৰ জিলাৰ সমগ্ৰ শিক্ষা আঁচনিৰ সৰ্বাত্মক শিক্ষাৰ জিলা আঁচনি বিষয়া দীপক কুমাৰ বৰাই। ইয়াৰ পাছতেই সোণাৰীৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা ধ্ৰুৱজ্যোতি বৰাই প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰিব। দিনৰ ১১ বজাত মঞ্চ মুকলি কৰিব গৌৰীসাগৰ উঃ মাঃ ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিনোদ বৰাই। ইয়াৰ পাছতেই ছাত্ৰ-ছাত্ৰীৰ সপোন বাস্তৱায়িত কৰাত বিদ্যালয় কৰ্তৃপক্ষ আৰু অভিভাৱকৰ ভূমিকাৰ লগতে বৰ্তমান শিক্ষা ব্যৱস্থাত ম'বাইলৰ ব্যৱহাৰ শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সোণাৰীৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা দীপাংকৰ চক্ৰৱৰ্তীৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা আলোনাচক্ৰখন উদ্বোধন কৰিব বিশিষ্ট শিক্ষাবিদ তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° প্ৰশান্ত কুমাৰ চুতীয়াই।

# বৰুৱাবামুণগাঁৱত বিহু কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১২ এপ্ৰিল ঃ** দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত বৰুৱাবামুণগাঁও শাখা গোট ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত ১৫ দিনীয়া বিহু কৰ্মশালাৰ আজি সামৰণি পৰে। তদুপলক্ষে আজি বৰুৱাবামুণগাঁও নাট্য মন্দিৰত অনুষ্ঠিত সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰায় দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে বিহু নাচত ঢোলবাদন আদিৰ প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অঞ্চলটোৰ কে'বাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামী, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক দীপ বৰঠাকুৰ, মহকুমা ছাত্ৰ সন্থাৰ হৈ ৰিমাংকু শইকীয়া, চিৰঞ্জীৱ বৰা, পলাশ বৰা, আঞ্চলিক পৰ্যায়ৰ ছগীৰ আহমেদ, দুষ্যন্ত দত্তকে ধৰি কে'বগৰাকীও ছাত্ৰ নেতা, কৰ্মী সামৰণি অনুষ্ঠানত শুভেচ্ছা জ্ঞাপন কৰে।

# খেজুৰিতলত পিয়লি ফুকন শাখা সাহিত্য সভাৰ ৰঙালী আদৰণি অনুষ্ঠান

## সম্প্ৰীতি চেমনীয়া হুঁচৰি দলৰ বিহু প্ৰদৰ্শনে মুহিলে দৰ্শকক



অগ্ৰদূত বাৰ্তা

**নামতি, ১২ এপ্ৰিল ঃ** নামতিৰ পিয়লি ফুকন শাখা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ সৌজন্যত জ্ঞানজ্যোতি বিদ্যাপীঠত আয়োজন কৰা সাতদিনীয়া বিহু আখৰা শিবিৰৰ আজি সামৰণি অনুষ্ঠান আৰু ৰঙালী আদৰণি অনুষ্ঠান অনুষ্ঠিত হয়। পিয়লি ফুকন শাখা সমিতিৰ সভাপতি দেৱযানী দীক্ষিতা গগৈৰ আদৰণি ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠাটোত সভাপতিত্ব কৰে পিয়লি ফুকন শাখা সমিতিৰ সভাপতি দেৱযানী মহন্তই। আখৰা শিবিৰৰ সামৰণি অনুষ্ঠান উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী পুলু দত্তই। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যুগ গগৈয়ে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিহু সম্পৰ্কীয় এটি পুৰণি কবিতা পাঠেৰে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কণমাণি ছাত্ৰীসকলৰ বিহুনাচ, ছাত্ৰসকলৰ লহৰী, সম্প্ৰীতি চেমনীয়া হুঁচৰি দলৰ হুঁচৰি বিহু প্ৰদৰ্শন, প্ৰশিক্ষক ডিম্পী চেতিয়া আৰু সংগীতা গগৈৰে বিহুনাচ প্ৰদৰ্শন আদিৰে জীপাল কৰি তোলা অনুষ্ঠানটোত কবি দুৰ্লভ শইকীয়া, শিখা বৰগোহাঁই, অপূৰ্ব চেতিয়া, সাংস্কৃতিক কৰ্মী পংকজ চেতিয়া, অমৰ নেওগ, সাংবাদিক জিয়াৰুদ্দিন আহমেদকে আদি বহুসংখ্যক লোক উপস্থিত থাকে।

# মঙলদৈ কৰ্কট চিকিৎসালয়ত স্থানীয় উপযুক্ত প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়াৰ দাবী দৰং আছুৰ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১২ এপ্ৰিল ঃ** সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ কুমাৰ চহৰীয়া আৰু সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকাই আজি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত কয় যে দৰং জিলাত টাটা ট্ৰাষ্ট আৰু ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত নিৰ্মিত কৰ্কট ৰোগৰ চিকিৎসালয়খন মুকলি কৰিবৰ বাবে সাজু হোৱা খবৰে সমগ্ৰ জিলাখনৰ জনসাধাৰণক উৎসাহিত কৰিছে। দীৰ্ঘদিন ধৰি ছাত্ৰ সন্থা তথা জিলাবাসীয়ে এখন কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপনৰ দাবী জনাই আহিছিল। ইতিমধ্যে অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰীজনে নিৰ্মাণস্থলী পৰিদৰ্শন কৰি চিকিৎসালয়খন শীঘ্ৰে মুকলি কৰাৰ কথা ঘোষণা কৰাত আছুই আদৰণি জনোৱাৰ লগতে উক্ত চিকিৎসালয়খনত নিযুক্তি দিব লগা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত জিলাখনৰ স্থানীয় যোগ্যতা সম্পন্ন প্ৰাৰ্থীক অগ্ৰাধিকাৰ ভিত্তিত নিযুক্তি দিয়াৰ দাবী তোলে। জিলাখনৰ শিক্ষিত তথা যোগ্যতা থকা নিবনুৱাক বঞ্চিত কৰি আন প্ৰাৰ্থীক নিযুক্তি দিয়াটো মানি ল'ব নোৱাৰি। সেয়ে ছাত্ৰ সন্থাৰ চৰকাৰলৈ দাবী তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত জিলাখনৰ প্ৰাৰ্থীসকলক যোগ্যতাৰ ভিত্তিত নিযুক্তি দিব লাগে। লগতে তাত হ'ব লগা কেণ্টিনখন দৰঙৰ স্থায়ী বাসিন্দাৰ ভিতৰত পৰিচালনা কৰাৰ সুবিধা দিব লাগে বুলিও বিজ্ঞপ্তিটোত প্ৰকাশ।

# হালোগাঁও প্ৰাথমিক ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰত বিশ্ব স্বাস্থ্য দিৱস পালন

অগ্ৰদূত বাৰ্তা

**হাজো, ১২ এপ্ৰিল ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত অঞ্চলটোৰ একমাত্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, হালোগাঁও প্ৰাথমিক ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত কালি বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন কৰা হয় ইয়াৰ লগত সংগতি ৰাখি ৰাইজৰ মাজত স্বাস্থ্যৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিবৰ কাৰণে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক লগত এটা শোভাযাত্ৰা উলিয়াই আৰু পাছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশৰ ওপৰত চিত্ৰাংকন প্ৰতিযোগিতা আৰু বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত উপস্থিত থাকে হালোগাঁও প্ৰাথমিক ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰী ভগবান কলিতা, যতীন কলিতাৰ লগতে স্বাস্থ্য কেন্দ্ৰটোৰ প্ৰায়ভাগ কৰ্মচাৰী।

# বিশিষ্ট ব্যৱসায়ী পৰিতোষ পালৰ মৃত্যু



বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ১২ এপ্ৰিল ঃ** বিলাসীপাৰা চহৰৰ বিশিষ্ট ব্যৱসায়ী পৰিতোষ পাল ওৰফে পিণ্টু (৫১)ৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। বিলাসীপাৰা চহৰৰ আঠ নম্বৰ ৱাৰ্ডৰ বাসিন্দা তথা ভাৰত ইটা উদ্যোগৰ স্বত্বাধিকাৰ পাল বহু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। পালৰ অকাল মৃত্যুত সমগ্ৰ চহৰখনত গভীৰ শোকৰ ছাঁ পেলাইছে। ১৯৭১ৰ ১৯ মে'ত জন্মগ্ৰহণ কৰা পালে বহু দিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। কালি নিজৰ ব্যৱসায় সামৰি সন্ধিয়া তেওঁ নিজ বাসগৃহত উপস্থিত হয়। ঘৰত উপস্থিত হোৱাৰ পাছতে অসুস্থ অনুভৱ কৰে। পাছত স্বাস্থ্যৰ অধিক অৱনতি ঘটি নিজ গৃহতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত পত্নীসহ একমাত্ৰ পুত্ৰ আৰু তিনি ভ্ৰাতৃৰ লগতে বহু গুণমুগ্ধক এৰি যায় প্ৰয়াত পালে।

# চিথিলাত ফকিৰাগ্ৰাম মণ্ডল বিজেপিৰ উদ্যোগত সজাগতা সভা



অগ্ৰদূত বাৰ্তা

**দোতমা/চিথিলা, ১২ এপ্ৰিল ঃ** কোকৰাঝাৰ জিলাৰ চিথিলা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডল আৰু ভাৰতীয় জনতা যুৱ মৰ্চাৰ ফকিৰাগ্ৰাম মণ্ডলৰ উদ্যোগত ক'ভিড-১৯ সম্পৰ্কে সজাগতা সভা অনুষ্ঠিত হয়। সজাগতা সভাত উপস্থিত থাকে বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডলৰ সভাপতি মনোজ ৰায়, সাধাৰণ সম্পাদক চানমোহন ৰায়, সম্পাদক ধৰণী কান্ত বৰ্মন, বিজেপিৰ কোকৰাঝাৰ জিলাৰ উপসভাপতি শান্তিৰাম বৰ্মন, যুৱ মৰ্চাৰ ফকিৰাগ্ৰাম মণ্ডলৰ সভাপতি কনক চন্দ্ৰ ৰায়, সম্পাদক উৎপল চন্দ্ৰ ৰায়, চিথিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিষ্ণুপদ শীল শৰ্মা, চিথিলা উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দ্বীজেন্দ্ৰ বৰ্মন, দোতমা স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক লুৎফুৰ ৰহমানৰ লগতে বিশিষ্ট ব্যক্তি আৰু চিথিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষাৰ্থীসকল। অনুষ্ঠানত যুৱ মৰ্চাৰ ফকিৰাগ্ৰাম মণ্ডলৰ সভাপতি ৰায়ে ছাত্ৰ-ছাত্ৰীসকলক ক'ভিড প্ৰতিযেধক ল'বলৈ আহ্বান জনায়।

# হিন্দী ভাষা বাধ্যতামূলক কৰাৰ বিৰুদ্ধে গোৱালপাৰাত এছ ইউ চি আইৰ উত্তাল প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ এপ্ৰিল ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত দশম শ্ৰেণীলৈ হিন্দী ভাষা বাধ্যতামূলক কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে আজি গোৱালপাৰাত এছ ইউ চি আয়ে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বেনাৰৰ লগতে হাতে হাতে প্লেকাৰ্ড লৈ গোৱালপাৰা চহৰৰ দুৰ্গা মন্দিৰৰ পৰা 'হিন্দী ভাষা বাধ্যতামূলক কৰা নচলিব, মাতৃভাষাৰ লগতে ইংৰাজী ভাষা প্ৰথম শ্ৰেণীৰ পৰাই বাধ্যতামূলক কৰক, বলপূৰ্বকভাৱে হিন্দী ভাষা জাপি দি বিভাজনৰ ৰাজনীতি বন্ধ কৰক' আদি শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি চহৰৰ বিঅ'চিত সামৰণি পেলায়।

# ৰূপকোঁৱৰে ১৪ বছৰ বয়সতে ৰচনা কৰা 'শোণিত কুঁৱৰী'ৰ এশ বছৰ

## ■ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ 'জ্যোতি ভাৰতী'ৰ জৰিয়তে তেজপুৰীয়া শিল্পীৰ শ্ৰদ্ধাঞ্জলি

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ এপ্ৰিল ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ১৪ বছৰ বয়সতে ৰচনা কৰা অসমীয়া নাটকৰ ধ্বজাবাহী 'শোণিত কুঁৱৰী'ৰ এশবছৰ পূৰ্তি উপলক্ষে যোৱা ন এপ্ৰিলৰ নিশা ৰূপকোঁৱৰৰ স্মৃতি বিজড়িত ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত তেজপুৰৰ কুশীলৱৰ জৰিয়তে পুনৰ উদ্ভাসিত হৈ উঠিল তেজপুৰৰ ইতিহাস কিম্বা কিংবদন্তি। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জ্যোতি ভাৰতীৰ শেহতীয়া এক আলোকসন্ধানী যাত্ৰাৰ অংশৰূপে ৰূপকোঁৱৰৰ এই কালজয়ী নাটকখনে এবছৰীয়া গৌৰৱোজ্বল পথ অতিক্ৰম কৰাৰ বাবেই কালি পুনৰ তেজপুৰৰ দক্ষ নাট পৰিচালক তথা সাংবাদিক পুলক কুমাৰ ডেকাৰ পৰিচালনাৰে অতি নান্দনিক আৰু কলাত্মক ৰূপত মঞ্চস্থ হয়। জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া তথা জিলা সাংস্কৃতিক উন্নয়ন বিষয়া জিতেন কুমাৰ দাসৰ সামগ্ৰিক পৰিকল্পনাৰে মঞ্চস্থ হোৱা নাটকখন কালি প্ৰতিকূল বতৰৰ মাজতো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট অভিনেতা তথা তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই। অসম ৰেপাৰেটৰীৰ সভাপতি ডাঃ প্ৰদীপ লহকৰ, অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক তথা বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাৰ উপস্থিতিত সাংস্কৃতিক কৰ্মী, আবৃত্তিকাৰ ৰুবী বৰাই আঁতঁ ধৰা এই উদ্বোধনী অনুষ্ঠানত বিধায়ক পৃথ্বিৰাজ ৰাভাই এই নাটকখনত নিজে বাণ ৰজাৰ চৰিত্ৰত অভিনয় কৰাৰ স্মৃতি ৰোমন্থন কৰি পৰিচালক পুলক কুমাৰ ডেকাই অতি কষ্টৰে তেজপুৰৰ এদল নাট্যশিল্পীক লৈ সফলতাৰে মঞ্চস্থ কৰিবলৈ কৰা প্ৰয়াসক ধন্যবাদ জনায়। আনহাতে, এই উদ্বোধনী ১৩ পৃষ্ঠাত চাওক

# বাগ্‌সাৰ ককলাবাৰী পৰিষদীয় সমষ্টিত পাঁচটাকৈ আঁচনিৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**জালাহ, ১২ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিত যোৱা ন এপ্ৰিলত অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই পাঁচটাকৈ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰী ব্ৰহ্মই প্ৰথমে নিৰ্বাচনী সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ককলাবাৰী পৰিষদীয় সমষ্টিৰ সাদেৰীপামত নদীৰ উল্টাই খন্দা ৰোধ কৰিবলৈ ভূমি সংৰক্ষণ বিভাগৰ পৰা এটি ১৬ লাখ টকাৰ এটি আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ উপৰি ককলাবাৰী পৰিষদীয় সমষ্টিৰ উন্নয়নৰ বহুকেইটা আঁচনি আৰম্ভ কৰিবলগীয়া আছে যদিও ভূমি সংৰক্ষণ বিভাগৰ পৰা লোৱা পাঁচটা আঁচনিৰ আধাৰশিলা স্থাপন কৰা হৈছে। প্ৰথমতে লাউখাটা সাদেৰীপাম গাঁৱত নদীৰ উল্টাই খন্দা ৰোধ আঁচনিৰ পাছত সৰুপাম, ডুবা গাঁও আৰু ডাঙৰিগাঁৱত  খনকৈ আঁচনিৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰথমতে লাউখাটা সাদেৰীপাম গাঁৱত নদীৰ উল্টাই খন্দা ৰোধ আঁচনিৰ পাছত সুবাপাম, ডুবা, গাঁও আৰু ডাঙৰিগাঁৱত দুটাকৈ আঁচনিৰ আধাৰশিলা স্থাপন কৰা হ'ব।খেতিয়কসকলক উৎসাহিত কৰাৰ বাবে অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগে কে'বাটাও পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। ব্ৰহ্মক সংগ দিয়ে বিটিচিৰ প্ৰাক্তন এমচিএলএ অনিপ বসুমতাৰী, ইউপিপিএলৰ নেতা মন্টু বড়ো আৰু ইউপিপিএলৰ ককলাবাৰী ব্লক কমিটীৰ সভাপতি বিজু বৰকছাৰীয়ে।

# হাওৰাঘাটত ব'হাগী উৎসৱ আয়োজন

## অসম ভিত্তিত বিভিন্ন প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**হাওৰাঘাট, ১২ এপ্ৰিলঃ** কুলি-কেতেকীৰ অমিয়া মাতে ব'হাগৰ আগমনৰ বতৰা দিয়ে। ঢোল-পেঁপা-গগনাৰ মাতে চৌপাশ ৰজনজনাই তোলে। হেঁপাহৰ ব'হাগক আদৰিবলৈ এতিয়া ৰাজ্যৰ সৰ্বত্ৰে চলিছে ব্যাপক প্ৰস্তুতি। এই ক্ষেত্ৰত পাছপৰি ৰোৱা নাই ৰাজ্যৰ পাহাৰীয়া জিলা কাৰ্বি আংলঙো। জিলাখনৰ হাওৰাঘাটত অহা ২২ আৰু ২৩ এপ্ৰিলত বিস্তৃত কাৰ্যসূচীৰে হাওৰাঘাট মহকুমা বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু সন্মিলিত কাৰ্বি আংলং জিলা ছাত্ৰ পৰিষদৰ হাওৰাঘাট আঞ্চলিকৰ সহযোগত অষ্টম বাৰ্ষিক ব'হাগী উৎসৱ আয়োজনৰ প্ৰস্তুতি চলি থকা পৰিলক্ষিত হৈছে। কাৰ্যসূচী মৰ্মে, ২২ এপ্ৰিলত বিহু ধ্বজা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি মহেশ্বৰ কাকতিয়ে। পৰৱৰ্তী সময়ত স্মৃতি তৰ্পণ, ছহিদ তৰ্পণ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু ক্ষুদ্ৰ বৰাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণৰ লগতে বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি সম্বলিত 'সমন্বয় শোভাযাত্ৰা'। তাৰ পাছতেই অনুষ্ঠিত হ'ব বিভিন্ন পৰম্পৰাগত খেল-ধেমালিৰ লগতে বিয়লি তিনি বজাৰ পৰা অসম ভিত্তিত বৰ বিহুৱতী প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ মানপত্ৰৰ লগতে ২৫ হেজাৰ টকা আৰু দ্বিতীয় পুৰস্কাৰ মানপত্ৰৰ লগতে ১৫ হেজাৰ টকা। ইপিনে, অসম ভিত্তিত সৰু বিহুৱতী প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ মানপত্ৰৰ লগতে ২০ হেজাৰ টকা আৰু দ্বিতীয় পুৰস্কাৰ মানপত্ৰৰ লগতে ১৫ হেজাৰ টকা। আনহাতে, জিলা ভিত্তিত অনুষ্ঠিতব্য সৰু বিহুৱতী প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ, মানপত্ৰৰ লগতে ১০ হেজাৰ টকা আৰু দ্বিতীয় পুৰস্কাৰ পাঁচ হেজাৰ টকা। আনহাতে, সন্ধিয়া ছয় বজাত মুকলি ভিত্তিত সাজপাৰ প্ৰতিযোগিতা। ইপিনে, দ্বিতীয় দিনৰ কাৰ্যসূচী মতে, পুৱা পাঁচ বজাত মাৰাথন দৌৰ, দিনৰ ১০ বজাৰ পৰা কুইজ আৰু এক বজাত ভেশচন প্ৰতিযোগিতা। আনহাতে, বিয়লি তিনি বজাৰ পৰা জিলা ভিত্তিত জেং বিহু প্ৰতিযোগিতা। এই জেং বিহু প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ, মানপত্ৰৰ লগতে নগদ ধন ১৫ হেজাৰ টকা আৰু দ্বিতীয় পুৰস্কাৰ মানপত্ৰৰ লগতে নগদ ধন ১০ হেজাৰ টকা। আনহাতে, সন্ধিয়া ছয় বজাত যুৱ প্ৰতিভালৈ প্ৰেৰণা বঁটা প্ৰদান অনুষ্ঠান য'ত মুখ্য অতিথিৰূপে সাংবাদিক সঞ্জু বৰাৰ লগতে আমন্ত্ৰিত অতিথিৰূপে ১৩ পৃষ্ঠাত চাওক

# বৰলীয়া নৈৰ পাৰত চাফাই পৌৰসভাৰ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১২ এপ্ৰিল ঃ** ৰঙিয়া পৌৰসভাই ৰঙিয়া মহকুমা প্ৰশাসনৰ উদ্যোগত যোৱা সাত এপ্ৰিলত ৰঙিয়া চহৰৰ মাজেৰে বৈ যোৱা ৰঙিয়াৰ ৰাইজৰ জীৱন ৰেখা বৰলীয়া নৈৰ দুয়ো পাৰ লগতে নদী গৰ্ভ চাফা কৰাৰ এক অভিলাষী কাৰ্যসূচীৰ আৰম্ভ কৰে। উল্লেখ্য যে ৰঙিয়াৰ একাংশ অসচেতন ৰাইজে বৰলীয়া নৈত জাবৰ-জোঁথৰ পেলাই নৈখন কলুষিত কৰাৰ উপৰিও দূষিত কৰাৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া মহকুমা প্ৰশাসনৰ উদ্যোগত আৰু ৰঙিয়া পৌৰসভাই  আজিৰে পৰা পৰিষ্কাৰ বৰলীয়া, সেউজ ৰঙিয়া শীৰ্ষক এক অভিযান হাতত  লৈছে। ৰঙিয়াৰ মহকুমাধিপতি জাৰীৰ ৰাহুল সুৰেশৰ উদ্যোগত গ্ৰহণ কৰা এই অভিযানৰ অংশ হিচাপে  ৰঙিয়াৰ মাজেৰে বৈ যোৱা বৰলীয়া নৈ আজিৰে পৰা  পৰিষ্কাৰ কৰাৰ কাৰ্যসূচী  আৰম্ভ কৰা হয়। আজি বন্তি প্ৰজ্বলন কৰি অভিযানৰ আৰম্ভ কৰে ৰঙিয়াৰ মহকুমাধিপতি জাৰীৰ ৰাহুল সুৰেশে। উক্ত অনুষ্ঠানত ৰঙিয়াৰ নৱনিৰ্বাচিত পৌৰপতি অমৰেন্দ্ৰ লহকৰ, উপ-পৌৰপতি বিদ্যুৎ ডেকা, চক্ৰ বিষয়া লীনা পাৰে, ৰঙিয়া মহকুমা তথ্য আৰু জনসংযোগ বিষয়া হেমন্ত কুমাৰ শৰ্মা, পৌৰসভাৰ অভিযন্তা বসন্ত ডেকা, দুৰ্যোগ প্ৰশমন বিভাগৰ জিলা প্ৰকল্প বিষয়া ৰাজীৱ দত্ত চৌধুৰী, পৌৰ প্ৰতিনিধি ক্ৰমে উত্তম পাল,  বিউটি বেগম,  গুণমনি বড়ে, মিতালী ডেকা, গুঞ্জন দাস, পূৰবী দাস আৰু চানোৱাৰা বেগম, উপস্থিত থাকে।

দৈনিক অগ্ৰদূত








# ৰঙালী বিহুৰ পৰম্পৰা

**অসমৰ** সাতামপুৰুষীয়া জাতীয় উৎসৱটো হ'ল বিহু। ৰঙালী বিহু, কাতি বিহু, মাঘ বিহু — এই তিনিটা বিহুৰ ভিতৰত ব'হাগ মাহত উদ্‌যাপন কৰা ৰঙালী বিহুত অসমীয়া মানুহৰ উৎসাহ-উদ্দীপনা অলপ বেছি। চ'ত আৰু ব'হাগ মাহৰ দোমাহীৰ দিনাৰ পৰা ব'হাগৰ সাত তাৰিখলৈকে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। ৰঙালী বিহুত উছাহ অত্যধিক হোৱাৰ কাৰণটো হ'ল — বিহুনাম গোৱা, বিহুনৃত্য কৰা আৰু বিহুৱান দিয়া-লোৱা কৰাৰ প্ৰথা। বিহুৱান হ'ল অসমীয়া শিপিনীয়ে তাঁতশালত প্ৰস্তুত কৰি উলিয়াই আপোনজনক দিয়া গামোচা। অসমত বাস কৰা সকলো জাতি-জনগোষ্ঠীয়ে বিভিন্ন নামেৰে ৰঙালী বিহু উদ্‌যাপন কৰে। গৰু বিহু, গোসাঁই বিহু, মানুহ বিহু, টেনেহী বিহু, নৰচিগা বিহু আদি নামেৰে সাতদিনৰ বিহু উদ্‌যাপিত হয়। পঙালী বিহুত গৃহস্থৰ চোতালে চোতালে হুচৰি গোৱা হয়।



হুচৰিৰ ভক্তি ৰসৰ আনন্দময় অনুষ্ঠানত সকলো মচগুল হৈ পৰে। বছৰৰ এই হুচৰি বিহুত গৃহস্থৰ চোলাত ৰাইজৰ পদধূলা পৰাটো সকলোৰে পৰম ভাগ্য বুলি গণ্য কৰে, যেন সাক্ষাৎ পৰম ব্ৰহ্ম। সেয়ে দুপৰ নিশা হ'লেও চোতাল মচি পৰিত্ৰ কৰি বন্তি, ধূপ-ধূনা লগাই গৃহস্থই আগ্ৰহেৰে হুচৰিলৈ বাট চাই থাকে। 'জয়ৰাম বোলা' বুলি ৰাইজে কীৰ্তন আৰম্ভ কৰি হুচৰি গোৱাৰ পাছত ঘৰৰ সকলোৰে তামোল-পাণ, দক্ষিণা দি ৰাইজৰ আগত আঠু কাঢ়ি সেৱা লয় আৰু ৰাইজেও গৃহস্থক বছৰটোলৈ কুশল কামনা কৰি আশীৰ্বাদ দিয়ে। কৃষকসকলে সাময়িক সকাহ ল'বৰ বাবে ৰং-ৰহইচৰ মাজেদি মনলৈ নতুন উদ্যম আনি খেতিপথাৰত নামি পৰিবলৈ ৰঙালী বিহুৰ সূচনা হৈছিল বুলি ক'ব পৰা যায়।

আমাৰ প্ৰাচীন বিহুনামৰ কোনো নিৰ্দিষ্ট ৰচক নাই। নিৰক্ষৰ কৃষকসকলকে বিহুনামৰ ৰচক বুলি কোৱা হয়। হুচৰি গোৱা বা বিহুনাম গাওঁতে বিহুৱা যুৱক-যুৱতীসকলে নানা বাদ্য, গহনা, সাজপাৰ ব্যৱহাৰ কৰে। বিহুৱতীয়ে পৰিধান কৰা গহনাবোৰ হ'ল— গলপতা, দুগদুগী, জোনবিৰি, ঢোলবিৰি, মুঠিখাৰু, গামখাৰু, কেৰু বেনা বিৰি আদি। বিহুত ব্যৱহাৰ কৰা বাদ্যবোৰ হ'ল— ম'হৰ শিঙৰ পেঁপা, ঢোল, তাল, বাঁহী, সুতুলি, ঠকা, গগনা আদি। বিহুত নাচনীয়ে মূলতঃ মুগাৰ ৰিহা, মুগাৰ মেখেলা-চাদৰ পিন্ধে, ককাঁলত হাঁচটি থাকে। পুৰুষে এণ্ডাৰ চোলা পিন্ধে আৰু ককাঁলত টঙালি মাৰে। মূৰত ফুলাম গামোচা এখন মেৰিয়াই লয়। নাচনীসকলে খোপাত কপৌফুল গুজি লয়।

বিহুৱে আমাৰ মাজত একতা, মৰম-চেনেহ বঢ়ায়। গতিকে বিহুক আমি যুগমীয়া কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগে।




**ব'হাগ** বিহুত মানুহে ইঘৰ-সিঘৰলৈ গৈ হুচৰী মাৰি বিহুৰ আনন্দ উপভোগ কৰে। হুচৰী হ'ল এনে ধৰণৰ প্ৰাৰ্থনা সংগীত, যাক সাধাৰণতে বিহুৰ সময়তহে গোৱা হয়। হুচৰী আৰু বিহুগীতবোৰ একে যেন ধাৰণা হ'লেও দুয়োটাৰ মাজত কেতবোৰ পাৰ্থক্যও পৰিলক্ষিত হয়। বিহুগীত নানা ধৰণৰ হ'ব পাৰে। আনন্দ, বিৰহ, প্ৰেম আদি বহু ধৰণৰ মনৰ আবেগ, আশা-আকাংক্ষা বিহুগীতৰ মাধ্যমেৰে প্ৰকাশ কৰা হয়। কিন্তু হুচৰী অলপ বেলেগ ধৰণৰ। হুচৰী গীতবোৰৰ মাজত কেৱল ঈশ্বৰৰ আৰাধনা, স্তুতি আদি ভাববোৰ পৰিস্ফুটিত হোৱা দেখা যায়। অসমখন যিহেতু নানা ধৰ্ম, জাতি, উপজাতি, জনজাতিৰ বসবাস, সেই হেতুকে সকলো পৰ্যায়ৰ লোকে একেটা সুৰেৰে প্ৰাৰ্থনা সংগীত গাই ঈশ্বৰক স্তুতি কৰে। ইয়াৰ মাজত মিলনৰ একেটাই মাধ্যম— সেয়া হ'ল বিহুৰ 'হুচৰী' গীত। হুচৰী গীতবোৰ পৰিৱেশন কৰা হয় দলীয়ভাৱে। এই গীতবোৰ শাৰী পাতি থিয় হৈ বা আঁঠু কাঢ়ি বহি ঈশ্বৰৰ উদ্দেশ্যে হাতযোৰ কৰি গায়। কেতিয়াবা অৱশ্যে এই গীতবোৰ নৃত্যৰূপেও গোৱা হয়। আচলতে হুচৰী গীতবোৰ ভক্তিৰসেৰে পৰিপূৰ্ণ। হুচৰী গীতবোৰ যেনেকৈয়ে গোৱা নহওক কিয়, মুঠতে এই গীতবোৰক প্ৰাৰ্থনা বা স্তুতিমূলক গীত বুলি ক'ব পাৰি। এই হুচৰী গীতবোৰৰ জৰিয়তেই পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰণি জনোৱাৰ লগতে সকলোলৈ সুখ-সমৃদ্ধি বিলাই দিবলৈ ঈশ্বৰক প্ৰাৰ্থনা জনায়। আগন্তুক বছৰটোত যাতে সকলোৱে ভালে-কুশলে জীৱন-যাপন কৰিব পাৰে, তাৰ বাবে মংগল কামনা কৰি সন্তুষ্টি লাভ কৰে এই হুচৰী গীতবোৰৰ জৰিয়তেই।

## কোনে কি কৈছে

**দিগন্ত বৈশ্য**

শুনা শুনা অকণিহঁত
শুনা মন দি,
কোনে কি কৈছে
চোৱা ভাবি-গুণি।
ঘড়ীটোৱে কৈছে শুনা
টিক টিক টিক,
সময়ৰ কাম সময়ত কৰা
জীৱন হ'ব ঠিক।
আকাশখনে কৈছে
হোৱা মোৰ দৰে বিশাল,
তেহে হ'ব জীৱন সদায়
ভবাতকৈয়ো ৰসাল।
সাগৰখনে কৈছে
হোৱা মোৰ দৰে গভীৰ,
তেহে তোমাৰ জীৱন
হ'ব যে গম্ভীৰ।
নদীখনে কৈছে
থাকা মোৰ দৰে বৈ,
সুখ-দুখ, ভাল-বেয়া সকলো
লগত লৈ।
বসুমতীয়ে কৈছে
হোৱা মোৰ দৰে সহ্যশীল
সহ্য কৰিব পাৰিলে
জীৱন হ'ব বৰ্ণিল।
পোহৰবোৰে কৈছে
হোৱা মোৰ দৰে দীপ্তময়
মোৰ দৰে কৰি তোলা
জীৱন আলোকময়।
নানা জ্ঞান, নানা কথা
শিকাইছে ইংগিতেৰে
বুজিব-মানিব পাৰিলে
জীৱন ভৰিব ৰসেৰে।

# ৰঙালী বিহুৰ হালধিৰ ৰং, হুঁচৰি আৰু শিশুৰ উল্লাস

**হেমেন কুমাৰ দাস**



**তাহানিৰ** দিনত ৰঙালী বিহু বুলি ক'লে শিশুসকলৰ মনলৈ গৰু বিহুৰ দিনা গৰুক গা ধুৱাবলৈ যোৱা, মানুহ বিহুৰ দিনা হালধি ৰঙেৰে ৰং খেলা আৰু বিহুৰ হুঁচৰি গাবলৈ যোৱা কথাবোৰেই মনলৈ আহে। ব'হাগ বিহুলৈ ১৫দিনমান বাকী থকা অৱস্থাৰ পৰাই গাঁৱৰ প্ৰতিঘৰ লোকৰেই বয়োজ্যেষ্ঠসকলে তৰা গছ কাটি আনি বখলিয়াই লৈ গৰুৰ বাবে তৰা গছ মিহলাই মৰাপাটেৰে নতুন পঘা, খুৰলি, নাকী আদি তৈয়াৰ কৰা কামত ব্যস্ত হৈ পৰে। সচৰাচৰ কৃষকসকলে গাঁৱৰ কোনো এঘৰ গণ্যমান্য ব্যক্তিৰ পদূলিত সমৱেত হৈ বিভিন্ন কথাৰ মহলা মাৰি এই পঘা বতা কামত নিজকে জড়িত কৰে। এই কাম গৰু বিহুৰ আগৰ দিনালৈকে চলি থাকে। এই পঘা বতা কামত শিশুসকলেও মৰাপাট আঁহ ফালি ফালি দি, তৰা গছ ফালি ফালি দি সহায় কৰিছিল। ইপিনে, গৰু বিহুৰ আগৰ দিনা কৃষক পৰিয়ালৰ লোকসকলে গৰুক ছাট মাৰিবৰ বাবে বাঁহেৰে ছাট প্ৰস্তুত কৰে। এই ছাটসমূহত দুডাল অথবা তিনিডাল শলা থাকে। গৰু বিহুৰ দিনা পুৱাতে লাও, বেঙেনা হালধি, ঠেকেৰা, তিতাকেৰেলা মিহি মিহিকৈ চকলিয়াই লৈ সেইবোৰ ছাটৰ শলাত সুমুৱাই দি ছাট প্ৰস্তুত কৰা হয়। এই কামতো ডাঙৰৰ স'তে জড়িত হৈ পৰে শিশুসকলো। ইয়াৰ লগে লগে গৰুৰ গাত ঘঁহিবৰ বাবে মাটিমাহ আৰু হালধি পটাত পিচি তাত মিঠাতেল মিহলি কৰা হয়। পুৱাতেই গৰুসমূহ গোহালিৰ পৰা বাহিৰলৈ উলিয়াই আনি চোতালত বন্ধা হয়। প্ৰথমে গৰুৰ শিং আৰু গাত অলপ মিঠাতেল ঘঁহা হয়। পাছত মাহ-হালধি ঘঁহা হয়। এই



কাম সচৰাচৰ শিশুসকলে অভিভাৱকৰ তত্বাৱধানত কৰে। পাছত গৰুক গা ধুৱাবলৈ ওচৰৰ ৰাজহুৱা পুখুৰী, সুঁতি, বিল আদিলৈ লৈ যোৱা হয়। গৰুক গা ধুওৱাৰ সময়ত শিশুসকল পুখুৰী, বিল, সুঁতিৰ পাৰত বহি থাকে ছাটসমূহৰ ৰখীয়া হৈ। পাছত গৰুক গা ধুওৱাৰ পাছত অভিভাৱকৰ স'তে হাতে হাতে ছাট লৈ' লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা! মাৰ সৰু, বাপেৰ সৰু,তই হ'বি বৰ বৰ গৰু' বুলি কৈ গৰুৰ গাত ছাট মাৰে। ইয়াকে কৰিবলৈ গৈ শিশুসকলৰ কি যে আনন্দ। শিশুৰ কলৰৱত মুখৰিত হৈ পৰে গৰুক গা ধুওৱা স্থান।

ইপিনে, গৰুৰ বিহুৰ পাছৰ দিনা মানুহৰ বিহু। তাহানিতে মানুহৰ বিহুৰ দিনা পুৱাবেলা শিশুসকলে গাঁৱত ৰং খেলিছিল। আয়তীসকলে হালধি পটাত পিচি ৰস উলিয়াই সেই ৰস চিচাৰ বটলত ভৰাই দিছিল। বটলৰ খপটোত সৰু সৰু দুটামান ছিদ্ৰ কৰি দিয়া হৈছিল। হাতে হাতে সেই ৰঙৰ বটল লৈ শিশুসকল ওলাই গৈছিল ৰং খেলিবলৈ। দুপৰীয়াৰ আগতে ৰং খেলা সামৰি ঘৰলৈ ওভতি আহি মাহ-হালধিৰে গা ধুই নতুন কাপোৰ পিন্ধে। সেই দিনটোত প্ৰতিটো শিশুৰেই ডিঙিত একোখনকৈ ফুলাম গামোচা দেখা গৈছিল। মাক, পেহীয়েক, বায়েকহঁতে বৈ সেই বিহুৱান উপহাৰ দিছিল। তেতিয়া বিহুৰ নতুন পোছাকবোৰতকৈ শিশুসকলৰ নতুন গামোচাখনৰ প্ৰতিহে বেছি আগ্ৰহ পৰিলক্ষিত হৈছিল।

মানুহৰ বিহুৰ দিনাৰে পৰা গাঁৱৰ শিশুসকলে বিভিন্ন গোটত বিভক্ত হৈ হুঁচৰি গোৱা আৰম্ভ কৰিছিল। হুঁচৰিৰ দলবোৰ বয়স অনুপাতে বিভক্ত হৈছিল। একোটা দলত ১০-১২ জনৰ পৰা ১৫-২০জনকৈ শিশু আছিল। হুঁচৰি গাবলৈ যোৱা শিশুসকলৰ কিছুমানে বিহুত দিয়া নতুন পোছাকযোৰ পিন্ধি আৰু বিহুৱানখন লৈ গৈছিল যদিও আন কিছুমানে দেউতাকৰ ধুতি, মাকৰ চাদৰ, বগা গেঞ্জী পিন্ধি, ডিঙিত গামোচা লৈ গৈছিল। কিছুমানৰ হাতত বাঁহৰ টকা আছিল। কণ কণ শিশুসকলৰ দলত এটা মানহে টকা আছিল। আনহাতে, ১০-১২বছৰৰ পৰা ১৪-১৫বছৰীয়া শিশুসকলে ঢোল, খোল, নাগাৰা, তাল, টকা আদি লৈ গৈছিল হুঁচৰি গাবলৈ। আমাৰ দিনত কণ কণ শিশুসকলে বিশেষ হুঁচৰি গাব জনা নাছিল। সচৰাচৰ 'এইঘৰ মানুহ ক'লৈ গ'ল চৰায়ে ধান খালে! পইছা দিব লাগে বুলি দুৱাৰ জপাই থ'লে', 'চাং তলৰ ভেকুলী ওলাই আহা পেটুলী,হাততে এটকী লৈয়ে ঐ গোবিন্দাই ৰাম', 'চাউল গ'ল ছটিয়াই, বেলি গ'ল ভটিয়াই! আমাকো বিদায় দিয়াহে গোবিন্দাই ৰাম' লেখীয়া আধা আধা হুঁচৰি নামকে গোৱা হৈছিল। তেতিয়া হুঁচৰি গাবলৈ যাওতে কোনোবাই ২৫ পইছা (সিকি এটা), কোনোবাই ৫০ পইচা (আধলী), আন কোনোবাই এটকা, দুটকা সৰ্বাধিক ১০ টকা দিছিল। অৱশ্যে দুখীয়া মানুহে টকাৰ সলনি চাউলকে দিছিল। গাঁৱত হুঁচৰি গোৱা শেষ



হোৱাৰ পাছত সংগৃহীত ধনৰে কাৰোবাৰ ঘৰত, স্কুল ঘৰত খানা খোৱা হৈছিল। কিন্তু সেই কামৰো তদাৰক কৰি দিছিল গাঁৱৰ বয়োজ্যেষ্ঠই। কিন্তু শিশুসকলেই পথাৰৰ পৰা খৰি সংগ্ৰহ কৰি আনিছিল। গাঁৱৰ কোনো বয়োজ্যেষ্ঠই খানাৰ বজাৰ কৰি আনি দিছিল আৰু গাঁৱৰে দুগৰাকীমান মহিলাই খানা বনাই দিছিল। এই হুঁচৰি গোৱা, খানা খোৱা এইবোৰে গাঁৱৰ শিশুসকলৰ মাজত সমন্বয় বৃদ্ধি কৰিছিল। ধনী-দুখীয়াৰ ভেদভাৱ নাইকিয়া কৰি দিছিল। লগতে শিশুসকলক গাঁৱৰ প্ৰতিঘৰ লোকৰ স'তে আন্তৰিকতা গঢ়ি তোলাৰ সুযোগ আনি দিছিল তাহানিৰ হুঁচৰিয়ে।

# বিহুৰ মৰমৰ উপহাৰ

**জ্যোৎস্না কলিতা**

**পুৱাৰে** পৰা মৰমীৰ মনটো ভাল নহয়। আজি ব'হাগ বিহু। নাহৰতলৰ ৰাইজে প্ৰথমবাৰলৈ ধুমধামেৰে ৰঙালী বিহু পাতিছে। সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ মাজত বিভিন্ন প্ৰতিযোগিতা পাতিছে। নাহৰতল গাঁৱৰ ল'ৰা-ছোৱালীবোৰৰ মনত বৰ আনন্দ। কাৰণ সিহঁতৰ গাঁৱত আগতে এইদৰে ৰঙালী বিহু পতা নাছিল। অথচ মৰমীৰ মনত দুখ লাগিছে। তাইৰ দেউতাকে গাঁওখনৰ কাৰণে অশেষ কষ্ট কৰিছিল। অনেক উন্নয়নমূলক কাম কৰি গাঁওখনক লেখত ল'বলগীয়া কৰি তুলিছিল। কিন্তু দেউতাকৰ মৃত্যুৰ ছমাহো হোৱা নাই। অথচ গাঁওবাসীৰ মনত অকণো দুখ নাই। এইবাৰেইনো গাঁৱত প্ৰথমবাৰলৈ ৰঙালী বিহু পাতি আনন্দ কৰিবলৈ মন গ'লনে? আগতে দেউতাকে বিহুত তাইক ধুনীয়া ধুনীয়া ফ্ৰক কিনি দিছিল। যোৱাবাৰ মাককো এজোৰ মুগাৰ কাপোৰ দিছিল। কিন্তু মাকে কাপোৰযোৰ পিন্ধিবলৈকে নাপালে। মাকৰ ফালে চালে তাইৰ বৰ বেয়া লাগে। ভগৱানে বাৰু দেউতাকক ইমান কম বয়সতে কিয় লৈ গ'ল? এইবোৰ কথা ভাবি থাকোতেই মৰমীৰ বান্ধৱী চিমি আহি পালে। চিমিয়ে আহি বিহু মেলালৈ যাবলৈ তাইক লগ ধৰিলে। কিন্তু মৰমীয়ে নেযায় বুলি কোৱাত চিমি গ'লগৈ।

ইফালে মাকৰ মনত দুখ থাকিলেও একমাত্ৰ জীয়েকে যাতে কোনো দুখ নাপায় তালৈ তেওঁ বৰ সজাগ। সেইকাৰণেই তেওঁক বিহুমেলালৈ যাবলৈ মৰমীক ওলাবলৈ ক'লে। মাকৰ কথাত তাইৰ খং উঠিল। তেতিয়া মাকে



তাইক বুজালে যে এই ৰঙালী বিহু নাহৰতলৰ ৰাইজে দেউতাকৰ স্মৃতি মন্থন কৰিবলৈহে পাতিছে। 'তোৰ দেউতাৰে ৰাইজলৈ দি যোৱা অৱদানৰ কাৰণে ৰাইজে তেওঁক সকলোৰে মনত জীয়াই ৰাখিবলৈকে এইবাৰৰ পৰা প্ৰতি বছৰে এনেদৰে বিহু পাতিব। এইটো আমাৰ কাৰণে সুখৰ কথাহে নহয়নে? আজি এই বিহুখনত দেউতাৰৰ ফটোত বন্তি জ্বলাবলৈ তোক আৰু মোক মাতিছে। ৰাইজে আজি আমাক সম্ভাষণ জনাব। তই যদি বিহুৰ দিনা এইদৰে অশান্তি কৰি থাক, তেন্তে দেউতাৰে ওপৰৰ পৰা চাই বৰ দুখ পাব।' মাকে তাইক বুজালে। আচল কথাবোৰ জানি তাইৰ মনত আনন্দ লাগিল। অৱশ্যে ভুল ধাৰণা লোৱাৰ বাবে নিজকে দোষী দোষীও অনুভৱ হ'ল। নাহৰতল গাঁৱৰ মানুহৰ প্ৰতি একো নভবা-নিচিন্তাকৈ তাই যে ইমান বেয়া ভাব এটা লৈছিল। মৰমীয়ে আৰু পলম নকৰিলে। ততাতৈয়াকৈ গা-পা ধুই মাকক সেৱা জনাই তেওঁ যতনাই দিয়া জলপান খালে আৰু মাকৰ লগত ৰাইজে পতা বিহুৰ বাকৰিলৈ ওলাল। মৰমীয়ে মাকক দেউতাকে দিয়া মুগাৰ কাপোৰযোৰ পিন্ধিবলৈ দিলে। মাকে ক'লে, 'দেউতাৰে কাপোৰযোৰ মোক মৰমতে দিছিল। আজি তই কাপোৰযোৰ পিন্ধি দেউতাৰৰ ফটোত চাকি জ্বলাবি। দেউতাৰে মনত বৰ আনন্দ পাব।' মাকৰ কথাত মৰমী মান্তি হ'ল যদিও তাইৰ দুচকুৰে লোতক নিগৰি আহিল। মৰমীয়ে ভাবিলে— আজি যদি তাইৰ দেউতাক জীয়াই থাকিলহেঁতেন তেন্তে তেওঁ দিয়া মৰমৰ উপহাৰস্বৰূপ মুগাৰ কাপোৰসাজ তেওঁ নিজেই পিন্ধি গ'লহেঁতেন। তেতিয়া যে মাকক কিমান ধুনীয়া লাগিলহেঁতেন! কিন্তু আজি মাকে অকালতে বগা সাজ পিন্ধিবলগীয়া হৈছে। মৰমীৰ মনটো ভাল নালাগিল যদিও মাকৰ কথা ৰাখিবলৈ তাই মুগাৰ সাজজোৰ পিন্ধি বিহুৰ বাকৰি পালেগৈ। ৰাইজে সিহঁতক আদৰ-সাদৰ কৰি মঞ্চত বহিবলৈ দিলে। মৰমীৰ চকু পৰিল দেউতাকৰ ফটোখনত। এধাৰি ধুনীয়া বগা তগৰ ফুলেৰে গঁঠা মালা দেউতাকৰ ফটোখনত আঁৰি মঞ্চৰ একাষত সজাই থোৱা আছে। দেউতাকৰ ফটোখন দেখি মৰমীৰ চকুলো নিগৰি আহিল। যথাসময়ত শ্ৰদ্ধাঞ্জলি বন্তি প্ৰজ্বলন অনুষ্ঠান আৰম্ভ হ'ল। ৰাইজে মৰমী আৰু মাকক সম্বৰ্দ্ধনা জনালে। লগতে তেওঁলোককো এষাৰ ক'বলৈ দিলে। মৰমীয়ে দেউতাকৰ বিষয়ে ক'বলৈ পায় নিজকে ধন্য মানিলে। তাই ক'লে যে দেউতাকৰ প্ৰতি ৰাইজে জনোৱা মৰম আৰু শ্ৰদ্ধাক সিহঁতে সদায় মনত ৰাখিব। তাইৰ ভাষণ শুনি উপস্থিত ৰাইজৰ চকুলো ওলাল। সকলোৱে তাইক আশীৰ্বাদ দিলে। সঁচাকৈয়ে মৰম, ভালপোৱা, প্ৰেম হৈছে স্বৰ্গীয়, আত্মাৰ অংশ, সেয়া স্বৰ্গৰ পৰিৱেশত মহাজাগতিক শ্বাস-প্ৰশ্বাসৰ স'তেহে তুলনীয়। মৰমীয়ে ভাবিলে, নাহৰতলৰ ৰাইজে দেউতাকক দিয়া সন্মান বিহুৰ মৰমৰ উপহাৰৰ সমানে ডাঙৰ সন্মান।

# কপৌফুলৰ কথা




**অকণিহঁত** আজি তোমালোকক অসমীয়াৰ তথা অসমৰ কলা, সাহিত্য-সংস্কৃতিৰ লগত অতি নিবিড়ভাৱে জড়িত হৈ থকা কপৌফুলৰ বিষয়ে কিছু কথা ক'বলৈ লৈছো। ব'হাগ মানেই যেন কপৌফুল ফুলাৰ বতৰ। উদ্ভিদ বিজ্ঞানৰ মতে কপৌফুল এবিধ ফুল ধৰা 'অৰ্কিডেচি' বৰ্গৰ ঘাঁহজাতীয় গছ। পৰক আশ্ৰয় কৰি জীয়াই থকাৰ কাৰণে ইয়াক পৰাশ্ৰয়ী উদ্ভিদ বুলি কোৱা হয়। সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় ১.৩৭০বিধ প্ৰজাতিৰ কপৌফুল পোৱা যায়। অতি গৌৰৱৰ কথা যে ইয়াৰ ৮০ শতাংশই আমাৰ উত্তৰ-পূৰ্বাঞ্চলতে পোৱা যায়। অৰুণাচল প্ৰদেশ আৰু ছিকিমত কপৌফুলৰ বৈচিত্ৰ্য বেছি। বৰ্তমানলৈকে অসমত প্ৰায় ২০০ বিধ কপৌফুল আছে বুলি জনা গৈছে। কপৌফুলবোৰ সাধাৰণতে খহটা ছালৰ যিকোনো গছতে খামুচি ধৰি আশ্ৰয় লৈ জীয়াই থাকে। আমাৰ অসমত আম, কঁঠাল, কদম, এজাৰ আদি গছত গজে। বসন্তৰ আগমনৰ লগে লগে আন আন বিভিন্ন প্ৰজাতিৰ কপৌফুলবোৰ কলিয়াবলৈ ধৰে। অসমৰ পাহাৰীয়া এঢলীয়া মাটিত 'অৰূপ দিনা' নামৰ কপৌফল যথেষ্ট পোৱা যায়।

বিহু সংস্কৃতিৰ লগত জড়িত সকলোৰে চিনাকি অতি আদৰৰ কপৌফুল বিহুত নহ'লে নাচনীৰ গা-মন নুঠে। ৰঙালী বিহুৰ সময়ত কপৌফুলৰ আদৰ বহুত বেছি। আমাৰ অসমৰ প্ৰাকৃতিক বাতাবৰণ কপৌফুলৰ খেতিৰ বাবে বহু ভাল।

**মধুছন্দা**

অকণিহঁত পৰিতাপৰ কথা যে বৰ্তমান হাবি-বন, গছ-গছনি দ্ৰুতগতিত ধ্বংস হোৱাৰ ফলত বহু প্ৰজাতিৰ কপৌফুল আমাৰ মাজৰ পৰা দিনে দিনে হেৰাই গৈছে। জলবায়ু পৰিৱৰ্তনৰ কাৰণেও কপৌফুল বিলুপ্তিৰ দিশলৈ গতি কৰি গৈ আছে। অকণিহঁত তোমালোক সৰু হ'লেও অন্যান্য প্ৰাণী আৰু উদ্ভিদ সংৰক্ষণ আৰু সুৰক্ষাত গুৰুত্ব দিয়াৰ দৰে কপৌফুল সুৰক্ষাত গুৰুত্ব দিবলৈ চেষ্টা কৰিবা দেই।

# ভাগৱত সৃষ্টি আৰু নাৰদ মুনিৰ জন্ম ৰহস্য



**ড° দিলীপ কলিতা**

*যোৱা সংখ্যাৰ পাছৰ পৰা* শুনা ব্যাসদেৱ, তোমাক মই মোৰ আগৰ জনমৰ কথা কওঁ। আগৰ জনমত মই এজন বামুণৰ দাসীৰ পুত্ৰ আছিলো। এদিন চাৰিজন বৈষ্ণৱ আহি সেই বামুণৰ ঘৰত আশ্ৰয় লৈছিল। তেতিয়া বাৰিষা কাল আছিল। বামুণে মোক সেই বৈষ্ণৱ কেইজনৰ আলপৈচান ধৰাৰ দায়িত্ব দিছিল। তেওঁলোকে এৰা খাদ্যখিনিকে মই বৰ আনন্দ মনেৰে খাইছিলো। তেওঁলোকৰ মুখত ভগৱানৰ মহিমাৰ কথা শুনি ময়ো কৃষ্ণৰ নাম ল'বলৈ ল'লো। এনেদৰে ভগৱানৰ নামলৈ মই অপাৰ আনন্দ লাভ কৰিছিলো আৰু মোৰ দেহ-মন কৃষ্ণৰ চৰণত সঁপি দিছিলো। বাৰিষাকাল পাৰ হোৱাত বৈষ্ণৱকেইজনে বামুণৰ ঘৰৰ পৰা বিদায় লৈ আনফালে যাবলৈ ওলোৱাত মই মনত খুব দুখ পাইছিলো। মই তেওঁলোকক কৈছিলো, হে বৈষ্ণৱসকল, মই মহাপাপী মোক উদ্ধাৰ কৰক। মোৰ কথা শুনি বৈষ্ণৱকেইজনে ক'লে, তুমি হৰিক ভকতি কৰা, তেৰাৰ নাম লোৱা। তেৰাই হৈছে সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰকৰ্তা। তেৰাক বাদ দি আনক পূজা-পাতল কৰা অনুচিত। বৈষ্ণৱসকল বামুণৰ ঘৰৰ পৰা যোৱাৰ কিছুদিনৰ পাছত মোৰ বৃদ্ধ মাতৃক সাপে খোঁটাত তেওঁৰ মৃত্যু হ'ল। মই উপায়হীন হৈ বামুণৰ ঘৰৰ পৰা ওলাই উত্তৰ দিশে গ'লো। বহুত দূৰ যোৱাৰ পাছত মই এখন গভীৰ অৰণ্যত সোমাই পৰিলো। সেই অৰণ্যৰ মাজত থকা এটা হ্ৰদৰ পানী পান কৰি এজোপা আঁহত গছৰ তলত বহি মই হৰিক ধ্যান কৰিলো। মোৰ সাধনাত সন্তুষ্ট হৈ পৰমেশ্বৰে মোক দেখা দিয়াত মই তেওঁক প্ৰণাম জনালো। তাৰ পাছতে তেওঁ অন্তৰ্ধান হ'ল। তেওঁ অন্তৰ্ধান হোৱাত মই মনত দুখ পালো। তেওঁক পুনৰ দেখা দিবৰ বাবে কাকূতি-মিনতি কৰিলো। তেনে সময়তে মই এক আকাশবাণী শুনিবলৈ পালো। হে বালক, তুমি ভক্তিভাৱে মোৰ গুণানুকীৰ্তন কৰি থাকা। অহা জনমত তুমি মোৰ পাৰিষদ হ'ব পাৰিবা। আকাশবাণী শুনাৰ পাছত মই হাবিৰ মাজত হৰিৰ গুণ-গান গাই সময় পাৰ কৰিবলৈ ল'লো। এদিন মোৰ মৃত্যু হ'ল। দাসী পুত্ৰৰ জীৱন পাৰ কৰাৰ পাছত মই এই জনম লাভ কৰি হৰিৰ গুণানুকীৰ্তন কৰি এনেদৰেই সময় পাৰ কৰি আছো। ব্যাসদেৱ, হৰিৰ মহিমা অপাৰ। সেয়েহে তুমি কৃষ্ণৰ মহিমা বৰ্ণনা কৰা ভাগৱত গ্ৰন্থ ৰচনা কৰা। *অহা সংখ্যাত সমাপ্ত*

# চিলা চিলা মন

**গায়ত্ৰী দেৱী বৰঠাকুৰ**

*যোৱা সংখ্যাৰ পাছৰ পৰা* একো নহয় খুৰা। অহা বছৰলৈ যাম দেই।

বাঃ আমাৰ মন বৰ ভাল ল'ৰা দেই। কি জানা, এই ফেষ্টিভেল পতাৰ ফলত আমাৰ ব্ৰহ্মপুত্ৰৰ লাচিতঘাটৰ পৰা শুক্ৰেশ্বৰ ঘাটলৈ পৰিষ্কাৰ হ'ল। সেই ফেষ্টিভেলৰ আয়োজকসকলৰ এই পদক্ষেপ বৰ প্ৰশংসনীয় নহয় জানো। তুমি জানানে মন, এনে কাইট ফেষ্টিভেলবোৰ সৰু-সৰু ল'ৰা- ছোৱালীৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আদিও অনুষ্ঠিত হয়। তোমাৰ এই ছবিখনে নিশ্চয় পুৰস্কাৰ পালে হয় তাত। আৰু মিউজিকেল শ্ব' আদিও অনুষ্ঠিত হয়। ফটোগ্ৰাফী প্ৰতিযোগিতা অনুষ্ঠিত হয় জানা । তুমি ফটোগ্ৰাফীও শিকিবা দেই মন। বৰ ভাল লগা এই ফটোগ্ৰাফীৰ কলা। জানা, আজি-কালি ফটোগ্ৰাফীতো চিলাৰ ব্যৱহাৰ হয়। তুমি চাগে চিনেমাৰ শ্বুটিঙত 'দ্ৰোণ'ৰ ব্যৱহাৰ দেখিছা। ফটোগ্ৰাফীৰ বাবেও 'দ্ৰোণ'ৰ ব্যবহাৰ হয়। 'দ্ৰোণ' উৰি থাকিলে আকাশত চিলা উৰি থকা যেনেই লাগে ন। এতিয়া দেখিলা 'কাইট' মানে চিলাই আমাৰ মনক আনন্দ প্ৰদান কৰাৰ লগতে বুদ্ধিৰ বিকাশতো অৰিহণা যোগায়।

অ' খুৰা, আৰু কোৱা চোন চিলাৰ কথা। বৰ ভাল লাগিছে শুনি।

অ' হয় নেকি? বাৰু শুনা তেনে। ইণ্ডোনেছিয়াৰ মুনা আইলেণ্ডৰ গুহাতত প্ৰথম চিলাৰ নিদৰ্শন পোৱা গৈছিল , যীশুখ্ৰীষ্টৰ জন্মৰ প্ৰায় ৯০০০-৯৫০০ বছৰ আগতে। এই চিলাক 'কঘাটি' বুলি উল্লেখ কৰিছে গুগু'লত। শুকান পাত আৰু বাঁহেৰে এই বিশেষ চিলা বনোৱা হয়।। এনে চিলাৰ আৰ্হি বৰ্তমানো মুনা আইলেণ্ডবাসীৰ মাজত দেখা যায়। চীনাসকলে আকৌ চিলাক পঞ্চম শতিকা মানত দাৰ্শনিক মাঝি আৰু লু বেনে উদ্ভাৱন কৰা বুলি বিশ্বাস কৰে। আৰু শুনা, প্ৰথম অৱস্থাত চিলা উদ্ধাৰ অভিযানতো ব্যৱহৃত হৈছিলে জানা। বিজ্ঞানৰ পৰা যুদ্ধ সকলোতে চিলাৰ ব্যৱহাৰ হৈছিল । প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধত চিলাৰ ব্যৱহাৰৰ কথা কালি মই পঢ়িলো জানা গুগ'লত। আৰু এই কাইটে । ভাৰতবৰ্ষলৈ আহি নাম লয়হি 'পতংগ' মানে তোমাৰ অতি মৰমৰ চিলা। পিছে চিলা ত্ৰয়োদশ শতিকাৰ শেষৰ ফালেহে পৰ্যটক তথা লেখক মাৰ্ক প'ল'ৰ পিছে - পিছে উৰি- উৰি ইউৰোপ পাইছিলেগৈ । জানা, ইউৰোপত চিলাৰ 'সোণালী যুগ' বুলি ক'লে ১৮৬০ ৰ পৰা ১৯১০ ৰ সময় ছোৱাকে বুজা যায় । আৰু চোৱা এতিয়া ৰঙ-বিৰঙৰ চিলা আনকি অনলাইনতো পোৱা যায়। তোমাৰ বাৰু আমনি লাগিছে নেকি মন?

নাই খুৰা । মই এটা কথা ভাবিছো আমাৰ প্লেনৰ আৱিষ্কাৰৰ মূলতে চাগে চিলা আৰু চৰায়েই। অ' তুমি ঠিকেই কৈছা মন। চৰাই আকাশত উৰাদি মানুহৰো আকাশত উৰাৰ হেঁপাহক বাস্তৱ ৰূপ প্ৰদান কৰিলে ৰাইট ব্ৰাদাৰ্চে। চিলাৰ আৰ্হিৰ সহায় ৰাইট ব্ৰাদাৰ্চৰ লগতে বিখ্যাত বিজ্ঞানী গ্ৰাহাম বেলেও লৈছিল জানা।

'অ' খুৰা , গ্ৰাহাম বেল মানে টেলিফোনৰ আৱিষ্কাৰক জন ন খুৰা ।

অ' মন। বিভিন্ন স্তৰৰ মাজেদি আহি আজিৰ চিলা বহুত উন্নত হ'ল। পিছে এটা কথা চিলা বিজ্ঞানৰ দৰে সাহিত্যতো সমাদৃত। আদৰৰ। ফাগুনৰ দৰে কবিতা, গীত সকলোতে চিলাৰ কথা পাবা তুমি।

ৰ'বা খুৰা, মই ফাগুন আৰু চিলা থকা এটা গান শুনাম তোমাক। গানটো দীক্ষু মামাৰ বুলি কৈ মনে গাবলৈ ধৰিলে, নাচো-নাচো লাগি যায় ....যেন ফাগুনী চিলা...নাচো নাচো লাগি যায় গানটো। গানটো শেষ হ'লত কণ খুৰাই ক'লে, তোমাৰো নাচো- নাচো লাগিছে চাগে ন, মন?

'অ' খুৰা। পূৰা। পিছে জুবিন মামাৰ 'চিলা চিলা চিলা মন মনৰ আকাশতে..' গানটোও মোৰ প্ৰিয়। গানটোত চিলাৰ কথাও আছে মোৰ কথাও আছে যে খুৰা।

অ' হয় চোন । মই কথাটো মনেই কৰা নাছিলো নহয় মন। পিছে আজিৰ তাৰিখতো মন কৰিছা নে নাই মন। সোঁফালৰ পৰা লিখিলেও একে বাঁওফালৰ পৰা লিখিলেও একে। ২২.০২.২০২২ -- এনে তাৰিখে আমি চাগে আৰু আমাৰ জীৱন কালত নাপাম আৰু মন। তুমি এবাৰ লিখি চোৱাচোন, এই ছবিৰ বহী খনতে। মনে তাৰিখটো সোঁফালৰ পৰা লিখি চালে। সি আচৰিত হৈ গ'ল। খুৰাকলৈ চাই সি ক'লে, বৰ ধুনীয়া- ধুনীয়া কথা শিকিলো দেই আজিও তোমাৰ পৰা। ধন্যবাদ খুৰা। হ'ব, হ'ব ধন্যবাদ দিব নালাগে। ভাল মানুহ হ'বা বুলি কথা দিয়া আজিৰ এই বিশেষ দিনটোত ।

'হ'ব খুৰা। মই ভাল ল'ৰা হৈ থাকিম সদায়ে খুৰা। বাৰু মন, নিগনি আৰু ৰবৰ শব্দ দুটাও ওলোটাকে লিখি চোৱা চোন । মনে শব্দ দুটা ওলাটাকে লিখি চালে । সি বৰ ভাল পালে খেলটো। দুয়ো মিলি খুউব হাঁহিলে মাকে কালি নিগনিয়ে চিলাৰ ৰছী কাটিব বুলি কোৱা কথাটো খুৰাকৰ আগত কৈ। আৰু জানা খুৰা, অনলাইনত চিলা পাই যদিও মায়ে ঘৰতে বনোৱাতহে গুৰুত্ব দিছে। তেতিয়া বোলে চিলা উৰুৱাই বেছি ভাল পাম। এনেতে গেট খোলৰ শব্দ শুনি মনে দুৱাৰ খুলি চালে । মাক আহিছে। হাতত এটা টোপোলা । আজি আৰু কোনে পাই মনক। খুৰা, তুমিও সহায় কৰিব লাগিব বুলি কৈ একে দৌৰতে মন মাকৰ ওচৰ পালেগৈ। মনৰ পিছে পিছে কণখুৰাও চোতাললৈ বুলি আহি থাকোতে মনতে ভাবিলে, চিলা উৰুৱাবলৈ বাহিৰলৈ গ'লে মনে নিশ্চয় আমাৰ প্ৰকৃতিকো মূৰ তুলি চাব। পলাশ, শিমলু, মদাৰে উপচি পৰা আকাশে , চৰাইৰ জাকে মনৰ মনটো নিশ্চয় ম'বাইলৰ পৰা থপিয়াই আনিব চিলনীৰ দৰে । নহয় নহয় চিলাৰ দৰে। অ' আজিৰ এই দিনটো মনৰ বাবেও বিশেষ চোন -- কণ খুৰাই গুণগুণালে, চিলা চিলা চিলা মন তোৰ আকাশতে ।



*সমাপ্ত*

ফোন ঃ ৮৮২২৯৪৩০৬৪



আৰ চি বিৰ বিৰুদ্ধে বিস্ফোৰক বেটিং চেন্নাই ছুপাৰ কিংছৰ শিৱম ডুবেৰ

# মুম্বাই ইণ্ডিয়ানছৰ প্ৰত্যাৱৰ্তনৰ আশা বুমৰাহৰ

## প্ৰথম চাৰিখন মেচত পৰাস্ত হোৱাৰ পাছত আজি সন্মুখত পঞ্জাৱ কিংছ

**মুম্বাই, ১২ এপ্ৰিল ঃ** 'সকলো দলৰে বেয়া সময় চলি থাকে। কিন্তু সেয়া স্থায়ী নহয়। আমি আশা কৰা ধৰণে খেলিব পৰা নাই। কিন্তু প্ৰত্যাৱৰ্তন কৰিবলৈ দৃঢ়তা ৰাখিছো।' এই মন্তব্য মুম্বাই ইণ্ডিয়ানছ দলৰ সহঃঅধিনায়ক যশপ্ৰীত বুমৰাহৰ। উল্লেখ্য যে চলিত আই পি এলত দুটা দলে চাৰিখন মেচ খেলাৰ পাছতো জয়ৰ মুখ দেখা নাই। দল দুটা হ'ল পূৰ্ব চেম্পিয়ন চেন্নাই ছুপাৰ কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ। কাইলৈ মুম্বাই ইণ্ডিয়ানছে নিজৰ পঞ্চম মেচখন খেলিব পঞ্জাৱ কিংছৰ বিৰুদ্ধে। এই মেচত জয়ৰ আশা কৰিছে মুম্বাই ইণ্ডিয়ানছ দলৰ সহঃঅধিনায়ক তথা টীম ইণ্ডিয়াৰ পেচাৰ যশপ্ৰীত বুমৰাহে। অন্তিম মেচত আৰ চি বি দলে সাত উইকেটত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা মুম্বাই ইণ্ডিয়ানছ দলে ছয় উইকেটত ১৫১ ৰাণ কৰাৰ প্ৰত্যুত্তৰত আৰ চি বিয়ে তিনি উইকেটত ১৫২ ৰাণ কৰি জয় অৰ্জন কৰে। এয়া আৰ চি বিৰ তৃতীয় জয়। আনহাতে, মুম্বাই ইণ্ডিয়ানছৰ ক্ৰমাগত চতুৰ্থ পৰাজয় আছিল। ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাই নেতৃত্ব দিয়া মুম্বাই ইণ্ডিয়ানছ দলৰ এই প্ৰদৰ্শনক লৈ হতাশ হৈছে বিগত পাঁচটা ছিজনৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলৰ সমৰ্থকো।



## বাংলাদেশৰ পেচ বলাৰ খলীলৰ মেচ ফ্ৰী কৰ্তন

**জোহান্সবাৰ্গ, ১২ এপ্ৰিল ঃ** বাংলাদেশৰ পেচ বলাৰ খলীল আহমেদৰ মেচ ফ্ৰী কৰ্তন কৰিছে আই চি চিয়ে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্টত বিধি নিষিদ্ধ বলিং কৰাৰ বাবে আই চি চিয়ে ১৫ শতাংশ মেচ ফ্ৰী কৰ্তন কৰিছে বাংলাদেশৰ পেচ বলাৰ খলীল আহমেদৰ। আজি আই চি চিয়ে এই কথা প্ৰকাশ কৰে।



উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই বাংলাদেশৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটো ২-০ ৰ ব্যৱধানৰে দখল কৰিছে। দক্ষিণ আফ্ৰিকা আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাটো আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ আছিল। দ্বিতীয়খন টেষ্টত দক্ষিণ আফ্ৰিকা ৩৩২ ৰাণৰ বৃহৎ ব্যৱধানত জয়ী হৈ শৃংখলা দখল কৰে। দক্ষিণ আফ্ৰিকাই দিয়া ৪১৩ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি বাংলাদেশে দ্বিতীয় ইনিংছ মাত্ৰ ৮০ ৰাণতে সামৰে। উল্লেখ্য যে টেষ্টখনত দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত ৪৫৩ ৰাণ কৰাৰ পাছত বাংলাদেশে ২১৭ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। আনহাতে, প্ৰথম ইনিংছত অগ্ৰগতি লোৱা দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি ছয় উইকেটত ১৭৬ ৰাণ কৰি ইনিংছ ঘোষণা কৰে। ইয়াৰপূৰ্বে ডাৰবানত হোৱা প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাই বাংলাদেশৰ সন্মুখত ২৭৪ ৰাণৰ বিজয়লক্ষ্য দিছিল। প্ৰত্যুত্তৰত অন্তিম দিনা বাংলাদেশে মাত্ৰ ৫৩ ৰাণতে দ্বিতীয় ইনিংছ সামৰি ২২০ ৰাণত পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত ৩৬৭ ৰাণ কৰাৰ প্ৰত্যুত্তৰত বাংলাদেশে ২৯৮ ৰাণত অলআউট হয়। ইফালে, প্ৰথম ইনিংছত অগ্ৰগতি লৈ দক্ষিণ আফ্ৰিকাই ২০৪ ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু সামগ্ৰিকভাৱে ২৭৩ ৰাণৰ অগ্ৰগতি লয়।

## ৰাষ্ট্ৰীয় শক্তি উত্তোলনত নগাঁৱৰ খেলুৱৈৰ সফলতা অৰ্জন

**বিশেষ সংবাদদাতা**
**নগাঁও,১২ এপ্ৰিল ঃ** মহাৰাষ্ট্ৰৰ নাগপুৰত অনুস্থিত হৈ যোৱা ৰাষ্ট্ৰীয় শক্তি উত্তোলন প্ৰতীযোগিতাত নগাঁৱৰ এগৰাকী খেলুৱৈয়ে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। নগাঁৱৰ পশ্চিম জলাহৰ বিদ্যুত বৰা নামৰ খেলুৱৈ গৰাকীয়ে প্ৰতিযোগিতাৰ ১৮০ কেজি শাখাত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰে। বিদ্যুতৰ এই সাফল্যত গাওঁ বাসী উৎফুল্লিত হৈ পৰিছে। কালি গাওঁ খনত অনুস্থিত এক সভাত গাওঁ বাসীয়ে খেলুৱৈ গৰাকীক সম্বৰ্ধনা জনায়। উল্লেখ্য যে বিদ্যুতে প্ৰশিক্ষক অৰূপ কুমাৰ বৰাৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰে। বিদ্যুৎ মুকুল বৰা আৰু দুলু বৰাৰ পুত্ৰ। উল্লেখ্য যে ৰাষ্ট্ৰীয় শক্তি উত্তোলন প্ৰতিযোগিতাত অসম দলে ২২ টা সোণ, আঠটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদকেৰে সৰ্বমুঠ ৩৫ টাকৈ পদক লাভ কৰে বুলি অসম ৰাজ্যিক শক্তি উত্তোলন সন্থাৰ সাধাৰণ সম্পাদক অজয় চেতিয়াই জানিবলৈ দিয়ে। অসম দলৰ প্ৰশিক্ষক তথা ধনশিৰিৰ দেবব্ৰত শৰ্মাৰ লগতে ৰাজ্যিক সভাপতি আৰু কাৰ্যকৰী সভাপতি মজনুৰ আলী আৰু ভৰজ্যোতি গোস্বামীয়ে দলটিৰ সফলতাত অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিছে।

## আই পি এলত ভাৰতীয় হিচাপে দ্ৰুত ছিক্সাৰৰ শতক হাৰ্দিকৰ



**মুম্বাই, ১২ এপ্ৰিল ঃ** চলিত আই পি এলত যোৱানিশা ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হয় গুজৰাট টাইটানছ দল। কিন্তু এই মেচত এক অভিলেখ গঢ়ে গুজৰাট টাইটানছ দলৰ অধিনায়ক হাৰ্দিক পাণ্ডিয়াই। আই পি এলত ভাৰতীয় হিচাপে দ্ৰুত ছিক্সাৰৰ শতক অৰ্জন কৰিছে হাৰ্দিকে। অৱশ্যে বিশ্বৰ ক্ৰিকেটাৰৰূপে পাণ্ডিয়া তৃতীয় স্থানত থাকিল। আই পি এলত পূৰ্বে দ্ৰুত ছিক্সাৰৰ শতক অৰ্জন কৰিছে ৱেষ্ট ইণ্ডিজৰ দুই বেটছমেন ক্ৰিছ গেইল আৰু আন্দ্ৰে ৰাছেলে। উল্লেখ্য যে চলিত আই পি এলত কালি প্ৰথম পৰাজয়ৰ সন্মুখীন হৈছে গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত ১৬২ ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক ৫০ ৰাণ কৰে অধিনায়ক হাৰ্দিক পাণ্ডিয়াই। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৯.১ অভাৰত দুই উইকেটত ১৬৮ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। দলৰ হৈ কেন উইলিয়ামছনে ৫৭ আৰু অভিষেক শৰ্মাই ৭৫ ৰাণ কৰে। এই ব্যৰ্থতাৰ পাছতে দলে শীৰ্ষ চাৰিৰ পৰা অৱনমিত হৈছে।



বেটিঙৰ সময়ত চিএছকেৰ উথাপ্পা

### ক্ৰমাগত দ্বিতীয় মেচত জয়লাভ ছানৰাইজাৰ্ছৰ

## প্ৰথম পৰাজয়ৰ পাছতে শীৰ্ষ চাৰিৰ পৰা অৱনমিত টাইটানছ

**মুম্বাই, ১২ এপ্ৰিল ঃ** চলিত আই পি এলত যোৱানিশা অনুষ্ঠিত হোৱা খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হয় গুজৰাট টাইটানছ দল। উল্লেখ্য যে এয়া ছানৰাইজাৰ্ছ হায়দৰবাদৰ ক্ৰমাগত দ্বিতীয় বিজয় হোৱাৰ বিপৰীতে চলিত আই পি এলত প্ৰথম পৰাজয়ৰ সন্মুখীন হৈছে গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত ১৬২ ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক ৫০ ৰাণ কৰে অধিনায়ক হাৰ্দিক পাণ্ডিয়াই। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৯.১ অভাৰত দুই উইকেটত ১৬৮ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। দলৰ হৈ কেন উইলিয়ামছনে ৫৭ আৰু অভিষেক শৰ্মাই ৭৫ ৰাণ কৰে। উল্লেখ্য যে চলিত আই পি এলত এয়া গুজৰাট টাইটানছৰ প্ৰথম পৰাজয়। এই ব্যৰ্থতাৰ পাছতে দলে শীৰ্ষ চাৰিৰ পৰা অৱনমিত হৈছে। ইফালে, এয়া ছানৰাইজাৰ্ছ হায়দৰবাদৰ ক্ৰমাগত দ্বিতীয়। ইয়াৰ পূৰ্বৰ মেচত চেন্নাই ছুপাৰ কিংছ দলক আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। তিনিখন মেচ খেলা ছানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ সেয়া আছিল প্ৰথম জয়। দলে প্ৰথম দুখন মেচত পৰাস্ত হৈছিল। কিন্তু জয়ী হৈ ব্যৰ্থতাৰ হেট্ৰিকৰ পৰা ৰক্ষা পৰে ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। মেচখনত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে সাত



উইকেটত ১৫৪ ৰাণ কৰে। সৰ্বাধিক ৪৮ ৰাণ কৰে মঈন আলীয়ে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৭.৪ অভাৰত দুই উইকেটত ১৫৫ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। দলৰ হৈ অভিষেক শৰ্মাই ৭৫ ৰাণ কৰে।

## ভক্তি মেধি ক্ৰিকেটত হেলছিয়াম চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১২ এপ্ৰিল ঃ** গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি ভক্তি মেধিৰ সোঁৱৰণত ডি এন সিংহ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ভক্তি মেধি টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত গোৱালপাৰাৰ হেলছিয়াম ক্লাবে চুড়ান্ত বিজয়ী হয়। উল্লেখ্য যে প্ৰায়ত ভক্তি মেধিৰ পৰিয়াল বৰ্গই জিলা ক্ৰীড়া সন্থা আৰু ইউনিটি ক্লাবৰ উদ্যোগত তথা এ ডি এন্টাৰপ্ৰাইজৰ সহযোগত যোৱা পাঁচ এপ্ৰিলৰ পৰা অনুষ্ঠিত কৰা ভক্তি মেধি টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত মুঠ আঠটা দলে অংশগ্ৰহণ কৰিছিল। ইয়াৰে আজি অনুষ্ঠিত হোৱা ফাইনেল খেলত গোৱালপাৰা হেলছিয়াম ক্লাবে চেম্পিয়ন হোৱাৰ বিপৰীতে জেনিথ ক্ৰিকেট ক্লাবে বিজিত দলৰ সন্মান লাভ কৰে। ইপিনে হেলছিয়াম ক্লাবৰ ধ্ৰুৱজ্যোতি দাসে ফাইনেলৰ মেন অফ দা মেচৰ সন্মান লাভ কৰাৰ বিপৰীতে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ উইকেটকীপাৰ হিচাপে গৌৰৱ ঠাকুৰীয়া,ফিল্ডাৰ হিচাপে আব্দুল আজিজ, বেটচমেন হিচাপে জাংখালি মমিন আৰু তিখৰজ্যোতি গগৈয়ে শ্ৰেষ্ঠ বলাৰ হিচাপে পুৰস্কৃত হয়। বটাঁ বিতৰণী অনুষ্ঠানত কেবাগৰাকী আম্পায়াৰৰ আৰু প্ৰাক্তন ক্ৰিকেট খেলুৱৈৰ লগতে ক্ৰীড়া সংগঠকক ট্ৰফীৰে সন্মান জনোৱা হয়। তপন চক্ৰৱৰ্তীয়ে আতঁ ধৰা বটাঁ বিতৰণী সভাত মূখ্য অতিথি হিচাবে উপস্থিত থাকি জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডীৰ লগতে জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন দাস, মহকুমা ক্ৰীড়া বিষয়া নবীন ৰাভা আৰু ৰাকেশ চক্ৰৱৰ্তীয়ে খেলুৱৈসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে।



### আজি আন্তঃক্লাব ক্ৰিকেটৰ ফাইনেল

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** ষষ্ঠ সদৌ অসম গোলাপ আৰু আৰতি হাজৰিকা তথা শৰৎ কলিতা সোঁৱৰণি আন্তঃক্লাব ক্ৰিকেট টুৰ্ণামেণ্টৰ ফাইনেলত উপনীত হৈছে গুৱাহাটী টাউন ক্লাব আৰু বাড ক্ৰিকেট ক্লাব। দুয়ো দলৰ মাজৰ খিতাপ যুঁজখন কাইলৈ পুৱা ন বজাৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আজি বাডে ১৪৬ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে ৰয়েল ক্ৰিকেট ক্লাবক। প্ৰথমে বেট ধৰি বাডে ৩৮ অভাৰত ছয় উইকেটত সংগ্ৰহ কৰে ২৩২ ৰাণ। দলৰ ডেনিছ দাসে ৯১, কৌশিক গিৰিয়ে অপৰাজিত ৬২ আৰু স্বৰূপম পুৰকায়স্থই ৩৫ ৰাণ কৰে। প্ৰতিপক্ষৰ মুৰা সিঙে চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰয়েলে ২১.৩ অভাৰত ৮৫ ৰাণতে ইনিংছ সামৰে। দলৰ আয়ুস আগৰৱালাই কৰে ৩১ ৰাণ। বেটৰ লগতে বলিঙতো চাৰিটা উইকেট দখল কৰা স্বৰূপমক মেন অৱ দ্য মেচ ট্ৰফী প্ৰদান কৰা হয়। খেলৰ আম্পায়াৰদ্বয় আছিল ৰাফেল আহমেদ আৰু জিন্টু দাস। স্ক'ৰাৰ আছিল নিতুল আলী। ইয়াৰপূৰ্বে প্ৰথম ছেমিফাইনেলত গুৱাহাটী টাউন ক্লাবে পৰাস্ত কৰিছিল আয়োজক চিটি ক্ৰিকেট ক'চিং চেণ্টাৰক। কাইলৈ দিনৰ ২.৩০ বজাত সামৰণি অনুষ্ঠান হ'ব বুলি জনাইছে সম্পাদক গৌতম হাজৰিকাই।

## সদৌ বংশৰ ক্ৰীড়া সন্থাৰ ৪০ উৰ্ধ্বৰ প্ৰীতি ফুটবল

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** সদৌ বংশৰ ক্ৰীড়া সন্থাই পূৰ্বৰ দৰেই এইবাৰো গৰু বিহুৰ দিনা (১৪ এপ্ৰিল) বংশৰ গাঁও পঞ্চায়ত আৰু গন্ধমৌ গাঁও পঞ্চায়তৰ মাজত ৪০ উৰ্ধ্বৰ পুৰুষৰ প্ৰীতি ফুটবল প্ৰতিযোগিতা আয়োজন কৰিছে। বিয়তি তিনি বজাত এই প্ৰীতি ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব বংশৰ মিনি ষ্টেডিয়ামত। ইফালে, প্ৰীতি ফুটবল প্ৰতিযোগিতাখনৰ পূৰ্বে জিলা পৰ্যায়ৰ এথলেটিকছ আৰু ফুটবলত সফলতা লাভ কৰা ১৯ গৰাকী খেলুৱৈক সম্বৰ্ধনা জনাব সদৌ বংশৰ ক্ৰীড়া সন্থাই।

### আন্তঃজিলা জিমনাষ্টিক প্ৰতিযোগিতা

## শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰা শিৱসাগৰৰ খেলুৱৈক সম্বৰ্ধনা

**বিশেষ সংবাদদাতা,**
**শিৱসাগৰ, ১২ এপ্ৰিল ঃ** গুৱাহাটীৰ ভাগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা ৩১ সংখ্যক সদৌ অসম আন্ত:জিলা জিমনাষ্টিক প্ৰতিযোগিতা আৰু নগাঁৱত অনুষ্ঠিত ৩০ সংখ্যক আন্তঃজিলা প্ৰতিযোগিতাত শিৱসাগৰ জিলাৰ খেলুৱৈ সকলে ভালেসংখ্যক পদক লাভ কৰাৰ লগতে শ্ৰেষ্ঠ দলৰ সন্মান বুটলিবলৈ সক্ষম হৈছিল।। প্ৰতিযোগিতাত শিৱসাগৰ জিলা শ্ৰেষ্ঠ দল হিচাপে নিৰ্বাচিত হাৱোৰ লগতে শিৱসাগৰ জিলাৰ খেলুৱৈ সকলে নটা সোণৰ , চাৰিটা ৰূপৰ আৰু ১৩ টা ব্ৰঞ্জৰ পদকেৰে মুঠ ২৬ টা পদক লাভ কৰি শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। খেলুৱৈসকলৰ এনে সাফল্যত আজি শিৱসাগৰৰ কাশ্যপ জিমনাচিয়া আৰু যোগা স্প'ৰ্টছ চেণ্টাৰৰ উদ্যোগত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ সভাখনৰ সভাপতিত্ব কৰে বিশিষ্ট খেলুৱৈ তথা জেষ্ঠ সাংবাদিক মনোজ কুমাৰ গগৈয়ে। সভাত অৰ্জুন ভোগেশ্বৰ বৰুৱাই অংশগ্ৰহণ কৰি ক্ৰীড়াৰ উত্তৰণৰ বাবে সকলোৱে একেলগে কাম কৰিলেহে খেলুৱৈ সকলক মানসিক আৰু শাৰীৰিকভাৱে আগবঢ়াই নিব পাৰিব বুলি মন্তব্য কৰে। সভাত অংশ লৈ মীৰা সিনহা,শিৱসাগৰ ক্ৰীড়া সন্থাৰ সভাপতি পোনাৰাম মিলি, বসন্ত গগৈ, শিৱসাগৰ প্ৰেছ ক্লাৱৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকাই খেলুৱৈসকলক অভিনন্দন জনোৱাৰ লগতে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। বন্দিপা গগৈয়ে আঁত ধৰা আৰু অনুষ্ঠানটোৰ সম্পাদক শৰৎ দত্তই উদ্দেশ্য ব্যাখ্যা কৰে। সভাত মুক্তাৰ হুছেইন, নজিউল্লা হাজৰিকা , আকবৰ আলী, মিনহাজ আহমেদ, কৌস্তভ কাশ্যপ গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।



প্ৰথম ভাৰতীয় ফুটবল ক্লাবৰূপে এ এফ চি চেম্পিয়নছ লীগত মেচ জয়ৰ গৌৰৱ মুম্বাই চিটি এফ চিৰ

### গোলাঘাট ক্ৰীড়া সন্থাৰ শতবৰ্ষ

## প্ৰীতি ফুটবলত শ্বিলঙৰ লাজং একাদশৰ জয়লাভ

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ শতবৰ্ষ উদযাপনৰ তিনিদিনীয়াকৈ আয়োজন কৰা আৰম্ভনী অনুষ্ঠানৰ অন্তিমদিনা অনুষ্ঠিত প্ৰীতি ফুটবল খেলত শ্বিলঙৰ লাজং একাদশে দুলীয়াজানৰ অইল ইণ্ডিয়া একাদশক ২-১ গ'লত পৰাস্ত কৰে । প্ৰথমাৰ্ধত অইলে এটা আত্মঘাতী গ'ল হজম কৰিব লগীয়া হয় । ফলত প্ৰথমাৰ্ধত লাজং ১-০ গ'লত আগবাঢ়ি থাকে । দ্বিতীয়াৰ্ধত অইলৰ মিণ্টু বৰুৱাই এটা গ'ল পৰিশোধ কৰাত খেলখন ১-১ গ'লত ড্ৰ হৈ পৰাত আকৰ্ষণীয় হৈ পৰে । লাজঙে উপৰ্য্যপৰি অইলৰ গ'লত আক্ৰমণ চলাই যায় । ফলত খেলৰ শেষৰ ফালে লাজঙৰ ষ্টিফেন সিং বানিয়ে এটা গ'ল স্কৰ কৰাত লাজঙে ২-১ গ'লত জয়লাভ কৰে । খেলখন পৰিচালনা কৰে সুমন্ত দত্তই আৰু লাইনত সহায় কৰে সুশান্ত বৰা আৰু ৰঞ্জিত শ্ৰেষ্ঠই । সামৰণি অনুষ্ঠানত আন্তৰাষ্ট্ৰীয় মহিলা ফুটবলাৰ ৰমিলা ক'লক ক্ৰীড়া সন্থাৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হয় । অনুষ্ঠানত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে অল ইণ্ডিয়া ফুটবল ফেডাৰেচনৰ উপ সভাপতি লাৰসিং, অসম ফুটবল সন্থাৰ কোষাধ্যক্ষ হীৰেন গগৈ, বিশিষ্ট ক্ৰীড়া সংগঠক তৰুণ দত্ত, উপায়ুক্ত মৃগেশ নাৰায়ন বৰুৱা, ক্ৰীড়া বিষয়া ছেমী শইকীয়া, কাৰ্বি আংলঙৰ জিলা ক্ৰীড়া বিষয়া ৰিলীপ ৰংহাং , জিলা ক্ৰীড়া সন্থাৰ সভাপতি অজিত বৰুৱা, সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈ আদি । আৰম্ভণিতে আৰক্ষীৰ পুলিচ বেণ্ড, মাৰ্চিয়েল আৰ্টৰ কলা কৌশল, ভোৰতাল নৃত্য আদিৰ প্ৰদৰ্শনে ৰাইজৰ সমাদৰ লাভ কৰে । অনুষ্ঠানটোৰ আঁত ধৰে অজয় ভৰালীয়ে।



## স্কুল দবাত ঈশান্ত-প্ৰাপ্তি চেম্পিয়ন

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** মৰিগাঁও জিলা দবা সন্থা আৰু শিক্ষক সমাজৰ উদ্যোগত মৰিগাঁও মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হোবা আন্ত: স্কুল দবা প্ৰতিযোগিতাত ল'ৰাৰ শাখাত ইশান্ত প্ৰতীম ডেকা আৰু ছোবালী শাখাত প্ৰাপ্তিয়ে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে । দুয়োগৰাকী দবাৰুবে মুঠ ছয় খনৰ আটাইকেইখনতে জয়ী হয় । আনহাতে প্ৰতিযোগিতা খনৰ ল'ৰা আৰু ছোৱালী উভয় শাখাত দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে নিশান্ত মহান্তি ,পীয়ূষ প্ৰীতম মছৰংগ আৰু বাৰবী শইকীয়া , ৰুবিনা আখটাৰ । প্ৰতিযোগিতাখনৰ বঁটা বিতৰণী সভাত মুখ্য অতিথি আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিজয়ী দবাৰুৰ মাজত বঁটা বিতৰণ কৰে মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া আৰু সদৌ অসম দবা সন্থাৰ সভাপতি কন্দৰ্প কলিতাই । উল্লেখ্য যে প্ৰতিযোগিতাৰ পূৰ্বে ন-দবাৰু সকলৰ মাজত এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰে উদ্যোক্তাসকলে । মৰিগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ দুই শতাধিক শিকাৰুবে অংশ কৰা এই প্ৰশিক্ষণ শিবিৰত মূখ্য সমল ব্যক্তি হিচাপে থাকে সদৌ অসম দবা সন্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ ধৰ । উক্ত দবা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠানিকভাবে মুলকি কৰে বিদ্যালয় সমূহৰ পৰিদৰ্শক বুলি গগৈয়ে ।

## বিলাসনন্দন চ'ৰা




## ৰঙালী বিহুৰ উপহাৰ

ঃ হেল্ল'! মে দিছপুৰ চে বোল ৰাহা হু!
ঃ বোলিয়ে বোলিয়ে! আচ্ছে দিন আহক বা নাহক, আপলোগো কা বিহু কিন্তু আ গয়া!
ঃ হা হা! বিহু আহি গ'ল জাহাপনা!
ঃ বিহুৰ আয়োজন কেনে চলিছে?
ঃ ভালেই চলিছে।
ঃ মানুহবোৰে স্ফূৰ্তি কৰিছে নে?
ঃ স্ফূৰ্তি কৰিছে নে নাই, নাজানো জাহাপনা। জঁপিয়াই থকা কিন্তু দেখিছো।
ঃ কিয় জঁপিয়াই আছে?
ঃ নাজানো জাহাপনা!
ঃ বিহু নাচি আছে নেকি?
ঃ নাজানো জাহাপনা! কিন্তু...
ঃ কিন্তু কি?
ঃ মোৰ লগৰ দুটামানে কৈছে যে সিহঁতে বোলে ৰঙালীৰ আনন্দত নচা নাই।
ঃ তেন্তে?
ঃ বজাৰৰ জুইৰ প্ৰচণ্ড তাপ আহি পাছফালে লাগিছে। সেই কাৰণে এনেকৈ জঁপিয়াই আছে।
ঃ তুমি কি কৈছা?
ঃ বজাৰত জুই লাগিছে যদি তাক মেনেজ কৰা হ'ব বুলি কৈছো।
ঃ পাৰিবা! তুমি পাৰিবা! সেই মেনেজ কৰা কামটোত তুমি মাষ্টাৰ।
ঃ আপুনি আহিব নেকি?
ঃ ক'লৈ?
ঃ আমাৰ ইয়ালৈ!
ঃ কি বুলিনো যাম?
ঃ বিহু বুলিয়ে আহক।
ঃ বিহুত গৈ কি কৰিম?
ঃ ঢোল বজাব। আপোনাৰ কাৰণে মই স্পেচিয়েল ঢোল এটা থৈ দিছো।
ঃ নাই নাই, মই ঢোল নবজাওঁ।
ঃ কিয়? আগেয়ে দেখোন আপুনি নিজৰ ঢোলটো খুউব ভালকৈ বজাব পাৰিছিল।
ঃ নাই! আজিকালি নোৱাৰো।
ঃ কিয় নোৱাৰে জাহাপনা?
ঃ আজিকালি মোৰ কিবা হৈছে।
ঃ কি হৈছে জাহাপনা?
ঃ মই বজালেই ঢোলটো দেখোন ফাটি যায়। ফটা ঢোল বজাবলৈ লাজ লাগে।
ঃ সেই কাৰণেই চাগে অপ'জিছনে কোৰা-কুই কৰিছে যে আপুনি ফটা ঢোলটো আৰু কিমান দিন বজাব।
ঃ মোৰ ঢোলটো কেতিয়াবাতে ফাটিছে! মই বুলিহে সেইটো বজাই আছো। চেনেলে চেনেলে কোৰাই দিছো যে মোৰ ঢোলটোৰ মাতটো ফটা ঢোলৰ মাত যেন লাগিব পাৰে। কিন্তু আচলতে ঢোলটো ফটা নাই। আগতকৈ ঢোলটো বহল হৈছে। জুখি চালে চাপ্পন ইঞ্চিৰ মান হ'ব।
ঃ চেনেলবোৰৰ এইটোৱে ভাল— আপোনাৰ-আমাৰ ঢোলবোৰ বৰ ভালকৈ বজায় সিহঁতে!
ঃ ভাল হৈছে। আগতকৈ কাম কমিছে সিহঁতৰ। এতিয়া কেৱল মোৰ ঢোল বজোৱা কামটোকে কৰি থাকিলে হ'ল।




ঃ ঢোল নবজায় যদি পেঁপাকে বজাওক জাহাপনা!
ঃ নাই, নবজাওঁ।
ঃ কিয়?
ঃ দম নাই। ২০২৪ৰ চিন্তাই বহু দম নাইকিয়া কৰি দিছে।
ঃ তেন্তে গগনা বজাওক।
ঃ নালাগে। দাড়িকেইডালে দিকদাৰ কৰিব।
ঃ তেন্তে বিহু বুলি কি কৰিব?
ঃ বিহু বুলি অচমবাচীক এটা উপহাৰ দিম।
ঃ কি উপহাৰ দিব জাহাপনা?
ঃ এটা ডাঙৰ উপহাৰ দিম!
ঃ কি দিব জাহাপনা?
ঃ ৰঙালী বিহুৰ শুভেচ্ছা দিম।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# টিংখাঙত পাঁচ হেজাৰ ঢুলীয়া, বিহু নাচনীৰ নৃত্য প্ৰদৰ্শন জুবিন-পাপনৰ গীতত মুখৰিত পৰিৱেশ

**অগ্ৰদূত বাৰ্তা**
**ৰাজগড়, ১২ এপ্ৰিল ঃ** অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ পৰ্যটন বিভাগৰ সহযোগত ১১৯ নম্বৰ টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা ৰঙালী উৎসৱ ২০২২ৰ আজি সফল সামৰণি পৰে। ক্ৰীড়া, যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী তথা টিংখাঙৰ বিধায়ক বিমল বড়াৰ নেতৃত্বত আৰু স্থানীয় ৰাইজৰ সহযোগত সম্পন্ন হোৱা ব্যতিক্ৰমী অনুষ্ঠানটি উদ্বোধন কৰে অসম পৰ্যটন বিভাগৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পৰম্পৰাগত ৰছী টনা, কণী যুঁজ, বস্তাত সোমাই জঁপিয়াই যোৱা, পিছল গছত উঠি হাঁহ ধৰা আদি খেলৰ লগতে অসমীয়া থলুৱা খাদ্য সম্ভাৰ, মুখা বনোৱা আৰু কুইজ প্ৰতিযোগিতা, চিত্ৰকলা কৰ্মশালাকে আদি কৰি হস্ততাঁত-হস্তশিল্প, মুখাশিল্প, সত্ৰীয়া নৃত্য, বৰপেটাৰ আতচবাজী প্ৰদৰ্শন কৰা হয়। তদুপৰি সন্ধিয়া স্থানীয় শিল্পীৰ সাংস্কৃতিক সন্ধিয়া সম্পন্ন হয়। উদ্বোধনী অনুষ্ঠানত অসম পৰ্যটন বিভাগৰ সঞ্চালিকা মধুমিতা ভাগৱতীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী বড়াই আজি শেষৰ দিনা উদ্বোধন কৰা কাৰ্যসূচীত অনুষ্ঠানটিৰ মুখ্য অকৰ্ষণ প্ৰায় পাঁচ হেজাৰ ঢুলীয়া আৰু বিহু নাচনীৰ নৃত্য প্ৰদৰ্শনেৰে মুখৰিত হয় টিংখাঙৰ আকাশ-বতাহ।

তদুপৰি সন্ধিয়ালৈ বিশাল মণ্ডপত সমাহাৰ ঘটা জুবিন, পাপন, নীল আকাশ, কুসুম কৈলাশ, মাধৱ ৰঞ্জন, যতীন বৰা, সীমান্ত শেখৰ, ৰিদিপ বং কিতকে ধৰি ৰাজ্যৰ আগশাৰীৰ ২০ৰো অধিক জনপ্ৰিয় শিল্পী-অভিনেতা তথা কলা-কুশলী আদিয়ে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰি জীপাল কৰি তোলে সমগ্ৰ পৰিৱেশ। অভিনেত্ৰী নিশিতা গোস্বামী আৰু উদয়ন গগৈয়ে সঞ্চালনা কৰা সাংস্কৃতিক অনুষ্ঠানটি মাধৱ ৰঞ্জনৰ গীত পৰিৱেশনেৰে আৰম্ভ হয়। অনুষ্ঠানত বৰপেটাৰ আতচবাজীৰ প্ৰদৰ্শন কৰিও আন এক নান্দনিক পৰিৱেশ সৃষ্টি কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। দুদিনীয়া এই বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত কে'বাসহ সহস্ৰাধিক লোকৰ সমাগম ঘটে।

## আলফা (স্বাধীন)ত যোগদানৰ সন্দেহত দেৰগাঁৱৰ যুৱক আটক

**দেৰগাঁও, ১২ এপ্ৰিল ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আলফা (স্বাঃ)ত যোগ দিবলৈ যুৱক-যুৱতী যোৱা খবৰে আৰক্ষী-প্ৰশাসনৰ মাজত খলকনিৰ সৃষ্টি কৰিছে। ছাত্ৰ সংগঠনৰ নেতা, খেলুৱৈ, অভিযন্তাৰ পৰা আৰম্ভ কৰি স্কুলীয়া ছাত্ৰীলৈকে বহুজন সন্ধানহীন হৈ পৰাৰ পাছত দেখিবলৈ পোৱা গৈছে আলফা (স্বাঃ)ত যোগদান কৰা খবৰ আহে। কিছুদিনৰ পৰা উজনি অসমৰ বহু যুৱক-যুৱতীয়ে নিষিদ্ধ ঘোষিত সংগঠনটোলৈ গোপনে গমন কৰি থকাৰ কথা পোহৰলৈ অহাৰ সময়তে পুনৰ সংগঠনটোত যোগ দিবলৈ যোৱাৰ সন্দেহত কালি সন্ধিয়া নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত দেৰগাঁও আৰক্ষী থানাৰ এটা দলে অভিযান চলাই দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজহ কমাগাঁৱৰ গন্ধীয়া গাঁৱৰ নিজা বাসগৃহৰ পৰা আটক কৰে প্ৰয়াত গৌবিন হাজৰিকাৰ দ্বিতীয় সন্তান সুৰজ হাজৰিকাক (৩৫)। এই সন্দৰ্ভত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি)/১২১/১২৪এ/আই পি এ ধাৰা অনুযায়ী ৬৫/২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰি জেৰা অব্যাহত ৰাখিছে। আটকাধীন যুৱকজনে আলফা (স্বাঃ)ত যোগাযোগ স্থাপনত সন্দেহ প্ৰকাশ কৰিছে বুলি চৰ্চা লাভ কৰিছে যদিও এই সম্পৰ্কত কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হোৱা নাই। তদুপৰি সংবাদ মাধ্যমৰ আগতো দেৰগাঁও আৰক্ষীয়ে এই সন্দৰ্ভত কোনো তথ্য সদৰী কৰা নাই। ইফালে, পৰিয়ালৰ লোকে যুৱকজনৰ আলফাৰ লগত কোনো ধৰণৰ যোগাযোগ থকাৰ কথা অস্বীকাৰ কৰাৰ লগতে আটক যুৱকজনক পুনৰ গৃহলৈ ঘূৰাই নিয়াৰ বাবে দেৰগাঁও আৰক্ষী প্ৰশাসনক কাতৰ আহ্বান জনাইছে।

## নগাঁৱত পথ দুৰ্ঘটনাত এজন নিহত

**বিশেষ সংবাদদাতা**
**নগাঁও, ১২ এপ্ৰিল ঃ** নগাঁও চহৰৰ পানীগাঁও কালিবাৰীত আজি দুপৰীয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। পথ দুৰ্ঘটনাটোত নিহত হোৱা লোকজন নগাঁৱৰ কৰৈৱনীৰ ৰামাঞ্জন শইকীয়া (৪২)। শইকীয়াই বজাৰ কৰি নগাঁও চহৰৰ দিশৰ পৰা নিজ ঘৰ কৰৈৱনীৰ দিশে গৈ থকা অৱস্থাত পানীগাঁও কালিবাৰীত দুৰ্ভাগ্যজনকভাৱে চাইকেলেৰে গৈ থকা এ এছ-০২ এ চি-২২৯৩ নম্বৰৰ টা টা এচি ট্ৰাকত খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। ফলত থিতাতে নিহত হয় লোকজন। পাছত স্থানীয় একাংশ লোকে নগাঁও যান-বাহন আৰক্ষীক খবৰ দিয়ে। লগে লগে নগাঁও যান-বাহন আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

## গছপুলিক সন্তানৰ দৰেই প্ৰতিপালন কৰি বৃহৎ সাফল্য লাভ কৰা বালিগাঁও মিৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১২ এপ্ৰিল ঃ** এক বৃক্ষ ১০ পুত্ৰ সম জ্ঞান কৰা তথা জৈৱ বৈচিত্ৰ্যৰে ভৰা ৰাজ্যখনৰ সেউজ অৰণ্য নিঃশেষ হৈ অহাৰ সময়তে এম জি এনৰেগা আঁচনিৰে ৰোপণ কৰা বৃহৎ সংখ্যক গছপুলি কে'বাবছৰ ধৰি নিজৰ সন্তানৰ দৰে ডাঙৰ-দীঘল কৰাত গুৰুত্ব দি প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত শোণিতপুৰৰ খনামুখ বালিগাঁওমিৰিৰ প্ৰকৃতিপ্ৰেমী দীনেশ্বৰ পাৰে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ইতিমধ্যে প্ৰকৃতিপ্ৰেমী দীনেশ্বৰ পাৰ আৰু ৰাইজৰ প্ৰচেষ্টাত গছপুলিসমূহ ঠন ধৰি উঠিছে। উল্লেখ্য যে অনুপম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা জীয়াভৰলী নদীৰ পাৰৰ বালিগাঁৱত চিলনী গাঁও পঞ্চায়তে দুবছৰমানৰ পূৰ্বে এমজি এনৰেগাৰ অধীনত ছয় লাখ টকাৰে এখন বৃক্ষৰোপণ আঁচনি ৰূপায়ণ কৰে। সেই অনুসৰি সহস্ৰাধিক মূল্যবান গছপুলি ৰোপণ কৰাৰ উপৰি সুৰক্ষাৰ বাবে বাঁহৰ ঘেৰ দিয়া দি চিলনী গাঁও পঞ্চায়তৰ সভাপতি তথা প্ৰকৃতিপ্ৰেমী দীনেশ্বৰ পাৰে নিজেই দিনৌ পুৱা গধূলি বালিগাঁৱৰ ৰাইজৰ সহযোগত প্ৰতিটো পুলিৰ সংৰক্ষণ কৰাত



গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আনকি গছ পুলিসমূহৰ সংৰক্ষণৰ হেতুকে দীনেশ্বৰ পাৰ নিজেও হাতে কামে বাঁহৰ ঘেৰ নিৰ্মাণ কৰাত নামি পৰে। ইয়াৰ উপৰি প্ৰকৃতিপ্ৰেমীজনে গছপুলিসমূহত নিয়মীয়াকৈ পানীও যোগান ধৰি আহিছে। ইফালে, প্ৰথম অৱস্থাত ৰোপণ কৰা কিছু সংখ্যক বিভিন্ন কাৰণত মৰহি যোৱাৰ পাছতে সভাপতিজনে পুনৰ নিজেই গছপুলিসমূহ ৰোপণৰ ব্যৱস্থা কৰে। এনেদৰে নিতৌ প্ৰকৃতিপ্ৰেমীজনে পুৱা গধূলি গছপুলিসমূহ চোৱাচিতা কৰি অহাৰ বাবেই বৰ্তমান সময়ত অঞ্চলটো অতি সুন্দৰ হৈ পৰিছে। ৰাইজে প্ৰকৃতিপ্ৰেমী পাৰেৰ এই পদক্ষেপৰ শলাগ লৈছে। উল্লেখ্য যে বিশ্বৰ পৰ্যটন মানচিত্ৰত জিলিকি উঠা অনুপম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা জীয়াভৰলী নদীৰ পাৰৰ বালিগাঁও মিৰি গাঁওখনে ইতিমধ্যে কেইটামান বছৰৰ ভিতৰতে বৃহত্তৰ অঞ্চলটোত ৬০ লাখৰো অধিক গছপুলি ৰোপণ কৰিছে আৰু দীনেশ পাৰে ইয়াৰ স'তেও ওতঃপ্ৰোতভাৱে জড়িত হৈ আহিছে। শোণিতপুৰৰ পৰিষ্কাৰ গাঁও হিচাপে পৰিচিত এই গাঁওখনত বহু পূৰ্বেই ৰাইজে প্লাষ্টিক বৰ্জন কৰি আহিছে।

## পৰ্যটনস্থলী বগামাটিত আৰম্ভ হ'ল দুঃসাহসিক নৌকাচালন ৰাফটিং

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ১২ এপ্ৰিল ঃ** ভাৰত-ভূটান সীমান্তবৰ্তী তথা নৱগঠিত তামুলপুৰ জিলা আৰু ওদালগুৰি জিলাক স্পৰ্শ কৰি থকা বগামাটিত এইবেলি আগতীয়াকৈ আৰম্ভ হ'ল ৰাফটিং। যোৱা দুটা সপ্তাহ ধৰি দি থকা নেৰানেপেৰা বৰষুণৰ ফলত ভূটানৰ পৰা বৈ অহা খৰসোতা বৰনদীৰ জলস্তৰ বাঢ়ি অহাত স্থানীয় গ্ৰীণ ট্ৰেক এডভেঞ্চাৰে আৰম্ভ কৰে এই ৰাফটিং। গ্ৰীণ ট্ৰেকৰ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে অসমৰ বিশিষ্ট পৰ্বতাৰোহী উপেন চক্ৰৱৰ্তী, মঞ্জুলা বৰদলৈৰ লগতে দেশৰ আগশাৰীৰ কাৰিকৰী শিক্ষানুষ্ঠান আইআইটি, গুৱাহাটীৰ কে'বাগৰাকী শিক্ষাৰ্থীয়ে। বিগত বৰ্ষত প্ৰায় জুনত এনে ৰাফটিং আৰম্ভ হোৱাৰ পৰিৱৰ্তে এইবাৰ এপ্ৰিলত আৰম্ভ হোৱাত উৎসাহিত হৈছে পৰ্যটকসকল। গুৱাহাটীৰ পৰা মাত্ৰ ৯০ কিলোমিটাৰ দূৰত্বত অৱস্থিত সুন্দৰ প্ৰাকৃতিক পৰিৱেশেৰে পৰিবেষ্টিত বগামাটিত গ্ৰীণ এডভেঞ্চাৰ পৰ্যটকৰ বাবে খোৱা-লোৱাৰ লগতে নৈশযাপন, ট্ৰেকিং, জিপলাইনিং আদিৰো সুবিধা প্ৰদান কৰি আহিছে। ক'ভিডসৃষ্ট পৰিৱেশৰ পাছত বগামাটিত এইবাৰ দুঃসাহসিক পৰ্যটনে উৎসাহজনক সঁহাৰি লাভ কৰিব



বুলি আশা প্ৰকাশ কৰে গ্ৰীণ ট্ৰেক এডভেঞ্চাৰৰ সভানেত্ৰী জুলিমা ডেকা আৰু সম্পাদক পূৰ্ণ ডেকাই। বিগত সাত বছৰ ধৰি বগামাটিত পৰ্যটকৰ বাবে দুঃসাহসিক ৰাফটিং, ট্ৰেকিং, জিপলাইন আদি বিভিন্ন দুঃসাহসিক ক্ৰীড়াৰ আয়োজন কৰা অসমৰ একমাত্ৰ পেছাদাৰী অনুষ্ঠান গ্ৰীণ ট্ৰেক এডভেঞ্চাৰে অসমত দুঃসাহসিক পৰ্যটন ক্ষেত্ৰক বিশ্ব দৰবাৰত আগুৱাই নিবৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে। ইতিমধ্যে অসমৰ বিভিন্ন ঠাইৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা বগামাটিলৈ আহে যথেষ্ট পৰ্যটক আৰু তেওঁলোকে বগামাটিৰ প্ৰাকৃতিক পৰিৱেশৰ লগতে উপভোগ কৰে গ্ৰীণ ট্ৰেকে আগবঢ়োৱা বিভিন্ন দুঃসাহসিক ক্ৰীড়া। গ্ৰীণ ট্ৰেক এডভেঞ্চাৰৰ কেম্পছাইট তপোবনত ৰাতি কটোৱাৰ আছে সুন্দৰ সুবিধা। কেম্পছাইটত ইতিমধ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিভিন্ন ধৰণৰ আৱাসিক শিবিৰ আৰু কৰ্মশালা হৈ আহিছে। বছৰৰ প্ৰতিদিনেই খোলা থাকে গ্ৰীণ ট্ৰেক এডভেঞ্চাৰৰ কেম্পছাইট। যিকোনো দিনত পৰ্যটকে আহি উপভোগ কৰিব পাৰে বগামাটিৰ সৌন্দৰ্য তথা বৰনদীত কৰিব পাৰে জলক্ৰীড়া লগতে সুন্দৰ পৰিৱেশত নৈশযাপন তথা সংগীত আৰু বিভিন্ন দুঃসাহসিক ক্ৰীড়া। ইতিমধ্যে গ্ৰীণ ট্ৰেকে নিজৰ সুন্দৰ কৰ্মৰাজি তথা পৰ্যটন ক্ষেত্ৰৰ বাবে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা পাবলৈ সক্ষম হৈছে।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola
Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.
Contact No- 70021-60730, 60019-99800

APOLLO HOSPITALS CHENNAI
NEUROLOGIST DR. ARUL SELVAN
কেৱল পৰামৰ্শৰ বাবে পাঠশালাত উপস্থিত থাকিব।
ON 17th April'2022
APOLLO HOSPITALS INFORMATION CENTRE
Pathsala Milanpur Bhutan Road, Barpeta, Assam
Contact : 8939232505, 8939232502










অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com